


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা




দ্বাদশ বছৰ ■ সংখ্যা ১২৫ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১০ ডিচেম্বৰ, ২০২১, ২৩ আঘোণ, ১৯৪৩ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 125 Dainandin Barta ■ Guwahati, Friday ■ 10 December 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only


## ‘মিছন বসুন্ধৰা’ই খোপনি ঘূৰাই আনিছে খিলঞ্জীয়াৰ

### দালালবিহীনভাৱে ৭,৯১,৪৪৩ জনে মাটিৰ পট্টা লাভৰ দিশত অগ্ৰসৰ

■ চন্দ্ৰ কুমাৰ বৰুৱা

ৰাজ্যত অতীজৰে পৰা বসবাস কৰি থকা খিলঞ্জীয়া জনগোষ্ঠীয় বাসিন্দাসকলে পিতৃ পুৰুষৰ ভূমি উত্তৰাধিকাৰী সূত্ৰে ভোগ দখল কৰি আহিছে যদিও চৰকাৰীভাৱে পঞ্জীয়ন আৰু পট্টা আদায় কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত অৱজ্ঞা, অৱহেলা আৰু কিছু পৰিমাণে উদাসীন ভূমিকা লৈ আহিছিল। পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলাবলৈ হ’লে নিজৰ ভেটি আৰু মাটি পঞ্জীয়ন কৰাটো কিমান জৰুৰী সেয়া পৰৱৰ্তী প্ৰজন্মই সন্মুখীন হোৱা ভিন ভিন অসুবিধা আৰু প্ৰত্যাহ্বানৰ জৰিয়তে উপলব্ধি কৰিবলৈ সক্ষম হৈছে। তথাপি ৰাজহ বিভাগৰ কাৰ্যালয়ত ৰঙা ফিটাৰ মেৰপেচ আৰু দীৰ্ঘদিনীয়া দালালৰাজৰ বাবে সাধাৰণ গঁওঁাই ইচ্ছা থাকিলেও সামথ্যৰ অভাৱত আগবাঢ়িবলৈ সাহস গোটাব পৰা নাছিল। ৰাজ্যত ২০১৬ বৰ্ষত বিজেপি চৰকাৰ অধিষ্ঠিত হোৱাৰ পিছত জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ শ্ল’গানৰ বাবে কিছু পৰিমাণে শংকামুক্ত হৈছিল থলুৱা লোকসকল। তথাপি বিগত চৰকাৰে এক লাখ লোকক মাটিৰ পট্টা প্ৰদানৰ কাৰ্যসূচীতে সীমাবদ্ধ থাকি ভেটি ■ ৮ পৃষ্ঠাত




গ্ৰাম্য অৰ্থনীতিক প্ৰতিনিধিত্ব কৰা সৰল চিহ্নৰ সৰস ছবি— মাজুলীৰ সৰিয়হনিত হালে জালে হালধীয়া সৰিয়হই... গঁওঁাই হাঁহে হাঁহি জুৰাই

### ১১ ডিচেম্বৰ ■ পৰিসমাপ্তি ঘটিব আধুনিক ভাৰতত চলা ১৫মহীয়া কৃষক বিদ্ৰোহৰ

# বীৰৰ বেশেৰে গৃহাভিমুখী হ’ব প্ৰতিবাদী কৃষক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ ডিচেম্বৰ ঃ** তিনিখনকৈ কৃষি আইন আৰু অন্যান্য দাবীৰ প্ৰসংগত ৰ’দ-বৰষুণ, আৰক্ষীৰ নিৰ্যাতনকো নেওচি প্ৰতিবাদ অব্যাহত ৰখা কৃষকসকলে অৱশেষত ১৫মহীয়া কৃষক আন্দোলনৰ পৰিসমাপ্তি ঘটাব। আজি কৃষক নেতা দৰ্শন পাল সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয়— ‘আমি আন্দোলনৰ সমাপ্তি ঘটাই ঘৰমুৱা হোৱাৰ কথা ভাবিছোঁ। সেই মৰ্মে প্ৰতিবাদী কৃষকসকলে ১১ ডিচেম্বৰত নিজ নিজ ঘৰলৈ উভতি যাব’। সংযুক্ত কৃষক মৰ্চাৰ নেতা গুৰনাম সিঙে কয় যে ১৫ জানুৱাৰীত চৰকাৰৰ সৈতে কৃষকসকলৰ এখন পৰ্যালোচনা বৈঠক হ’ব। উক্ত বৈঠকত চৰকাৰে যদি কৃষকৰ বাকী দাবীসমূহ মানি নলয় তেন্তে কৃষকসকলে পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ’ব। আজি কেন্দ্ৰীয় চৰকাৰে প্ৰতিবাদী কৃষকসকলক এখন পত্ৰ লিখি এইবুলি জনায় যে চৰকাৰে ফচলৰ ন্যূনতম সমৰ্থন মূল্যৰ বিষয়ত এখন কমিটী গঠন কৰিব। চৰকাৰৰ এনে ঘোষণাৰ পিছতে প্ৰতিবাদী কৃষকসকলে আন্দোলন প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য, ১৯ নৱেম্বৰত গুৰু নানক জয়ন্তীৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষি আইনকেইখন বিলোপ কৰিব বুলি ঘোষণা কৰিছিল। ইয়াৰ পিছতে ২৯ নৱেম্বৰত লোকসভা আৰু ৰাজ্যসভাত মৌখিক ভোটত কৃষি আইনকেইখন বাতিল কৰা হৈছিল। ১৫মহীয়া কৃষক আন্দোলনত ■ ৮ পৃষ্ঠাত



দেশৰ প্ৰথম মুখ্য নিৰাপত্তাৰ মুৰব্বী বিপিন ৰাৱটলৈ শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

## গুণ্ডা ‘মামা’ৰ মহিলাক ভাবুকি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁও সদৰ থানাৰ চৌহদত আজি একাংশ মহিলা ভাবুকিৰ সন্মুখীন হোৱা ঘটনাই নগাঁৱত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে দুদিনমানৰ পূৰ্বে নগাঁৱৰ ড্ৰাগ্‌ছ আৰু গুণ্ডাৰাজৰ মূল নায়ক আব্দুল বাছেত ওৰফে ইফুক নগাঁৱৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। এই ইফু গুণ্ডাৰ অন্যতম সহযোগী ৰাজ ওৰফে ‘মামা’ই নগাঁৱত অব্যাহত ৰাখিছে সন্ত্ৰাস। ‘মামা’ই দীৰ্ঘদিন ধৰি নগাঁও চিভিল গেটকে ধৰি ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বিভিন্নজনৰ পৰা ধন দাবী কৰি আহিছিল। ধন নিদিলে বিভিন্ন ধৰণৰ ভাবুকি প্ৰদান কৰে ‘মামা’ই। আনকি ‘মামা’ৰ ভাবুকিৰ পৰা ■ ৮ পৃষ্ঠাত




দীঘলীপুখুৰীৰ পাৰত বৃহস্পতিবাৰে আছু আৰু নেছ’ৰ প্ৰতিবাদ— উত্তৰ-পূৰ্বৰ পৰা উঠাওক আফছ্‌পা

### পোহৰলৈ আহিছে অ’টিংবস্তিৰ ঘটনাৰ সঠিক তথ্য



হেলিকপ্টাৰ দুৰ্ঘটনা

## সংসদত ‘ট্ৰাই ছাৰ্ভিচ’ তদন্ত ঘোষণা কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ ডিচেম্বৰ ঃ** তামিলনাডুৰ কুনুৰত কালি সংঘটিত ভাৰতীয় বায়ু সেনা বাহিনীৰ এম আই ছিৰিজৰ হেলিকপ্টাৰ দুৰ্ঘটনাই এতিয়া দেশৰ লগতে সমগ্ৰ বিশ্বতে শোকৰ ছাঁ পেলাইছে। ভয়ংকৰ দুৰ্ঘটনাটোত চীফ অৱ ডিফেন্স ষ্টাফ বিপিন ৰাৱাটৰ লগতে তেওঁৰ পত্নী মধুলিকা ৰাৱাটসহ মুঠ ১৩জন লোকৰ মৃত্যু ■ ৮ পৃষ্ঠাত

## ডবকাত নিশা দুশজনীয়া হাতীৰ পালে ভাঙিলে ৩০টা বাসগৃহ

### বিছনাৰ তলত লুকাই প্ৰাণৰক্ষা শিশুসহ পৰিয়ালৰ লোকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৯ ডিচেম্বৰ ঃ** যোৱানিশা প্ৰায় ২০০টাৰ বনৰীয়া হাতীৰ এটা জাকে বৃহত্তৰ ডবকা অঞ্চলৰ বিভিন্ন প্ৰান্তত তাণ্ডৱ চলাই ঘৰ-দুৱাৰ ভাঙি তহিলং কৰে। বাতৰি অনুসৰি নীলবাগানৰ আশীনগৰ অঞ্চলত বহুকেইটা পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে সা-সামগ্ৰীও নষ্ট কৰে হাতীৰ জাকটোৱে। প্ৰাণৰ ভয়ত কোনোবাই বিছনাৰ তলত, কোনোবাই টিনৰ তলত আন কোনোবাই ঘৰৰ চুকত ■ ৮ পৃষ্ঠাত



অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাৰ গৃহত বৃহস্পতিবাৰে ঔপন্যাসিক প্ৰতিভা বৰুৱাৰ উপন্যাস ‘জীৱন যুদ্ধৰ সেতু’ উন্মোচন কৰিছে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই

## শোকত ম্ৰিয়মান নাগালেণ্ডৰ মন জিলাত নাই সমাগত বৰদিনৰ ব্যস্ততা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৯ ডিচেম্বৰ ঃ** সন্মুখত পৱিত্ৰ বৰদিন। তাৰেই প্ৰস্তুতি আৰম্ভ হৈছিল অসমৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ আন ঠাইৰ লগতে মন জিলাত। বৰদিন পালনৰ উদ্দেশ্যে কেইটকামান উপাৰ্জনৰ বাবে কয়লাখনিত শ্ৰমিক হিচাপে নিয়োজিত হৈছিল জিলাখনৰ ■ ৮ পৃষ্ঠাত

## গেৰুকামুখত অসম-অৰুণাচল প্ৰদেশৰ শ্ৰমিকৰ মাজত ৰক্তাক্ত সংঘৰ্ষ

### ছগৰাকী শ্ৰমিক গুৰুতৰভাৱে আহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৯ ডিচেম্বৰ ঃ** গেৰুকামুখত এন এইচ পি চিয়ে নিৰ্মাণ কৰি থকা নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পস্থলীত আজি দুই দল শ্ৰমিকৰ মাজত ৰক্তাক্ত সংঘৰ্ষত ছগৰাকী লোক গুৰুতৰভাৱে আহত হোৱাৰ লগতে ২০গৰাকী শ্ৰমিক সামান্যভাৱে আহত হৈছে। ঘটনাৰ বিৱৰণী মতে অৰুণাচল প্ৰদেশৰ পাকে কেছাং জিলাৰ অন্তৰ্গত দঃলুংমুখত এনএইচপিচিৰ অধীনত কৰ্মৰত ঠিকাদাৰী নিৰ্মাতা সংস্থা ■ ৮ পৃষ্ঠাত



আমবাৰীত অসম গণ পৰিষদৰ ভগ্নী সংগঠন মহিলা পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অংশগ্ৰহণ কেন্দ্ৰীয় সভাপতি তথা অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰাৰ

## যোৰহাট কাণ্ডত নিহত ছাত্ৰ নেতা অনিমেষৰ আদ্যশ্ৰাদ্ধ

### ১৯ ডিচেম্বৰত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৯ ডিচেম্বৰ ঃ** যোৰহাটৰ মাজমজিয়াত সংঘটিত ৰাজ্য কঁপোৱা বৰ্বৰ ঘটনাত নিহত হোৱা দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ ছাত্ৰ নেতা অনিমেষ ভূঞাৰ আদ্যশ্ৰাদ্ধ আজি খকগুগুৰিস্থিত নিজা বাসগৃহত অনুষ্ঠিত হৈ যায়। ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা আৰু সাংস্কৃতিক সম্পাদকৰ দৰে দায়িত্ব আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত থাকি সমাজ সেৱামূলক কাম-কাজেৰে ৰাইজৰ প্ৰিয়ভাজন হৈ পৰা প্ৰতিভাৱান যুৱক অনিমেষৰ আত্মাৰ সদ্‌গতিৰ বাবে আয়োজন কৰা আদ্যশ্ৰাদ্ধস্থলীত আজি ■ ৮ পৃষ্ঠাত

## ৰাজ্যত প্ৰথমবাৰৰ বাবে মাছৰ পোনা বেংক উদ্বোধন বিশ্বনাথ উপায়ুক্তৰ

### পঞ্চাশ শতাংশ সুলভ মূল্যত পোনা যোগান ঃ বিনামূলীয়া প্ৰশিক্ষণ সুনিশ্চিত কৰিব গহপুৰৰ ফীছ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাৱাজান, ৯ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ গহপুৰ ফীছ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ জৰিয়তে অসমত প্ৰথমবাৰৰ বাবে গহপুৰত উন্নত ■ ৮ পৃষ্ঠাত



## সাংবাদিকৰ স্বাধীনতা খৰ্বৰ অভিকেন্দ্ৰত পৰিণত ৰঙা চীন

### কমিউনিষ্ট শাসকে পোতাশাললৈ নিক্ষেপ কৰিছে ১২৭গৰাকী সাংবাদিকক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ ডিচেম্বৰ ঃ** সাংবাদিকৰ স্বাধীনতা খৰ্বৰ অভিকেন্দ্ৰত পৰিণত হৈছে কমিউনিষ্ট শাসকে পৰিচালনা কৰা দেশ চীন। সম্প্ৰতি বিভিন্ন অজুহাতত চীনৰ চৰকাৰে ১২৭গৰাকী পেছাদাৰী তথা অ-পেছাদাৰী সাংবাদিকক আটক কৰি ৰাখিছে। এই স্পৰ্শকাতৰ তথা উদ্বেগজনক বিষয়টো পোহৰলৈ আনিছে সাংবাদিকৰ স্বাধীনতাৰ বিষয়ত কাম কৰি অহা আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান ‘ৰিপ’ৰ্টাৰ্ছ উইথ আউট ব’ৰ্ডাৰ’-এ। সংস্থাটোৱে প্ৰকাশ কৰা তথ্য অনুসৰি চীন হৈছে সৰ্বাধিকসংখ্যক সাংবাদিকক বন্দী কৰি ৰখা বিশ্বৰ শীৰ্ষ দেশ। সংস্থাটোৰ প্ৰতিবেদন অনুসৰি চীনৰ শাসনাধিষ্ঠিত কমিউনিষ্ট পাৰ্টীৰ বিৰুদ্ধে যোৱা বাতৰি পৰিৱেশন কৰাৰ বাবেই এনেদৰে শতাধিক সাংবাদিকক বন্দী কৰা হৈছে। ■ ৮ পৃষ্ঠাত



## কাজিৰঙাত কৰ্মৰত গৃহৰক্ষী জোৱান ভূপেন হাজৰিকালৈ ৰাষ্ট্ৰপতিৰ পদক

### উৎফুল্ল কাজিৰঙা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ৯ ডিচেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কৰ্মৰত গৃহৰক্ষী জোৱান ভূপেন হাজৰিকাই লাভ কৰিছে ৰাষ্ট্ৰপতিৰ ■ ৮ পৃষ্ঠাত



## কোন হ’ব পৰৱৰ্তী মুখ্য নিৰাপত্তাৰ মুৰব্বী

নতুন চিডিএছ নিযুক্তিৰ বাবে কেন্দ্ৰৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ ■ ৩-৪ দিনৰ ভিতৰত নিযুক্তি দিব নতুন চিডিএছক ■ ক্ষুদ্ৰ পেনেলক নতুন ব্যক্তিক নিৰ্বাচনৰ বাবে দায়িত্ব ■ ক্ষুদ্ৰ পেনেলত স্থল, বায়ু আৰু জল সেনাৰ প্ৰতিনিধি নিযুক্ত ■ সম্ভাৱনাৰ শীৰ্ষত স্থলসেনাৰ মুৰব্বী এম এম নাৰভানে ■ পাঁচ মাহৰ ভিতৰত স্থলসেনাৰ মুৰব্বী পদৰ পৰা অৱসৰ ল’ব নাৰভানে ■ মুখ্য নিৰাপত্তাৰ মুৰব্বীৰ পদত স্থলাভিষিক্ত প্ৰথমগৰাকী ব্যক্তি বিপিন ৰাৱটৰ স্থানত কোন হ’ব দ্বিতীয়গৰাকী ব্যক্তি, তাকে লৈ সম্প্ৰতি দেশজুৰি চৰ্চা অব্যাহত ■ ক্ষুদ্ৰ পেনেলে মনোনীত কৰা ব্যক্তিৰ নাম প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অনুমোদন জনালেই হ’ব দেশৰ পৰৱৰ্তী চিডিএছ ■



# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'অসমৰ সমাজ সংস্কৃতি সংহতি ঃ পৰিৱৰ্তন আৰু কৰণীয়' শীৰ্ষক বক্তৃতা

## অসমৰ সমাজ সংস্কৃতিৰ মাজৰ সংহতিৰ পৰিচয় শংকৰদেৱে দি থৈ গৈছে ঃ ডঃ দিলীপ বৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'অসমৰ সমাজ সংস্কৃতি সংহতি ঃ পৰিৱৰ্তন আৰু কৰণীয়' শীৰ্ষক বক্তৃতানুষ্ঠান কালি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় । অসমৰ সমাজ সংস্কৃতি সংহতি ঃ পৰিৱৰ্তন আৰু কৰণীয় শীৰ্ষক বক্তৃতা প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ডঃ দিলীপ বৰাই কয়- 'অসমৰ সমাজ সংস্কৃতিৰ সংহতিৰ পৰিচয় শঙ্কৰদেৱে দি থৈ গৈছে । আধুনিক জ্ঞান চৰ্চাত বিতৰ্কৰ জৰিয়তে জ্ঞান লাভৰ কৌশলো অসমত শঙ্কৰদেৱে ৰচনা কৰি থৈ গৈছে । অসমৰ সমাজ সংস্কৃতি মাজত অসমৰ ভৌগোলিক পৰিমণ্ডলত বাস কৰা বাসিন্দাসকলে সংহতি ৰক্ষা কৰিব লাগিব । ভাষাই সংহতি ৰক্ষা কৰে । অসমীয়া ভাষাৰ মাজেদি এই সংহতি ৰক্ষা কৰিব পৰা যায় । আমি কাকো ওপৰত জোৰ-জুলুম কৰি কোনো কথা জাপি দিব নালাগে । তেতিয়াহে সকলোৱে সকলোকে আদৰি ল'ব।' বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মৃণাল কুমাৰ বৰাই বিশ্ববিদ্যালয়ৰ হৈ বক্তৃতা আগবঢ়োৱাৰ পাছতে ড° দিলীপ বৰাই বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে মত বিনিময় কৰে । অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ শিখামণি শৰ্মাই আঁত ধৰা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে বিভাগৰ ভাৰপ্ৰাপ্ত বিভাগীয় প্ৰধান শ্যামলী দলৈয়ে । উক্ত অনুষ্ঠানতে অসমীয়া বিভাগৰ লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য চ'ৰাৰ হাতেলিখা আলোচনী ডঁৰিয়লিৰ দ্বাদশ সংখ্যাটি উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ডঃ দিলীপ বৰাই। সভাত শলাগৰ শৰাই আগবঢ়ায় বিভাগৰ সহকাৰী অধ্যাপক ডঃ চাহিন জাফৰীয়ে।

# ধলপুৰ বকুলগুৰিত এক শৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাৱাজান, ৯ ডিচেম্বৰ ঃ** এক শৰণ ভাগৱতী সমাজৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিবসটি কালি দিনজোৰা কাৰ্যসূচীৰে ধলপুৰ বকুলগুৰিত অনুষ্ঠিত হয়। এক শৰণ ভাগৱতী সমাজৰ বকুলগুৰি প্ৰাথমিক শাখাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিবস উপলক্ষে পুৱা প্ৰাতঃপ্ৰসঙ্গ প্ৰাৰ্থনা সভাৰ পাছত ধৰ্মধ্বজা উত্তোলন কৰে সমাজৰ প্ৰাক্তন আঞ্চলিক সভাপতি গোপাল দাসে। নাম-প্ৰসঙ্গৰ পাছত অনুষ্ঠিত ধৰ্মমূলক সভাত আঞ্চলিক সভাপতি ভুপেন দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। উক্ত সভাত ভাষণ ৰাখি বিশিষ্ট সমাজ সংগঠক সুবক্তা প্ৰফুল্ল হাজৰিকাই এক শৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক তথা পদাধিকাৰ ইলাৰাম দাসৰ নীতি আদৰ্শ শ্ৰীমন্ত শংকৰদেৱৰ দেখুৱা যোৱা পথেৰে প্ৰেম-ভাতৃত্ববোধ, নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে নতুন প্ৰজন্মক আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেখেতে অলপতে যোৰহাটত ঘটা নিৰ্লজ্জ কাণ্ডক গৰিহণা দিয়াৰ লগতে এনে ঘটনাই অসমীয়া সমাজত বন্ধুত্ব-একতা নষ্ট কৰি সমাজৰ হেঙাৰ হিচাপে থিয় দিয়া বুলি মত প্ৰকাশ কৰে। তেখেতে সতী ৰাধিকা আৰু বৈষ্ণৱ পণ্ডিত ইলাৰাম দাসৰ আদৰ্শেৰে এখন সমৃদ্ধিশালী সমাজ গঢ়িবলৈ আহ্বান জনায় । সভাত এক শৰণ ভাগৱতী সমাজৰ বকুলগুৰি আঞ্চলিক সম্পাদক জোনেশ্বৰ দাস, শাখা সভাপতি অনিল দাস, সম্পাদক ভৰত দাস আদি কেইবাজনো বক্তাই বৈষ্ণৱ পণ্ডিত ইলাৰাম দাসৰ জীৱন-আদৰ্শ আৰু প্ৰতিষ্ঠা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে।

# মাজুলী জিলা শৰীৰ চৰ্চা সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা

## সদৌ অসম দেহশ্ৰী প্ৰতিযোগিতাৰ মাজুলী জিলা দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৯ ডিচেম্বৰ ঃ** মাজুলী জিলা শৰীৰ চৰ্চা সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা কমলাবাৰীস্থিত লিঅ'পাৰ্ডছ ক্লাবত অনুষ্ঠিত হয় । সংস্থাৰ সভাপতি মনোজ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিগত বৰ্ষৰ হিচাপ দাখিল কৰে সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই । সভাত আগন্তুক বৰ্ষৰ বাবে উৎপল বৰুৱাক সভাপতি, উৎপল শইকীয়াক কাৰ্যকৰী সভাপতি আৰু মনোজ নেওগক সাধাৰণ সম্পাদক হিচাপে লৈ ২১ জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হয় । সভাত ধুবুৰীত অনুষ্ঠিত হ'বলগীয়া ৪৯ সংখ্যক অসম ৰাজ্যিক আন্তঃজিলা দেহশ্ৰী প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে সিদ্ধান্ত গ্ৰহণৰ লগতে অহা ১২ ডিচেম্বৰত এক বাছনি প্ৰক্ৰিয়া কমলাবাৰীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব । উক্ত বাছনি প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত ক্লাবসমূহক সংস্থাৰ সাধাৰণ সম্পাদক মনোজ নেওগৰ সৈতে ৬০০২৮৭৮১৯৮ নম্বৰত যোগাযোগ কৰিবৰ বাবে জনাইছে।

# বিজেপি দলৰ ৰাজ্যিক যুৱ মৰ্চাৰ কেন্দ্ৰীয়ভাৱে শ্বহীদ দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ ডিচেম্বৰ ঃ** মৰিগাঁৱত ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক যুৱ মৰ্চাৰ কেন্দ্ৰীয়ভাৱে শ্বহীদ দিৱস উদ্‌যাপন। কাইলৈ মৰিগাঁও স্কুল খেলপথাৰত অসম আন্দোলনত মৰিগাঁও জিলাৰ শ্বহীদ আৰু



নিৰ্যাতিত মৰিগাঁও জিলাৰ মুঠ ১২৩ জনৰ পৰিয়ালক সম্বৰ্ধনা জনোৱাৰ লগতে ৮৫৫ জন শ্বহীদক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰা হ'ব। বিগত সময়ৰ দৰে এই বছৰ মৰিগাঁৱত বিজেপি যুৱ মৰ্চাই আয়োজন কৰা শ্বহীদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপি ৰাজ্যিক সভাপতি ভৱেশ কলিতা, কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকাসহ বিজেপি দলৰ কেইবাজনো নেতা উপস্থিত থাকিব।


**Guest House**

A/C Non A/C Rooms with Car Parking At POGL Brahmaputra, Chandmari, Guwahati-21

Ph. WA : 9678009493 9707183470


## ৰাশিফলত আজিৰ দিনটো

২৩ আঘোণ, শুক্ৰবাৰ, ১০ ডিচেম্বৰ, ১৪২৮ ভাস্কৰাব্দ, তিথি ঃ শুক্লা সপ্তমী, নক্ষত্ৰ ঃ শতভিষা, জন্ম ৰাশি ঃ কুম্ভ
সূৰ্যোদয়- ৬-৩-৭ সূৰ্যাস্ত- ৪-২৯-৫০



■ **মেষ** ঃ দূৰ ভ্ৰমণ ■ **বৃষ** ঃ প্ৰিয়জনৰ আগমন ■ **মিথুন** ঃ কামত বেমেজালি ■ **কৰ্কট** ঃ উত্তম ভোজন ■ **সিংহ** ঃ সমস্যা সমাধান ■ **কন্যা** ঃ প্ৰেমত শুভ ■ **তুলা** ঃ আঘাত পাব ■ **বৃশ্চিক** ঃ কাৰ্যসিদ্ধি ■ **ধনু** ঃ দাম্পত্য সুখ ■ **মকৰ** ঃ চকুৰ পীড়া ■ **কুম্ভ** ঃ পিতৃ বিৰোধ ■ **মীন** ঃ বিদ্যাৰ্থীৰ সুনাম।

# মাৰ্ঘেৰিটা চাইডিং আৰু দিহিংস্থিত ইটাভাতাকেইটাত নিশাটোৰ ভিতৰতে ক'ৰ পৰা মজুত হ'ল টনে টনে কয়লা

## তদন্ত কৰি মাৰ্ঘেৰিটাৰ ৰাইজক আশ্বস্ত কৰক আৰক্ষী-প্ৰশাসনে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৯ ডিচেম্বৰ ঃ** মাৰ্ঘেৰিটাত কয়লাৰ চোৰাং ছিণ্ডিকেট সন্দৰ্ভত বুধবাৰে দৈনন্দিন বাৰ্তা কাকতত বাতৰি প্ৰকাশ পোৱাৰ পিছতে লিডু আৰু মাৰ্ঘেৰিটাত বিভিন্ন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কয়লা ছিণ্ডিকেটৰ বাতৰি প্ৰকাশ হোৱাৰ পিছতে চোৰাং কয়লা ক্ৰয় কৰা একাংশ ইটাভাতাৰ গৰাকীয়ে বিভিন্ন পক্ষক মেনেজ কৰি অবৈধ কয়লাৰ বৈধ নথিপত্ৰ উলিওৱাৰ বাবে কুচকাৱাজ আৰম্ভ কৰা বুলি জানিব পৰা গৈছে । মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত প্ৰায়কেইটা ইটাভাতাত যোৱা দুই-তিনিদিনৰ ভিতৰতে টনে টনে মজুত কৰা হৈছে কয়লা। এইসমূহ কয়লা বৈধ নে অবৈধভাৱে ক্ৰয় কৰা হৈছে সেয়া বিভাগীয় কৰ্তৃপক্ষই ইটাভাতাসমূহত তদন্ত কৰিলেই সকলো কথা ওলাই পৰিব। সোমবাৰে নিশাৰ ভিতৰতে মাৰ্ঘেৰিটা আৰক্ষীৰ থানাৰ অন্তৰ্গত চাইডিং আৰু দিহিংস্থিত ইটাভাতাকেইটাত বৃহৎ পৰিমাণৰ কয়লা কেনেকৈ মজুত হৈছিল। এক গোপন তথ্য অনুসৰি লিডু আৰু নামডাদাং অঞ্চলৰ অবৈধ কয়লা খনন স্থলীৰ পৰা মাৰ্ঘেৰিটা আৰক্ষী থানাৰ কাষেদি পাৰ হৈ কেটেতং বজাৰ তিনিআলি হৈ বহুকেইখন ডাম্পাৰ গাড়ীয়ে কয়লাসমূহ উক্ত ইটাভাতাকেইটাত মজুত কৰে। মাৰ্ঘেৰিটা আৰক্ষী প্ৰশাসনৰ যদি সৎ সাহস আছে তেন্তে এই ইটাভাতাকেইটাত অভিযান চলাওক, সকলো কথা স্পষ্ট হৈ পৰিব। এই কয়লাসমূহ ক'ৰ পৰা কেনেকৈ আহি ইটাভাতা পালেহি বা এই কয়লাসমূহ বৈধ নে অবৈধ। এই কুখ্যাত কয়লা ছিণ্ডিকেট চক্ৰটোৰ মূল লিডুৰ খলনায়কটোৰ নেতৃত্বত আজিও লিডুত বহুকেইখন চোৰাং কয়লাভৰ্তি ডাম্পাৰ নিশা সৰবৰাহৰ বাবে দিন-দুপৰতে সাজু কৰি ৰাখি থোৱা আছে । মাৰ্ঘেৰিটাৰ সচেতন মহল এতিয়াও কিন্তু আশাবাদী মাৰ্ঘেৰিটাৰ আৰক্ষী প্ৰশাসনে শীঘ্ৰে এই কয়লা ছিণ্ডিকেট চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি কয়লাৰ চোৰাং ব্যৱসায় বন্ধ কৰিব।



# কয়লাৰ নাটনিত ৰাজ্যত হাহাকাৰ ইটাভাতা মালিকৰ

## অত্যধিক নাটনিৰ ফলত জ্বলা নাই উত্তৰ অসমৰ বহু ইটাভাতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ, ৯ ডিচেম্বৰ ঃ** কয়লাৰ নাটনি আৰু উত্তৰ-পূবৰ ঔদ্যোগিক ক্ষেত্ৰখনৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। সমগ্ৰ দেশজুৰি অব্যাহত থকা কয়লাৰ নাটনিৰ বাবে দেশৰ শক্তিখণ্ডৰ লগতে উত্তৰ-পূবৰ উদ্যোগসমূহেও সংকটৰ সন্মুখীন হ'বলগীয়া হৈছে যোৱা কেইবাদিন ধৰি। বিগত কিছু মাহ ধৰি কয়লাৰ ধাৰাবাহিকভাৱে মূল্য বৃদ্ধি পাই আহিছে। কয়ালৰ মূল্য বৃদ্ধিৰ সমান্তৰালভাৱে কয়লাৰ নাটনিও এক উদ্বেগৰ বিষয় হৈ পৰিছে ৰাজ্যত। বৰ্তমান ৰাজ্যত কয়লাৰ মূল্য দুগুণতকৈও বৃদ্ধি পাইছে। বিগত বৰ্ষত ১১ হাজাৰৰ পৰা ১২ হাজাৰ প্ৰতিটনৰ মূল্য আছিল যদিও এই বৰ্ষত অত্যধিক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত প্ৰতি টন কয়লাৰ মূল্য ১৫ ৰ পৰা ১৭ হাজাৰ পৰ্যন্ত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে, যাৰ ফলত বহু উদ্যোগত জ্বলা নাই জুই। আনহাতে ইয়াৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে উত্তৰ অসমৰ চাহ কলঘৰৰ লগতে উত্তৰ অসমৰ বিহালী সমষ্টিত থকা প্ৰায় ৫০ টাৰো অধিক ইটা ভাতাত প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। বিহালী সমষ্টিৰ বহু ইটা ভাতাই বৰ্তমান সময়লৈকে জুই দিব পৰা নাই কয়লাৰ অভাৱ আৰু অত্যধিক মূল্য বৃদ্ধিৰ ফলত । দুই-এটা ইটা ভাতাত জুই জ্বলিছে যদিও অত্যধিক মূল্য বৃদ্ধিৰ ফলত বন্ধ হোৱাৰ সম্ভাৱনা দেখা দিছে বিহালী সমষ্টিত। ইফালে বিহালী সমষ্টিৰ কেইটামান ইটাভাতাত আধাতে জুই নুমাই যোৱাৰ তথ্যও পোৱা গৈছে। এইদৰে কয়লাৰ অত্যধিক মূল্য বৃদ্ধি আৰু নাটনিয়ে বিহালী সমষ্টিৰ একাংশ ইটাভাতাৰ মালিকক চিন্তিত কৰি তুলিছে। প্ৰশ্ন হয়, কাৰ আশীৰ্বাদত এই ক'লা হীৰাৰ হঠাৎ মূল্য বৃদ্ধি হ'ল তাক লৈও এতিয়া প্ৰশ্ন উত্থাপন কৰিছে একাংশ দল-সংগঠনে। প্ৰকৃততে মূল্য বৃদ্ধি নে দালালৰ বাবে বৃদ্ধি হৈছে তাৰ উচিত তদন্তৰো দাবী জনাইছে বিভিন্ন দল-সংগঠনে।

# নগাঁৱত ড্ৰাগ্‌ছ সৰবৰাহকাৰী মহিলা আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ ধিং গেইট অঞ্চলত আজি আৰক্ষীয়ে অভিযান চলাই সন্দেহযুক্ত হেৰ'ইনসহ এগৰাকী ড্ৰাগ্‌ছ সৰবৰাহকাৰী মহিলাক কৰায়ত্ত কৰে । আৰক্ষীয়ে কৰায়ত্ত কৰা মহিলাগৰাকী হৈছে ধিং বেছামাৰীৰ ফৰিদা খাতুন (২৭)। ধৃত মহিলাগৰাকীয়ে হেৰ'ইনখিনি দুটা চাবোনৰ পেকেটত সুমুৱাই অনা অৱস্থাত আৰক্ষীৰ এন্টি নাৰ্ক'টিক স্কোৱাডৰ অভিযানত ধৰা পৰে। আৰক্ষীয়ে ড্ৰাগ্‌ছ সৰবৰাহকাৰী মহিলাগৰাকীক অধিক তথ্যৰ বাবে জেৰা চলাই থকা বুলি জানিব পৰা গৈছে ।

# তিনি বছৰে সম্পূৰ্ণ নহ'ল বিষ্ণুপুৰ-বালিকুছি পথ, ক্ষুব্ধ ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৯ ডিচেম্বৰ ঃ** দৰং জিলাৰ পশ্চিম প্ৰান্তৰ অতিকৈ ব্যস্ত বিষ্ণুপুৰ-বালিকুছি সংযোগী পথছোৱা বিগত তিনি বছৰে সম্পূৰ্ণ নহ'ল নিৰ্মাণ। ছয়-সাতখন গাঁও আৰু ছয়খনকৈ শিক্ষানুষ্ঠান আৰু কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সংলগ্ন হৈ থকা গুৰুত্বপূৰ্ণ এই পথছোৱা নিৰ্মাণত গুৰুত্ব প্ৰদান নকৰাত স্বাভাৱিকতে ক্ষুব্ধ হৈ পৰিছে অঞ্চলটোৰ ৰাইজ । নিৰ্মীয়মাণ পথটোত বিশেষকৈ ধূলি, বালি, শিলৰ বাবে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়াত পৰিছে ৰাইজ । লোক নিৰ্মাণ বিভাগৰ দায়িত্বহীনতা আৰু ঠিকাদাৰৰ চৰম হেমাহিৰ বাবে দুৰ্ভোগ ভুগিব লগা হৈছে অঞ্চলটোৰ বাসিন্দাসকলে । পৰিতাপৰ বিষয় যে স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো চৰকাৰৰ উন্নয়নমূলক আঁচনি লেহেমীয়া হোৱা বিষয়টোৱে বিষ্ণুপুৰ-বালিকুছি সংযোগী পথটোৱে এক তাৎপৰ্যপূৰ্ণ ইঙ্গিত বহন কৰিছে। উল্লেখ্য যে যোৱা ২০১৯ বৰ্ষৰ ৫ মাৰ্চত লোকনিৰ্মাণ বিভাগৰ ছিপাঝাৰ-কলাইগাঁও ক্ষেত্ৰীয় কাৰ্যালয়ৰ অধীনস্থ এই পথছোৱাৰ শুভাৰম্ভ কৰিছিল ৬৬ নং ছিপাঝাৰ বিধানসভা সমষ্টিৰ তদানীন্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই । ৰাজ্যিক স্ব অগ্ৰাধিকাৰ উন্নীতকৰণৰ শিতানত ৩৫৪.২৩ লাখ টকা আবন্টন দিছিল পথছোৱা নিৰ্মাণৰ বাবে । প্ৰাক্‌কলন অনুসৰি কাম নকৰা বিভাগটোৰ ব্যৰ্থতাক অঞ্চলটোৰ ৰাইজে ধিক্কাৰ দিছে, লগতে এই গুৰুত্বপূৰ্ণ পথছোৱা অতিশীঘ্ৰে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বিষ্ণুপুৰ-বালিকুছি অঞ্চলৰ ৰাইজে।

# তিতাবৰ প্ৰেছক্লাবৰ চতুৰ্বিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ৯ ডিচেম্বৰ ঃ** তিতাবৰ প্ৰেছ ক্লাবৰ চতুৰ্বিংশতিতম প্ৰতিষ্ঠা দিৱস ৯ ডিচেম্বৰত তিতাবৰ প্ৰেছ ক্লাব প্ৰাংগণত অনুষ্ঠিত হৈ যায়। তিতাবৰ প্ৰেছ ক্লাবৰ সম্পাদক দুলাল কলিতাই আঁত ধৰা এক অনুষ্ঠানত পুৱা প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ খাউণ্ডে। শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰেছ ক্লাবৰ উপদেষ্টা বিমান শইকীয়াই। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত সাংবাদিক শশাংক দত্ত, সঞ্জীৱ দত্ত, প্ৰকাশ বৰদলৈ, বিকি হৰিজন প্ৰমুখ্যে প্ৰেছ ক্লাবৰ শুভাকাংক্ষীসকলে অংশগ্ৰহণ কৰে। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেৱল প্ৰতিষ্ঠা দিৱসৰ আনুষ্ঠানিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# বড়মপুৰৰ ধেনুচোচা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ ঃ শীঘ্ৰে বদলিৰ দাবী উত্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ননৈ, ৯ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বড়মপুৰ বিধানসভাৰ সমষ্টিৰ অন্তৰ্গত ধেনুচোচা প্ৰাথমিক মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে কেতবোৰ অভিযোগ উত্থাপিত হৈছে । স্থানীয় একাংশ লোকে প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ বদলিৰ দাবী উত্থাপন কৰিছে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ একাংশ অভিভাৱক আৰু স্থানীয় একাংশই অভিযোগ কৰা মতে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে মধ্যাহ্ন ভোজন, আন্তঃগাঁথনিকে ধৰি বিভিন্ন ক্ষেত্ৰত অনিয়ম সংঘটিত কৰি আহিছে । এই সন্দৰ্ভত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভানেত্ৰী, অভিভাৱক আৰু একাংশ স্থানীয় লোকে প্ৰধান শিক্ষয়িত্ৰীগৰাকীক অৱগত কৰিলেও প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰে । ইতিমধ্যে স্থানীয় একাংশ লোক-অভিভাৱকে নগাঁও জিলা উপায়ুক্তৰ ওচৰত প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰি ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাইছিল । ইয়াৰ পিছতেই কঠীয়াতলী শিক্ষাখণ্ডৰ দত্ত উপাধিৰ গাণনিক বিষয়া আৰু বৰা উপাধিৰ চি আৰ চি বিষয়া মহিলা বিষয়া দুগৰাকীয়ে বিদ্যালয়খনলৈ আহি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে একাংশ অভিভাৱক, স্থানীয় ৰাইজ আৰু বিদ্যালয় পৰিচালনা সমিতিৰ লগত আলোচনা কৰি বিষয়টোৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰিছিল । কিন্তু বিষয়া দুগৰাকীয়ে শেহতীয়াভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে প্ৰধান শিক্ষকগৰাকীৰ পক্ষত অৱস্থান গ্ৰহণ কৰিছে বুলি একাংশই অভিযোগ তুলিছে । আজি বিদ্যালয়খনৰ চৌহদত সংবাদ মাধ্যমৰ আগত একাংশ অভিভাৱকে প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। অভিভাৱকসকলে অভিযোগ কৰা মতে প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে মধ্যাহ্ন ভোজনকে ধৰি বিভিন্ন ক্ষেত্ৰত ব্যাপক অনিয়ম সংঘটিত কৰি আহিছে । তদুপৰি শিক্ষাৰ পৰিৱেশ বিনষ্ট কৰিছে । সংবাদ মাধ্যমৰ জৰিয়তে অভিভাৱক আৰু স্থানীয় একাংশ লোকে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকীক তৎকালীনভাৱে বদলি কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক আহ্বান জনায় । এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে বিদ্যালয়খনৰ পৰা নিজৰ সন্তানক বেলেগ শিক্ষানুষ্ঠানলৈ লৈ যোৱাৰ হুংকাৰ প্ৰদান কৰে । ইপিনে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে এই অভিযোগ অস্বীকাৰ কৰাৰ লগতে কাম ভালদৰে নজনা বুলি উল্লেখ কৰে । লগতে তেওঁ কোনোধৰণৰ অনিয়মৰ লগত জড়িত নহয় বুলি উল্লেখ কৰে । বিদ্যালয়খনত চলি থকা এই সংঘাত শিক্ষা বিভাগে কেনেদৰে নিয়ন্ত্ৰণ কৰে সেয়া লক্ষণীয় হ'ব।

# কাজলগাঁও জেএছবি অসামৰিক চিকিৎসালয় হঠাৎ পৰিদৰ্শন চিৰাং জিলা উপায়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজলগাঁও, ৯ ডিচেম্বৰ ঃ** চিৰাঙৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে বৃহস্পতিবাৰে পুৱা



স্বাভাৱিক কাৰ্যস্তৰ পৰীক্ষা কৰিবলৈ কাজলগাঁৱৰ জ্বালাও স্বাম্বলা বসুমতাৰী (জেএছবি) অসামৰিক চিকিৎসালয় হঠাতে ভ্ৰমণ কৰে। তেওঁ চিকিৎসালয় চৌহদত নিৰ্মাণ কৰি থকা আইচিইউৰ লগতে তাত ইতিমধ্যে স্থাপন কৰা অক্সিজেন প্ৰকল্পটো পৰীক্ষা কৰে আৰু এই কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। তদুপৰি উপায়ুক্ত শ্বাহে চিকিৎসালয়ৰ সকলো ৱাৰ্ড পৰিদৰ্শন কৰে আৰু চিকিৎসালয়ৰ মসৃণ ৰক্ষণাবেক্ষণৰ সন্দৰ্ভত চিকিৎসক, কৰ্মচাৰী আৰু ৰোগীসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ জিলা স্বাস্থ্য কৰ্তৃপক্ষক সকলো সমস্যা তৎক্ষণাৎ সমাধান কৰিবলৈ আৰু সেৱাৰ মান উন্নত কৰি একেখন চিকিৎসালয়ক ৰোগী-অনুকূল চিকিৎসালয় হিচাপে গঢ়ি তুলিবলৈ নিৰ্দেশ দিয়ে। তেওঁ তেওঁলোকক আইচিইউৰ বাকী থকা নিৰ্মাণকাৰ্য কম সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈও আহ্বান জনায়। অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) খনিন্দ্ৰ দাসে জেএছবি অসামৰিক চিকিৎসালয়লৈ উপায়ুক্তৰ এই সমগ্ৰ ভ্ৰমণৰ সময়ত উপায়ুক্ত শ্বাহৰ সৈতে সংগ দিয়ে।

# ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থানান্তৰিত

## নতুন ঠিকনা সূতাৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৯ ডিচেম্বৰ ঃ** ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নতুন ঠিকনা সূতাৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়। বিগত ২১ বছৰৰ পৰা ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰয়াত প্ৰাক্তন বিধায়ক খলিলুৰ ৰহমান চৌধুৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ভাড়া হিচাপে আছিল, প্ৰয়াত বিধায়ক খলিলুৰ ৰহমান চৌধুৰীৰ প্ৰচেষ্টাত চক্ৰ বিষয়াৰ কাৰ্যালয়টো হোজাইৰ পৰা ডবকালৈ স্থানান্তৰিত কৰি স্থাপন কৰিছিল, ডবকা চাৰি নং ৱাৰ্ডত থকা প্ৰয়াত বিধায়কৰ ব্যৱসায়িক প্ৰতিষ্ঠানত বিগত ২১ বছৰ কাল চক্ৰ বিষয়াৰ কাৰ্যালয়টো চলি আছিল যদিও চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত নাছিল কোনো পাৰ্কিঙৰ ব্যৱস্থা। উপযুক্ত সা-সুবিধা নথকাৰ ফলত বহু কষ্টকৰভাৱে মণ্ডল কৰ্মচাৰী,



বিষয়াসকলে কাম-কাজ চলাবলগীয়া হৈছিল। নৱনিযুক্ত হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে ডবকা চক্ৰ বিষয়াৰ কাৰ্যালয় পৰিদৰ্শন কৰি উপযুক্ত ঠাই বিচাৰি সূতাৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত উপযুক্ত সুবিধা থকাত চিনাক্ত কৰি পঞ্চায়তৰ সভাপতি জাকিৰ হুছেইনৰ সৈতে আলোচনা-বিলোচনা কৰি চক্ৰ বিষয়াৰ কাৰ্যালয়টো স্থানান্তৰিত কৰাৰ আপ্ৰাণ চেষ্টাত আজি সফল হয়। ডবকা নগৰৰ চাৰি নং ৱাৰ্ডত বিগত ২১ বছৰ কাল কাৰ্যালয়টো চলি আছিল যদিও আজি ডবকা নগৰৰ পাঁচ নং ৱাৰ্ডত থকা সূতাৰ গাঁও পঞ্চায়তলৈ স্থানান্তৰিত কৰা হয়। ডবকা ৰাজহ চক্ৰ বিষয়া দীপ্তি গগৈয়ে স্থানীয় একাংশ লোকৰ লগতে মণ্ডল কাননগোৰ উপস্থিতিত ফিতা কাটি কাৰ্যালয়টো মুকলি কৰে। আজিৰ পৰা ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নতুন ঠিকনা সূতাৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়। কাৰ্যালয়টোৰ সন্মুখত উপযুক্ত পাৰ্কিঙৰ লগতে কাষতে আছে বৃহৎ খেলপথাৰ, যাতায়াতৰ ক্ষেত্ৰতো উপযুক্ত সুবিধা থকাত বিষয়া-কৰ্মচাৰীৰ লগতে সাধাৰণ ৰাইজে জিলা উপায়ুক্তক ভূয়সী প্ৰশংসা কৰে।

# ডিব্ৰুগড়ত নিশাই এ এম চিত কংগ্ৰেছৰ দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৯ ডিচেম্বৰ ঃ** নাগালেণ্ডৰ মন জিলাত সংঘটিত বৰ্বৰ গুলীচালনাৰ ঘটনাত আঘাতপ্ৰাপ্ত ব্যক্তিক সাক্ষাৎ কৰিবলৈ ডিব্ৰুগড়ত উপস্থিত কংগ্ৰেছৰ প্ৰতিনিধি দল। সাংসদ গৌৰৱ গগৈ, প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক আৰু মণিপুৰ কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ নেতৃত্বত এটি কংগ্ৰেছৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিবলৈ আহে আঘাতপ্ৰাপ্ত লোকসকলক। প্ৰকৃততে আজি পুৱাৰ ভাগত নাগালেণ্ডৰ মন জিলালৈ ৰাওনা হৈছিল কংগ্ৰেছৰ দলটো। কিন্তু যোৰহাটৰ ৰৌৰিয়া বিমানবন্দৰত প্ৰশাসনে ঘটনাস্থলীলৈ যাবলৈ বাধা প্ৰদান কৰাত তাতেই কাৰ্যসূচী বাতিল কৰিবলগীয়া হয় কংগ্ৰেছৰ দলটোৱে। অৱশেষত উপায়ান্তৰ হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা লোকসকলক সাক্ষাৎ কৰিবলৈ আহিবলগীয়া হয় কংগ্ৰেছৰ দলটো। কিন্তু ইয়াতো কংগ্ৰেছৰ প্ৰতিনিধি দলটোক বাধা প্ৰদান কৰাৰ ফলত এ এম চি কৰ্তৃপক্ষৰ পৰা স্বাস্থ্যৰ বুজ ল'লে আঘাতপ্ৰাপ্ত দুই ব্যক্তিৰ। উল্লেখ্য যে ঘটনাৰ নিশাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছিল মন জিলাৰ বৰ্বৰ গুলীচালনাৰ ঘটনাত আঘাতপ্ৰাপ্ত দুজন ক্ৰমে ৩০ বছৰীয়া জাৰ্গ কন্যাক আৰু ২৩ বছৰীয়া চাইলং কন্যাক। কোনো উগ্ৰপন্থী সংগঠনৰ লগত জড়িত নথকা আঘাতপ্ৰাপ্ত লোক দুজন কয়লা খনিৰ সাধাৰণ শ্ৰমিক হিচাপে কাম কৰিছিল। আগন্তুক খ্ৰীষ্টমাছ উদ্‌যাপন কৰিবলৈ টকা যোগাৰ কৰাৰ উদ্দেশ্যে কয়লাৰ খনিত শ্ৰমিকৰ কাম কৰিছিল লোক দুজনে। ঘটনাৰ নিশা লোককেইজন আন শ্ৰমিকৰ সৈতে কয়লা খনিৰ পৰা নিজৰ বস্তিলৈ আহি থকাৰ অৱস্থাতে সেনাই গুলীচালনা কৰিছিল।

# দ্বিতীয় পালি ক'ভিড প্ৰতিষেধক ছিটা প্ৰদানৰ লক্ষ্যৰে কামৰূপত ১০ আৰু ১১ ডিচেম্বৰত বিশেষ প্ৰতিষেধক প্ৰদান অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ৯ ডিচেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে কামৰূপ জিলাতো ১০ আৰু ১১ ডিচেম্বৰত বিশেষ টিকাকৰণ অভিযান চলোৱা হ'ব। বিশেষকৈ ক'ভিডৰ দ্বিতীয় পালি প্ৰতিষেধক ছিটা লোৱাৰ সময় হোৱা বা প্ৰথম পালি ক'ভিড টিকা লৈ দ্বিতীয় পালি ছিটা নোলোৱা অথবা লোৱাৰ সময় উকলি যোৱা ব্যক্তিসকলক এই অভিযানত সামৰি লোৱা হ'ব। তাৰ বাবে কামৰূপ জিলাৰ স্বাস্থ্য কেন্দ্ৰসমূহকে ধৰি দুশৰো অধিক ক'ভিড প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰা হৈছে। এই অভিযানৰ সময়ছোৱাত সকলো ব্যক্তিকে তেওঁলোকৰ নিকটৱৰ্তী ক'ভিড টিকাকৰণ কেন্দ্ৰলৈ গৈ দ্বিতীয় পালি টিকা ল'বলৈ কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা গোহাৰি জনোৱা হৈছে। উল্লেখযোগ্য যে এতিয়ালৈকে কামৰূপ জিলাত ১১,৬৮,৫৪৮ জন লোকক ক'ভিড প্ৰতিষেধকৰ প্ৰথম পালি আৰু ৭,১৮,৬৭৯জনক দ্বিতীয় পালি ছিটা প্ৰদান কৰা হৈছে।



*তিতাবৰত লিংগভিত্তিক নিৰ্যাতনবিৰোধী পষেক উদ্‌যাপন*

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১০ ডিচেম্বৰ, ২০২১ ■ শুকুৰবাৰ ■ গুৱাহাটী ■ ২৩ আঘোণ, ১৯৪৩ শক


### বিটিআৰলৈ গৌৰৱ কঢ়িয়ালে
## বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাসক দ্য এমেৰিকান বিশ্ববিদ্যালয়ৰ ডক্টৰেট উপাধিৰে স্বীকৃতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকৰাঝাৰ, ৯ ডিচেম্বৰ ঃ** বিটিআৰৰ বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তীত ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগান খেতিৰে অঞ্চলবাসীৰ মাজত আত্মসংস্থাপনৰ লগতে অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰি সমাজত অনবদ্য অৱদান আগবঢ়োৱা বিটিচিৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাসলৈ মুম্বাইৰ এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত 'দ্য এমেৰিকান বিশ্ববিদ্যালয়, ইউ এছ এই ডক্টৰেট উপাধিৰে বিভূষিত কৰিছে। উল্লেখ্য যে দেশৰ মায়ানগৰী মুম্বাইত বিগত ২৪ নৱেম্বৰত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ যোগেদি 'দ্য এমেৰিকান বিশ্ববিদ্যালয়, ইউ এছ এই'ৰ প্ৰফেছৰ ড° মধু কৃষ্ণনে অসমত সমাজ সেৱাৰ দিশত বিটিচিৰ জনপ্ৰতিনিধি তথা বিজেপিৰ যুৱ নেতা ধৰ্ম নাৰায়ণ দাসলৈ উক্ত ডক্টৰেট উপাধি প্ৰদান কৰাত সমগ্ৰ বিটিআৰৰ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়। ইপিনে আজি উক্ত সন্মানীয় উপাধিপ্ৰাপ্ত কৰি নিজকে আনন্দিত হোৱা বুলি মত ব্যক্ত কৰি ধৰ্ম নাৰায়ণ দাসে কয়— 'সৰুৰে পৰা মোৰ পিতৃ-মাতৃয়ে মোক ডক্টৰ হোৱাটো আশা পুহিছিল যদিও মই হ'ব পৰা নাছিলো যদিও শেহতীয়া দ্য এমেৰিকান বিশ্ববিদ্যালয়, ইউ এছ এই মোক সমাজৰ হকে কাম কৰা বাবে তেওঁক ডক্টৰেট ডিগ্ৰীৰে স্বীকৃতি দিয়া বুলি জনায়। উল্লেখ্য যে, যুৱ নেতা ধৰ্ম নাৰায়ণ দাসে ২০০৮ চনত ফাৰ্মাচিষ্টৰ মাৰ্কেটিঙৰ চাকৰি ত্যাগ কৰি বাক্সা জিলাত দুৰ্গম ভাৰত-ভূটান সীমান্তৱৰ্তীত চাহ বাগান খেতিৰে নিবনুৱা যুৱক-যুৱতীক চাহ উৎপাদনৰে স্বাৱলম্বী কৰাৰ উপৰি তিনি হাজাৰোধিক পৰিয়ালক কৰ্মসংস্থাপনেৰে আত্মসংস্থাপনৰ এক নতুন বৈপ্লৱিক আৰম্ভ কৰিছিল । যাৰ ফলত সমাজত অনবদ্য সেৱা আগবঢ়োৱাৰ বাবে দ্য এমেৰিকান ইউনিভাৰ্ছিটীয়ে মুম্বাইত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ধৰ্ম নাৰায়ণ দাসক ডক্টৰেট উপাধিৰে সন্মানিত কৰে।

## সৃজনগ্ৰাম ৰাজহ চক্ৰৰ কাৰ্যালয়ত কি চলিছে উৎকোচ লোৱা লাট মণ্ডলৰ ঘৰ ঘেৰাও একাংশ ৰাইজৰ
### বেদখলকাৰীৰ পৰা উৎকোচ লৈ ব্যৱস্থা নোলোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৯ ডিচেম্বৰ ঃ** যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাটিৰ দালালৰ বিৰুদ্ধে বিহীত ব্যৱস্থা লোৱা, বসুন্ধৰা আঁচনিৰ অধীনত নামজাৰি তথা চৰকাৰী মাটি বেদখলমুক্ত কৰাৰ যি অভিলাষী আঁচনি গ্ৰহণ কৰিছে, তাৰ বিপৰীত ছবি দেখা গৈছে বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ কাৰ্যালয়ত। প্ৰাপ্ত অভিযোগ মতে— সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত দুৰাচাৰী গাঁৱৰ ৮জন ব্যক্তি স্বাক্ষৰিত অভিযোগ-পত্ৰত উল্লেখ কৰা হয় যে লাট মণ্ডল জাকিৰ হুছেইনে খাচ মাটি ম্যাদী কৰাৰ নামত প্ৰায় ৩ লক্ষাধিক টকা সংগ্ৰহ কৰে। কিন্তু দীৰ্ঘদিন ধৰি নামজাৰি নকৰাৰ লগতে উৎকোচৰ বিষয়ে কাকো নক'বলৈ ব্যক্তিকেইজনক নানাভাৱে ভাবুকি দিয়ে। উপায়হীন হৈ লোককেইজনে ৭ ডিচেম্বৰত উপায়ুক্তক অভিযোগ দিয়ে। অভিযোগ-পত্ৰত উল্লেখ থকা মতে তাহেৰ আলীয়ে ৩০ হাজাৰ টকা, মজৰ আলীয়ে ৪৫ হাজাৰ টকা, মফিদুল ইছলামে ৩৫ হাজাৰ টকা, নজৰ আলীয়ে ৪০ হাজাৰ টকা, ৰিয়াজুল হকে ২৫ হাজাৰ টকা, মহৰ আলীয়ে ৫৩ হাজাৰ টকা, মফিদুল হকে ২০ হাজাৰ টকা, ছাহেৰা খাতুনে ৪৯ হাজাৰ টকা উৎকোচ দিয়ে বুলি অভিযোগ-পত্ৰত উল্লেখ কৰা হয়। আজি পুৱা দুৰ্নীতিপৰায়ণ লাট মণ্ডল জাকিৰ হুছেইনৰ ঘৰ ঘেৰাও কৰে ভুক্তভোগী লোকসকলে। আনহাতে, চাকলাৰ চৰকাৰী মাটি এজন লোকে অবৈধভাৱে দখল কৰি গৃহ নিৰ্মাণ কৰে। ইয়াৰ বিৰুদ্ধে কেইবাটাও সংগঠনৰ নেতাই প্ৰাক্তন বিধায়ক আব্দুল হাই নাগৰিৰ অনুমোদন লৈ উচ্ছেদ কৰাৰ বাবে লিখিত অভিযোগ দিয়ে। কিন্তু লাট মণ্ডল ছাইদুল ইছলামে সৰজমিন তদন্ত কৰি ঊৰ্দ্ধতন কৰ্তৃপক্ষক কোনো প্ৰতিবেদন দাখিল কৰা নাই বুলি জানিব পৰা গৈছে। ইছলামে বেদখলকাৰীৰ পৰা কেইবা লাখ টকা উৎকোচ লৈ নানা বাহনা কৰি আছে। আনকি সৃজনগ্ৰাম ৰাজহ চক্ৰৰ কাৰ্যালয়ত নামজাৰিৰ নামত হাজাৰ হাজাৰ টকা উৎকোচ লোৱাৰ অভিযোগ উঠিছে। অধিকাংশ লাট মণ্ডলেই নানা ধৰণৰ দুৰ্নীতিত লিপ্ত হৈ আছে। লাট মণ্ডলক উৎকোচ নিদিলে কোনো কামেই নহয়। মুখ্যমন্ত্ৰীৰ বসুন্ধৰা আঁচনি ধোৱা চাঙত পৰিণত হৈছে ৰাজহ চক্ৰৰ কাৰ্যালয়ত। যি সময়ত ৰাজ্য চৰকাৰে নানা অভিলাষী তথা ৰাইজৰ সুবিধাৰ্থে নানা কাম কৰি আছে, তেনে সময়তে সৃজনগ্ৰাম ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ কৰ্মকাণ্ডই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেয়ে দুৰ্নীতিত লিপ্ত হোৱাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ সচেতন মহলে দাবী জনাইছে।

## ভুল চিকিৎসাৰ পৰিণতিত শিশুৰ মৃত্যু ঃ গোচৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকৰাঝাৰ, ৯ ডিচেম্বৰ ঃ** কোকৰাঝাৰত অঘটন। স্বাস্থ্যকৰ্মীৰ ভুল চিকিৎসা আৰু একেৰাহে তিনিটাকৈ বেজী দিয়াৰ ফলত সুস্থ-সবল কন্যা সন্তানৰ মৃত্যু হোৱাৰ অভিযোগ। ঘটনাক লৈ পৰিয়ালৰ লোকে কোকৰাঝাৰ সদৰ থানাত এজাহাৰ দাখিল কৰে। ঘটনাটো সংঘটিত হয় কোকৰাঝাৰ চহৰৰ জাম্ফি বাৰনৈ ৱাৰ্ড নং ৮ত। অভিযোগ মতে জাম্ফি বাৰনৈত কালি ১১.৩০ বজাত স্বাস্থ্য কৰ্মীৰ চাৰিজন লোক উপস্থিত হৈ সুস্থ-সবল ৬ মহীয়া কন্যা শিশু হিয়া ব্ৰহ্মক একেৰাহে তিনিটাকৈ বেজী দিয়ে আৰু মাজনিশাৰ পৰা অসুস্থ হৈ পৰা দেৰ শিশুটি আজি দুপৰীয়া মৃত্যু হয়। ঘটনাক লৈ শিশুটিৰ মাতৃ জাংখাং গৌৰা ব্ৰহ্মই আজি তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কোকৰাঝাৰ সদৰ থানাত ভুল চিকিৎসা আৰু বেজী দিয়াৰ বাবে মৃত্যু হোৱাৰ এক গোচৰ তৰিছে।

## ছিপাঝাৰত কঠোৰ যান-বাহন আৰক্ষী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পিছতে হেলমেট নিপিন্ধা বাইক আৰোহীৰ প্ৰতি কঠোৰ হৈ পৰিছে ছিপাঝাৰ আৰক্ষী। ছিপাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিৰঞ্জন বৰুৱাৰ নেতৃত্বত ছিপাঝাৰ মটৰ ষ্টেচনত আজি হেলমেট পৰিধান নকৰা বাইক আৰোহীসকলক জৰিমনা বিহে। একেদৰে চালকৰ অনুজ্ঞা-পত্ৰ, বাহনৰ বীমা আৰু প্ৰদূষণৰ প্ৰমাণ-পত্ৰ নোহোৱাসকলৰ প্ৰতিও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে । উল্লেখ্য যে, চৰকাৰ, পৰিবহণ বিভাগ তথা যান-বাহন আৰক্ষীয়ে আৰোহীৰ সুৰক্ষাৰ বাবে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক কৰিছে যদিও একাংশ আৰোহীয়ে মইমতালিৰে নিজৰ লগতে পথচাৰীৰ নিৰাপত্তাৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। যাৰ বাবে আৰক্ষীয়ে আজি ইয়াৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত প্ৰত্যেকখন বাইক তন্ন তন্নকৈ তালাচী চলাই কেইবাজনো বাইক আৰোহীক জৰিমনা বিহাৰ লগতে ভৱিষ্যতে তেনে নকৰিবলৈ সকীয়াই দিয়ে। প্ৰণিধানযোগ্য যে, ছিপাঝাৰত একাংশ উদণ্ড বাইক ষ্টানাৰে দীৰ্ঘদিন ধৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে । তেনে পৰিপ্ৰেক্ষিতত সেইসকলকো নাকী লগাবলৈ ছিপাঝাৰ আৰক্ষীক আহ্বান জনাইছে সচেতন মহলে। ইপিনে ছিপাঝাৰ-পাথৰিঘাট পথটিৰ নিৰ্মাণ কাৰ্য চলি থকা বাবে দোকানপাৰা আৰু ছিপাঝাৰ মটৰ ষ্টেচনৰ ওচৰত প্ৰায়ে যান-জঁটৰ সৃষ্টি হৈ আহিছে । যাৰ বাবে জৰুৰী কামত অহা-যোৱা কৰাসকল সমস্যাৰ সন্মুখীন হৈ আহিছে। এই সমস্যাটোৰ মোকাবিলা কৰিবলৈ ৱান ৱেৰ ব্যৱস্থা কৰিবলৈকো একেটা মহলে ছিপাঝাৰ আৰক্ষীক আৱেদন জনাইছে।

## কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ উদ্যোগত এৰী সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ উদ্যোগত, সৃষ্টিকামী ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ সহযোগত ৮ ডিচেম্বৰত কামৰূপ জিলাৰ তিতকুছি গাঁও পঞ্চায়ত প্ৰাংগণত এখন এৰী সজাগতা সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ বিষয়া ড° বি এন চৰকাৰ, বিজ্ঞানী ড° এন ললিথা, ৰমেন ভূএগ, অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আজাৰা কাঁহিকুছিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ সামূহিক বিজ্ঞান বিভাগৰ মধুস্মিতা ডেকা উপস্থিত থাকে। সভাত বৃহত্তৰ বাইহাটা চাৰিআলিকে ধৰি অঞ্চলৰ প্ৰায় ৪০জন এৰীপালক আৰু ২০গৰাকী শিপিনীয়ে অংশগ্ৰহণ কৰে। সভাত কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ বিজ্ঞানী ড° এন ললিথাই এৰী পালকসকলক এৰী পলুৰ অধিক উৎপাদন সম্পৰ্কে আলোচনা আগবঢ়ায় আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। উল্লেখ্য যে যোৱা কেইবাবছৰ ধৰি এই অঞ্চলৰ ৰাইজে এৰী পলু পুহি স্বাৱলম্বী হৈ আহিছে যদিও উপযুক্ত



সা-সুবিধাৰ অভাৱত অধিক উৎপাদন কৰাত ব্যৰ্থ হৈছে। সভাত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প চমুকৈ এপাৰ্টৰ পৰা প্ৰাঞ্জল মালাকাৰ আৰু তনময়ী শৰ্মাই অংশগ্ৰহণ কৰে। সভাত তিতকুছি গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰু সচিব উপস্থিত থাকে।

## নগাঁও জিলা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ নৱ-নিযুক্ত সভাপতিৰ শপতগ্ৰহণ আৰু কাৰ্যভাৰ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁও জিলা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ নৱ-নিযুক্ত সভাপতি নুৰুদ্দিন আহমেদে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। এই উপলক্ষে আজি জিলা বিজেপিৰ মৰিকলংস্থিত বাজপেয়ী ভৱনত অনুষ্ঠিত সভাখনত নতুনকৈ গঠন হোৱা জিলা কমিটীৰ লগত চিনাকি পৰ্বও অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে প্ৰয়াত দীনদয়াল উপাধ্যায়, শ্যামাপ্ৰসাদ মুখাৰ্জীৰ আলোকচিত্ৰত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে দেশবাসীক শোকৰ সাগৰত পেলাই কালি হেলিকপ্টাৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাও ভাৰতৰ মুখ্য প্ৰতিৰক্ষা বিষয়া জেনেৰেল বিপিন ৰাৱটৰ স্মৃতিত সমূহীয়া বন্তি প্ৰজ্বলনৰ লগতে তেখেতৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সমূহ বিজেপি কাৰ্যকৰ্তাই। সংখ্যালঘু মৰ্চাৰ নগাঁও জিলাৰ প্ৰচাৰ মাধ্যমৰ আহ্বায়ক আনোৱাৰ পাৰভেজে আঁত ধৰা সভাত ভাৰতীয় জনতা পাৰ্টীৰ নগাঁও জিলাৰ সভাপতি অভিজিৎ নাথ, উপ-সভাপতি সুবৰ্ণ সিং, ৰাজ্যিক উপ-পৰ্যালোচক দলজিৎ সিং, জিলা সাধাৰণ সম্পাদক প্ৰণৱ দাসকে ধৰি ভালেমান নেতা আৰু কৰ্মকৰ্তাৰ উপস্থিতিত অনুষ্ঠিত সভাত জিলা সংখ্যালঘু মৰ্চাৰ নৱ-নিযুক্ত সভাপতি নুৰুদ্দিন আহমেদে দায়িত্বভাৰ গ্ৰহণ কৰি আগন্তুক দিনবোৰত ল'বলগীয়া কাৰ্যপন্থা সম্পৰ্কত আৰু ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশক শক্তিশালী কৰাৰ বাবে সংকল্পবদ্ধ হয়।

### সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সভাপতি
## ভাৰতৰ পৰা এক উজ্জ্বল ধ্ৰুৱতৰা আকাশৰ পৰা খহি পৰা অনুভৱ কৰিছো

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ৯ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ জল, স্থল, বায়ু সেনা বিভাগৰ মুৰব্বী বিপিন ৰাৱাটৰ বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ কৰুণভাৱে মৃত্যু হোৱা ঘটনাক লৈ শোকত ভাগি পৰিছে ৰাজ্যখনৰ বৃহৎ কৃষক অনুষ্ঠান সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সভাপতি চাহেদ আহমেদ চৌধুৰী। সভাপতিগৰাকীয়ে প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিত উল্লেখ কৰে যে ভাৰতবাসীৰ গৌৰৱ বিপিন ৰাৱাটৰ মৃত্যুৰ খবৰ পাই আমি শোকত মৰ্মাহত হৈছোঁ। ভাৰতবৰ্ষৰ আকাশৰ পৰা এক উজ্জ্বল ধ্ৰুৱতৰা খহি পৰি নাইকিয়া হোৱা বুলি অনুভৱ কৰিছো। সেনা বিভাগৰ মুৰব্বী বিপিন ৰাৱাটৰ বিদেহ আত্মাৰ শান্তি আৰু তেওঁৰ পৰিয়ালৰ শোকৰ সমবেদনা জ্ঞাপন কৰিছো। ইয়াৰ উপৰি সমিতিৰ ফালৰ পৰা শোক প্ৰস্তাৱ গ্ৰহণ কৰি ৰাজ্যখনৰ গৃহ বিভাগলৈ পঠোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যখনৰ জিলা পথাৰ পৰিচালনা সমিতিসমূহেও সেনা মুৰব্বীগৰাকীৰ অকাল মৃত্যুৰ বাবে শোক প্ৰস্তাৱ গ্ৰহণৰ বাবে আহ্বান জনোৱা হৈছে।

## নাৰেংগীত গণৰাজ্য দিৱসৰ এনচিচিৰ উত্তৰ-পূব মণ্ডলৰ বাছনি শিবিৰ পৰিদৰ্শন এ ডি জি, মেজৰ জেনেৰেল ভাস্কৰ কলিতাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৯ ডিচেম্বৰ ঃ** ৰাজধানী নতুন দিল্লীত ২০২২ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া গণৰাজ্য দিৱসৰ পেৰেডত ভাগ লোৱাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (এন চি চি) ১৭টা মণ্ডল সঞ্চালকালয়ৰ কেডেটসকলৰ বাছনি শিবিৰসমূহ প্ৰতিটো সঞ্চালকালয়ত ডিচেম্বৰ মাহৰ আৰম্ভণিৰে পৰা চলি আছে। ইয়াৰ লগত সংগতি ৰাখি এন চি চিৰ শ্বিলংস্থিত উত্তৰ-পূব মণ্ডল সঞ্চালকালয়ৰ বাছনি শিবিৰ গুৱাহাটী গ্ৰুপৰ অধীনত নাৰেংগী সেনা শিবিৰ চৌহদত ৩ ডিচেম্বৰৰ পৰা চলি আছে । দুসপ্তাহজোৰা শিবিৰত উত্তৰ-পূব মণ্ডলৰ অধীনৰ সাতখন ৰাজ্যৰ তিনিওটা শাখা ক্ৰমে স্থল, নৌ আৰু বায়ু সেনাৰ নিৰ্বাচিত ৬৩জন কেডেটে ভাগ লৈছে। এন চি চিৰ গুৱাহাটী গ্ৰুপৰ গ্ৰুপ কমাণ্ডাৰ, ব্ৰিগেডিয়াৰ যোগেশ চন্দ্ৰ তালুকদাৰৰ তত্ত্বাৱধানত চলি থকা শিবিৰত কেডেটসকলক দৈনিক শাৰীৰিক ব্যায়াম, দৌৰ, পেৰেড, ক্ৰীড়া, যোগ, বন্দুক চালনা তথা ফায়াৰিং, এৰো মডেলিং, অগ্নি নিৰ্বাপন, প্ৰাথমিক চিকিৎসা আদিৰ প্ৰশিক্ষণ প্ৰদানৰ উপৰি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ অনুশীলন কৰি অহা হৈছে। আনহাতে, আজি শিবিৰ পৰিদৰ্শন কৰে এন চি চিৰ উত্তৰ-পূব মণ্ডল সঞ্চালকালয়ৰ অতিৰিক্ত সঞ্চালকপ্ৰধান (এ ডি জি) মেজৰ জেনেৰেল ভাস্কৰ কলিতাই। শিবিৰত মেজৰ জেনেৰেল ভাস্কৰ কলিতাক কেম্প কমাণ্ডেণ্ট ব্ৰিগেডিয়াৰ যোগেশ চন্দ্ৰ তালুকদাৰে আদৰণি জনোৱাৰ পাছত কেডেটসকলৰ অভিবাদন গ্ৰহণ কৰে কলিতাই। তাৰ পাছত কেডেটসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে প্ৰশিক্ষণ কাৰ্যৰ বুজ লয় । জেনেৰেল কলিতাই কেডেটসকলক উদ্দেশ্যি মূল্যৱান ভাষণ দিয়াৰ লগতে অনাগত দিনত দেশৰ সামৰিক - অৰ্ধসামৰিক বাহিনীত যোগ দি দেশমাতৃৰ সেৱা কৰিবলৈ আহ্বান জনায়। আনহাতে, বিশিষ্ট কৰিঅ'গ্ৰাফাৰ প্ৰণামী ভাগৱতীৰ নেতৃত্বত কেডেটসকলে পৰিৱেশন কৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। ইয়াৰ উপৰি কেডেটসকলৰ সৈতে কলিতাই একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। উল্লেখ্য যে ১৬ ডিচেম্বৰত কেডেটৰ দলটো ৰে'লযোগে নতুন দিল্লীলৈ ৰাওনা হ'ব আৰু ২০২২ চনৰ ২৯ বা ৩০ জানুৱাৰীলৈ গণৰাজ্য দিৱসৰ পেৰেডৰ কাৰ্যসূচীৰ সামৰণিলৈ তাত থাকিব। উত্তৰ-পূব মণ্ডলৰ কেডেটৰ দলটোক নেতৃত্ব দিব এন চি চিৰ গুৱাহাটীস্থিত ৬০ আছাম গাৰ্লছ বেটেলিয়নৰ কমাণ্ডিং অফিচাৰ কৰ্ণেল অনিল কুমাৰে। নতুন দিল্লীলৈ যাবলগীয়া দলটোত দুখন শিক্ষানুষ্ঠানৰ দুজন সহযোগী এন চি চি বিষয়াও থাকিব।

## প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সজাগতা সভা মানকাচৰ কৃষি বিভাগত
### ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু এগ্ৰীকালচাৰ ইন্সিঅ'ৰেন্স লিমিটেডৰ উদ্যোগত সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ৯ ডিচেম্বৰ ঃ** আজি দিনৰ ১২ বজাত দঃ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত থকা জিলা কৃষি বিভাগত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সজাগতা সভাত উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দুলাল দেৱনাথ, জিলাখনৰ বিভিন্ন গাঁও পঞ্চায়তৰ সভাপতি, সভানেত্ৰী আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী। উক্ত সজাগতা সভাত দুই শতাধিক কৃষক উপস্থিত থাকে। সজাগতা সভাত কৃষকৰ বীমাৰ বিষয়ে বিশদভাৱে মূল্যৱান ভাষণ আগবঢ়ায় অতিৰিক্ত উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা কৃষি বিষয়া মোজাম্মিল হক, ছিনিয়ৰ এডিঅ' মইনুল হকে। ১ বিঘা মাটিত বৰোধান ০.১৩৩৩ বীমা ৰাশি টকাত ৯২২৬ টকা, ২ বিঘা মাটিত ০.২৬৬৬ হেক্টৰত বীমা ৰাশি টকা ১৮,৫৩৪ টকা, ৩ বিঘা মাটিত ০.৪০০০ হেক্টৰত বীমা ৰাশি ৩৭,০৬৮ টকা, ৫ বিঘা ০.৬৬৬৭ বীমা ৰাশি টকা ৪৬,৩৩৫ টকা। বীমা কৰা শস্যসমূহ হ'ল বৰোধান আৰু কুঁহিয়াৰ। দুৰ্যোগ অন্তৰভুক্ত সকলো প্ৰকাৰৰ দুৰ্যোগ যেনে খৰাং, বানপানী, পোক-পৰুৱা, বেমাৰ, শিলাবৃষ্টি, ভূমিস্খলন ইত্যাদি। উক্ত ফচল বীমা আঁচনিত সূচিত অঞ্চলত সূচিত শস্য ৰোপণৰ সকলো কৃষকৰ উপৰি আধি খোৱা, ঠিকা খোৱা কৃষকক সামৰি ল'ব।

## কবি নীলমণি ফুকনলৈ লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৯ ডিচেম্বৰ ঃ** অসমীয়া কবিতা ফাকিৰ জৰিয়তে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি ভাৰতীয় সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ সন্মান 'জ্ঞানপীঠ বঁটা' আঁজুৰি আনি অসমলৈ গৌৰৱ কঢ়িয়াই অনা যশস্বী কবি, কাব্যঋষি নীলমণি ফুকনলৈ লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। এক বিবৃতিত আমেইৰ প্ৰচাৰ সম্পাদক ৰামিন তিমুঙে জানিবলৈ দিয়া মতে কবিগৰাকীৰ এনে সাফল্যই অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ যুৱ-সমাজৰ বাবে ভাষা-সাহিত্যৰ প্ৰতি অনুপ্ৰেৰণা আৰু আদৰ্শস্বৰূপ।

## জাগীৰোডৰ ভোমোৰাগুৰিত চুৰিকাণ্ড
### নগদ ধনসহ লুট সোণৰ অলংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৯ ডিচেম্বৰ ঃ** যেন অপৰাধ আৰু অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে জাগীৰোড। এইবাৰ নিৰাপত্তাহীনতাত ভুগিছে খোদ অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত আৰু তেওঁৰ পৰিয়াল। আৰক্ষী প্ৰশাসনৰ ফোঁপোলা স্বৰূপ উদঙাই প্ৰশাসনকে জগৰীয়া কৰিলে এইগৰাকী অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্তই। মৰিগাঁও জিলাৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্তগৰাকীৰ নাম— দুৰ্গেশ ৰঞ্জন দে'। জাগীৰোডৰ ভোমোৰাগুৰি নিৱাসী অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়াই বুধবাৰে নিজৰ পৰিয়ালৰ সৈতে চিকিৎসাৰ বাবে গৈছিল গুৱাহাটীলৈ। তেতিয়াই ঘটিল অথন্তৰ। নিশা ঘৰলৈ উভতি আহি সকলো অবাক। ঘৰখনত কোনো নথকাৰ সুযোগ লৈ চোৰে লুটি নিলে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়াৰ ঘৰৰ সা-সামগ্ৰী, নগদ ধন আৰু লক্ষাধিক টকা মূল্যৰ সোণৰ আ-অলংকাৰ। দুৱাৰৰ তলা ভাঙি প্ৰৱেশ কৰা চোৰৰ দলে লুটি নিয়ে সকলো মূল্যৱান সামগ্ৰী। এই সমগ্ৰ ঘটনাৰ বাবে অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্তগৰাকীয়ে জগৰীয়া কৰিলে আৰক্ষী প্ৰশাসনক । এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়াৰেই যদি নিৰাপত্তা নাই, তেনেহ'লে সাধাৰণ জনতাৰ নিৰাপত্তা ক'ত বুলিও প্ৰশ্ন উত্থাপন অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্তগৰাকীৰ।

## উঃপূঃ সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধকৰ মিজোৰামৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ৯ ডিচেম্বৰ ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা-প্ৰবন্ধক অংশুল গুপ্তাই আজি ৯ ডিচেম্বৰ, ২০২১ তাৰিখে আইজলত মিজোৰামৰ মাননীয় মুখ্যমন্ত্ৰী জোৰামথাঙ্গাক সাক্ষাৎ কৰে। ইয়াৰোপৰি মহা-প্ৰবন্ধক গৰাকীয়ে মিজোৰাম চৰকাৰৰ মুখ্য সচিব ড° ৰেণু শৰ্মাকো সাক্ষাৎ কৰে। তেওঁৰ সৈতে মুখ্য কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ আৰু লামডিং সংমণ্ডলৰ মালিক ৰেল প্ৰবন্ধক জে এছ লাক্ৰাও আছিল। ইয়াৰোপৰি উঃপূঃ সীমান্ত ৰেলৱেৰ আন জ্যেষ্ঠ ৰেল বিষয়াসকলো উপস্থিত আছিল। মহা-প্ৰবন্ধক গৰাকীয়ে আশ্বাস প্ৰদান কৰে যে প্ৰয়োজন অনুসৰি ৰাজ্য চৰকাৰৰ চাহিদা মতে উঃপূঃ সীমান্ত ৰে'লৱে আৰওআৰও সেৱা চলাচলৰ বাবে প্ৰস্তুত। উঃপূঃ সীমান্ত ৰেলৱেই ভাঙ্গাৰ পৰা ভৈৰবী ষ্টেচনৰ মাজত আৰওআৰও ৰেক চলাচলৰ দিশসমূহ পৰীক্ষা কৰিছে আৰু পিঅ'এল, এলপিজিৰ দৰে সামগ্ৰী মিজোৰামলৈ পৰিবহণ সাধনযোগ্য বুলি প্ৰমাণিত হৈছে। এই সেৱাই অঞ্চলটোৰ দ্ৰুত বিকাশত সহায় কৰিব। আলোচনাৰ প্ৰসংগত মহা-প্ৰবন্ধকগৰাকীয়ে ৰে'লৱেৰ কিষাণ ৰে'ল আঁচনিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই সেৱাই কৃষকসকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰী ৫০% ৰেহাইত সমগ্ৰ ভাৰতৰ বিভিন্ন স্থানলৈ পৰিবহণৰ ব্যৱস্থা কৰিছে। এতিয়ালৈকে, উঃপূঃ সীমান্ত ৰেলৱেই আগৰতলাৰ পৰা আনাৰস, উত্তৰ বংগৰ আলু আদি সামগ্ৰী কঢ়িয়াই নিছে আৰু বিভিন্ন স্থানৰ পৰা কৃষিজাত সামগ্ৰী কঢ়িয়াই আনিছে। তদুপৰি বিশেষভাৱে ডিজাইন কৰা এনএমজিএছ ৰেকৰ জৰিয়তে ব্যয়সাধ্য ভাবে মিজোৰামলৈ অটোমোবাইল কঢ়িয়াই নিয়াৰ বিষয়েও আলোচনা কৰা হয়। মহা-প্ৰবন্ধক গৰাকীয়ে ৰাজ্য চৰকাৰক আইজলত বিভিন্ন ৰে'লৱে উন্নয়নমূলক কাম কৰাৰ বাবে ৰেলৱেৰ দ্বাৰা ভূমি ব্যৱহাৰৰ প্ৰস্তাৱ প্ৰদান কৰে আৰু প্ৰয়োজন অনুসৰি ভূমি বিনিময়ৰ ভিত্তিত ভূমি ৰাজ্য চৰকাৰলৈয়ো হস্তান্তৰ কৰিব পৰা যাব। ৰে'ল সংযোগৰ বিকাশৰ বাবে পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয় আৰু ৰাজ্যখনৰ জনসাধাৰণৰ অৰ্থনৈতিক প্ৰগতিৰ বাবে বিভিন্ন আঁচনিৰ বিষয়ে আলোচনা কৰা হয়। মহা-প্ৰবন্ধক গৰাকীয়ে ৮৯, ১১৫ আৰু ১৯৬ নং দলং পৰিদৰ্শন কৰে, এই ১৯৬ নং দলং ঘন অৰণ্য আৰু অতি দুৰ্গম অঞ্চলৰ মাজেৰে যোৱা ভৈৰবী- ছাইৰাং নতুন ৰে'ললাইন প্ৰকল্পৰ অধীনত ভাৰতীয় ৰেলৱেৰ দ্বাৰা নিৰ্মাণ কৰা অতিকৈ গুৰুত্বপূৰ্ণ দলং। দলং ১৯৬ৰ আটাইতকৈ ওখ পায়াৰটোৰ উচ্চতা ১০১ মিটাৰ আৰু আইজলৰ ওচৰৰ চাইং ষ্টেচনক সংযোগ কৰাৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। ইয়াৰ পূৰ্বে, ৮ ডিচেম্বৰ, ২০২১ত মহা-প্ৰবন্ধক গৰাকীয়ে ভৈৰবী-ছাইৰাং নতুন ৰে'ললাইন প্ৰকল্প কৰ্মক্ষেত্ৰসমূহ পৰিদৰ্শন কৰে, যি মিজোৰামৰ ৰাজধানীক সংযোগ কৰিব। উঃপূঃ সীমান্ত ৰে'লৱেই (নিৰ্মাণ সংস্থা) মিজোৰামত ৫১.৩৮ কিলোমিটাৰ দীঘল ভৈৰবী-ছাইৰাং নতুন ৰে'ললাইন প্ৰকল্পটো আনুমানিক ৬,৫২৭ কোটি টকাৰ ব্যয়ত নিৰ্মাণ কৰি আছে। এই নতুন ৰেলপথটো চাইৰাঙত সমাপ্ত হ'ব আৰু মিজোৰামৰ ৰাজধানী আইজল ছাইৰাং ষ্টেচনৰ সমীপত অৱস্থিত। গাঞ্জটেই প্ৰকল্পটোত ৫৫ খন ডাঙৰ আৰু ৮৭ খন সৰু দলং থাকিব। প্ৰকল্পটোত ১১খন ৰোড অভাৰব্ৰীজ/ ৰোড আণ্ডাৰব্ৰীজো আছে। গোটেই প্ৰকল্পটোত ৪টা ষ্টেচন আৰু ১২.৬ কিলোমিটাৰ সুৰংগ নিৰ্মাণৰ কামো অন্তৰ্ভুক্ত। প্ৰকল্পটোৰ কাম পূৰ্ণ গতিত চলি আছে আৰু মাৰ্চ, ২০২৪ৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পিছত, ই কেৱল মিজোৰামৰ জনসাধাৰণৰ বাবেই নহয়, সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ অৰ্থনৈতিক বিকাশত সহায়ক হ'ব।

बैंक ऑफ़ बड़ौदा Bank of Baroda

**যোৰহাট শাখা**
এ টি ৰোড, যোৰহাট, অসম-৭৮৫০০১
ই-মেইল ঃ vjjorh@bankofbaroda.com
ফোন ঃ ০৩৭৬-২৩২১৫৭৪

(বিধি-৮(১))
**দখলৰ জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু,
**বেংক অব বৰোডা (পূৰ্বৰ বিজয়া বেংক) যোৰহাট শাখাৰ** অনুমোদিত বিষয়াৰ অধীনত বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ (ধাৰা) বলবৎকৰণ আইন-২০০২ আৰু প্ৰতিভূতি স্বাৰ্থৰ (বলবৎকৰণ) নিয়মাৱলী-২০০২ৰ জৰিয়তে আৰু ধাৰা-১৩ (১২) অধীনত ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ আৰু ৯ প্ৰতিভূতি স্বাৰ্থৰ (বলবৎকৰণ) নিয়মাৱলী-২০০২ অনুসৰি যোৱা **১২-০৮-২০২১** তাৰিখে দাবী জাননী প্ৰেৰণ কৰা হৈছে ঋণী **শ্ৰীমতী ৰশ্মি ৰেখা বড়া (ঋণীৰ নাম), শ্ৰী মানস বড়া (সহ ঋণী) আৰু শ্ৰী বিনোদ শৰ্মা (গেৰাণ্টাৰ)** লৈ যাতে অনাদায় ধনৰাশি **১৪,১৩,০৩২.১২ (চৈধ্য লাখ তেৰ হাজাৰ বত্ৰিশ টকা আৰু বাৰ পইচা)** ঘূৰাই দিয়ে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত।

ঋণীয়ে উক্ত ধনৰাশি ঘূৰাই দিয়াত ব্যৰ্থ হ'ল আৰু সেইবাবেই এই জাননীৰ জৰিয়তে ঋণীক আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ৰ উপ-ধাৰা (৪)ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি- ৮, প্ৰতিভূতি স্বাৰ্থৰ (বলবৎকৰণ) নিয়মাৱলী-২০০২ অধীনত **৯ ডিচেম্বৰ, ২০২১ তাৰিখত।**

ঋণীক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক লগতে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণে লেনদেন কৰা নহয়, অন্যথা **বেংক অব বৰোডা (পূৰ্বৰ বিজয়া বেংক), যোৰহাট শাখাৰ** ওচৰত দায়বদ্ধ থাকিব আদায় দিবলৈ **১৫,৩০,৬১৯/- টকা (পোন্ধৰ লাখ ত্ৰিশ হাজাৰ ছশ ঊনৈশ টকা) ০৯-১২-২০২১** তাৰিখৰ ভিত্তিত আৰু অন্যান্য সূত তথা আৰোপিত মাচুলসহ।

উক্ত আইনৰ ধাৰা-১৩ৰ উপ-ধাৰা (৮)অনুসৰি উপলব্ধ সময়ৰ ভিতৰত সুৰক্ষিত সম্পদ ঘূৰাই লোৱাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**
সম্পদৰ সকলো অংশসহ তলত উল্লেখ কৰা ধৰণেৰে ঃ
ভূখণ্ডৰ পৰিমাণ হ'ল ০৩(তিনি) কঠা, ০১ (এক) লেচা; আৱৰি আছে দাগ নং-৪৮৮, পি পি নং-১৮৩, অৱস্থিত আছে টিংটিঙীয়া গাঁও, পৰ্বতীয়া মৌজাৰ অধীনত, উপ-পঞ্জীয়ন কাৰ্যালয় আৰু জিলা-যোৰহাট, অসম। চাৰিসীমা ঃ পূবে- বীৰেন দত্তৰ ভূমি, পশ্চিমে- বাবুল বৰাৰ ভূমি, উত্তৰে- বিক্ৰেতাৰ ভূমি আৰু দক্ষিণে- পথ।

(অনুমোদিত বিষয়া)
বেংক অফ বৰোদা(পূৰ্বৰ বিজয়া বেংক),
যোৰহাট শাখা

তাৰিখ ঃ ০৯-১২-২০২১
স্থান ঃ যোৰহাট

Affordable Health Mission | GNRC Quality • Value • Trust

**ৰোগীৰ প্ৰশংসাপত্ৰ**

আপোনাৰ অলপ সঁহাৰিয়ে আমাক বহু দূৰ আগুৱাই যোৱাত সহায় কৰে...

"আমি বেজেৰা মাণিকপুৰৰ পৰা আহিছো। আমি দ্বিতীয়বাৰৰ বাবে ডাঃ কৃষ্ণ চন্দ্ৰ নাৰ্জাৰী ছাৰৰ ওচৰলৈ আহিছো। আমি বহুত ভাল পালো। টি এম টি ২ মাহ কৰি থাকিব দিছে। তেওঁৰ ব্যৱহাৰত আমি সুখী। ডাঃ, কৰ্মচাৰী সকলো ভাল। ধন্যবাদ জি এন আৰ চি মেডিকেল উত্তৰ গুৱাহাটী"

★ ★ ★ ★ ★

*বিনোদ কুমাৰ দাস*

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১০ ডিচেম্বৰ ■ ২০২১ ■ ২২ আঘোণ ■ গুৱাহাটী

## গণতান্ত্ৰিক দেশৰ চৰকাৰৰ দায়বদ্ধতা

ইংৰাজৰ হাতৰ পৰা আমাৰ দেশখনে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা জাতীয় দলৰ ৰূপত কংগ্ৰেছে দেশখনৰ শাসনভাৰ হাতত লৈ দেশখনত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰে। তেতিয়াৰ পৰাই দেশত গণতন্ত্ৰ ভাবধাৰাৰে ৰাইজৰ নিৰ্বাচিত দলে দেশখনৰ শাসনভাৰ লৈ আহিছে। এখন জনপ্ৰিয় চৰকাৰৰ মাপকাঠিৰে দলটোৱে শাসনভাৰ লৈ দেশখনৰ শাসন কৰি আহিছে। তেওঁলোকৰ প্ৰশাসনীয় দক্ষতা, ৰাইজৰ প্ৰতি দায়বদ্ধতা আৰু শাসন ব্যৱস্থাৰ স্বচ্ছতাই তেওঁলোকৰ জনপ্ৰিয়তা নিৰ্ণয় কৰি আহিছে। একেদৰে দেশৰ ৰাজ্যসমূহৰো শাসন ব্যৱস্থা চলি আহিছে। অসমতো একেই ধৰণৰ শাসন ব্যৱস্থা চলি আহিছে আৰু বৰ্তমানৰ বিজেপি চৰকাৰখনে ৰাজ্যখনৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে। শিক্ষাৰ ক্ষেত্ৰখনত বিশ্ববিদ্যালয়, চিকিৎসা বিদ্যালয় আদি স্থাপন কৰাৰ উপৰি ব্ৰহ্মপুত্ৰৰ নতুন দলং, উৰণীয়া সেতু, কাৰ্যালয়বোৰৰ নতুন ভৱন আদিৰ আঁচনিৰে ৰাইজৰ হিতৰ বাবে কৰা বিভিন্ন আঁচনিৰ সীমা-সংখ্যা নাই। আনকি ৰাজধানীৰ বাহিৰেও বিভিন্ন জিলাত কেবিনেটৰ দ্বাৰা সেইখন জিলাৰ উন্নয়নৰ বাবে কোটি কোটি চমক দিয়া পৰিলক্ষিত হৈছে। লগতে হিতাধিকাৰীৰ সৃষ্টিৰে ৰাইজক আকৰ্ষণ কৰি আহিছে। এইবোৰ আদৰণীয় যদিও বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ৰাইজৰ জীৱন-জীৱিকাৰ মান উন্নত কৰিব পৰা নাই বুলি অভিযোগ উঠিছে। এইক্ষেত্ৰত চৰকাৰখনে বিষয়টো উপেক্ষিত হৈ থকাৰ অভিযোগো আছে। অত্যাৱশ্যকীয় সা-সামগ্ৰী তথা বয়বস্তুৰ চৰা দামে ৰাইজক জলা-কলা কৰিছে যদিও চৰকাৰখনে তাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বাবে ৰাইজে সকাহ পোৱা নাই। কৃষক-শ্ৰমিকসকলৰ বাবে কৰা আঁচনিসমূহো সঠিকভাৱে ৰূপায়ণ নোহোৱাত তেওঁলোকৰ উৎপাদিত ফচলৰ ন্যায্য মূল্য পোৱা নাই, বৰং এচাম মধ্যভোগীয়ে মুনাফা লাভ কৰিছে। একেদৰে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপনৰ বাবে এক লাখ চাকৰিত সীমাবদ্ধ নাথাকি ক্ষুদ্ৰ মজলীয়া উদ্যোগ স্থাপনৰ আঁচনিয়ে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰাহে উচিত। সম্প্ৰতি গুৱাহাটীক জাকত জিলিকা কৰাৰ নানা আঁচনি গ্ৰহণ কৰিছে। আনহাতে, চিটী বাছকে ধৰি বেচৰকাৰী বাছসমূহে ইচ্ছানুযায়ী ভাৰা বৃদ্ধি কৰি জনসাধাৰণৰ পৰা ধন লুটিছে। এই সকলোবোৰ বিচাৰ কৰি চালেহে চৰকাৰে প্ৰকৃত লক্ষ্যত উপনীত হোৱাই নহয় ৰাজ্যখনক পাঁচখন ৰাজ্যৰ ভিতৰত অসমখনকো অন্তৰ্ভুক্ত কৰিব পাৰিব। চৰকাৰখন গণতান্ত্ৰিক এখন দেশ হিচাপে জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ'ব।

# মানুহৰ আসুৰিক চৰিত্ৰৰ ফচল গণ উন্মাদনা

মানুহে পৰ্যায়ক্ৰমে মনুষ্যত্ব গুণ হেৰুৱাবলৈ আৰম্ভ কৰিছে। জীৱ শ্ৰেষ্ঠৰূপে পৰিচিত মানুহে আসুৰিক চৰিত্ৰক বহিঃপ্ৰকাশ ঘটাই সমাজত সৃষ্টি কৰিছে গণ উন্মাদনাৰ পৰিৱেশ। শিক্ষিতৰ সংখ্যা যিখন সমাজত দ্ৰুতগতিৰে বৃদ্ধি পাব ধৰিছে তেনে জীৱ শ্ৰেষ্ঠ সমাজত গা কৰি উঠিছে গণ উন্মাদনা। আৱেগৰ মাত্ৰা শ্ৰীবৃদ্ধিৰ পৰিণামত মানুহে মনুষ্য গুণক পাহৰি উন্মাদনাৰ মানসিকতাৰে সমাজত সৃষ্টি কৰা মৰেল পুলিচ ব্যৱস্থাই বহু নিৰীহ ব্যক্তিৰ প্ৰাণ কাঢ়িছে। আইন হাতত তুলি বিচাৰকৰ ভূমিকা লোৱা ব্যক্তিসকলে সমাজত সৃষ্টি কৰা গণ-নিগ্ৰহৰ ঘটনা দিনক দিনে বৃদ্ধি পোৱাত মানৱ সমাজত বিপৰীতমুখী প্ৰতিক্ৰিয়াই গ্ৰাস কৰিছে। গণ-নিগ্ৰহৰ কাৰ্যত উৎসাহিত হৈ গণ উন্মাদনাত জড়িত হৈ পৰা ব্যক্তিৰ সংখ্যা বৃদ্ধিয়ে সমাজত মৃত্যুৰ গুৰুত্ব তেনেই সুলভ হৈ পৰিছে। মৃত্যুৰ দৰে চিৰন্তন সত্যক সুলভ কৰি সমাজত আতংকৰ পৰিৱেশ সৃষ্টি কৰা নৰাধমসকলক প্ৰতিৰোধ কৰাৰ বাবে আৰক্ষীয়ে যথাসময়ত যথাগত বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত উক্ত ব্যক্তিসকলৰ জিঘাংসাৰ কাৰ্য বাঢ়ি গৈয়ে থাকিব। জীৱ শ্ৰেষ্ঠৰ মাজত গণ উন্মাদনা বৃদ্ধি পোৱাৰ কাৰণ বিশ্লেষণ কৰি ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে অনাগত দিনত আৰু অনেক অনিমেষ ভূঞাৰ দৰে নিৰীহ ব্যক্তিক সমাজে হেৰুৱাব। ৰাজনৈতিক উন্মাদনাৰ দ্বাৰা পৰিৱেষ্টিত পৰিৱেশত গা কৰি উঠা সামাজিক উন্মত্ততাই মনুষ্যত্বৰ সীমাবদ্ধতাক অতিক্ৰম কৰি সমাজত প্ৰতিষ্ঠা কৰিবলৈ উদ্যত হৈছে গণ-উন্মাদনা। গণ-উন্মাদনাই মানৱ সমাজত গণ-নিগ্ৰহ ঘটনা পুনৰাবৃত্তি ঘটাই সমাজৰ অৱক্ষয় আৰু অসহিষ্ণুতাৰ এখন ভয়াৱহ ছবি তুলি ধৰিছে। সাধাৰণ কথা বা ঘটনাত উন্মাদ হৈ পৰা ব্যক্তিৰ সংখ্যা সমাজত বৃদ্ধি পোৱাত অন্যায়-অত্যাচাৰৰ সংখ্যা বাঢ়ি গৈছে। শিক্ষিত-সভ্য সমাজত এনে দুৰ্বল মনৰ ব্যক্তিৰ পৰিসংখ্যা বৃদ্ধিৰ কাৰণ বিশ্লেষণ কৰিব পৰা ব্যক্তিৰ সংখ্যা সমাজত হ্ৰাস পাইছে নে বিষয়টোৰ পৰা পলায়ন কৰিছে সেয়াও এক সাঁথৰ। সমাজত অন্ধবিশ্বাস, উৰা বাতৰিৰ প্ৰভাৱ মাত্ৰাধিক ৰূপত গণ্য কৰাৰ পৰিণতিতেই সমাজত উন্মাদপ্ৰায় ব্যক্তিৰ সংখ্যা বাঢ়ি অহা বুলি কৰা ধাৰণাক একেবাৰে নস্যাৎ কৰিব নোৱাৰি। কাৰণ ৰাজ্যখনত বহুগৰাকী নিৰীহ ব্যক্তিৰ উন্মাদনাৰ ফলত নিৰ্দয় আৰু নিষ্ঠুৰভাৱে হত্যা কৰি জীৱ শ্ৰেষ্ঠ মানৱ জাতিক লজ্জানত কৰিলে। বৰ্তমানলৈকে যিমান কেইগৰাকী ব্যক্তিক হত্যা কৰা হ'ল তেওঁলোকৰ অপৰাধ কি আছিল বিশ্লেষণ কৰাৰ চিন্তা শক্তি নথকা উন্মাদনাত হিতাহিত জ্ঞান হেৰুৱাই উৎপীড়ন চলাই হত্যা কৰি আসুৰিক তৃপ্তি লাভ কৰিছিল। মানসিকভাৱে বিকল উন্মাদনাত মছগুল হৈ পৰা চয়তানৰ সন্মুখত হাতযোৰ কৰি ক্ষমা প্ৰাৰ্থনা বিচাৰিও ৰক্ষা নোপোৱা নিৰীহ ব্যক্তিৰ ওপৰত জঁপিয়াই পৰা ব্যক্তিসকল যে বিবেক-বুদ্ধিহীন এদল দৈত্য-দানৱ তাৰ প্ৰমাণ কৰিলে তেওঁলোকৰ আসুৰিক কৰ্মই। ক্ষমা প্ৰাৰ্থনাক সস্তীয়া বিষয় বুলি মানৱ সমাজত প্ৰতিষ্ঠা কৰিব বিচৰা উক্ত বিবেক-বুদ্ধিহীন দানৱৰ উত্থান সভ্য সমাজত উদ্বেগজনকভাৱে বৃদ্ধি পাব ধৰাতো অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা। গণ-উৎপীড়নৰ ঘটনা মানৱ সমাজত বৃদ্ধি পোৱাত বহু নিৰীহ ব্যক্তিয়ে অবাঞ্ছিতভাৱে মৃত্যুক আকোৱালী ল'ব লগা হৈছে। কাৰ্বি আংলঙত ফুৰিবলৈ গৈ গণ-উন্মাদনাৰ বলি হৈছিল প্ৰতিভাসম্পন্ন অভি-নীল নামৰ দুজন প্ৰচুৰ সম্ভাৱনাময় যুৱক। গণ-উৎপীড়নকাৰীৰ ওচৰত আত্মৰক্ষাৰ বাবে হাতযোৰ কৰি কাতৰ অনুৰোধ কৰা সত্ত্বেও দানৱসকলৰ হৃদয় গলা নাছিল। উৎপীড়নকাৰীৰ গণ-উন্মাদনাত হিতাহিত জ্ঞান হেৰুৱাই একোগৰাকী দানৱলৈ ৰূপান্তৰ হৈ পৰিছিল। তেনেদৰে গণ-উন্মাদনাৰ চিকাৰ হৈছিল হাজোৰ বৃদ্ধ সনাতন দাস। সনাতন দাসৰ অপৰাধৰ বিচাৰ নকৰাকৈ উন্মত্ত হৈ পৰা বিবেকহীন কেইগৰাকীমান মুছলিম সম্প্ৰদায়ৰ ব্যক্তিয়ে মৰিয়াই মৰিয়াই হত্যা কৰিছিল। তেনেদৰে টীয়ক চাহ বাগিচাৰ চিকিৎসক বাগিচাৰ এদল নৱ পিপাসু চাহ শ্ৰমিকে নিষ্ঠুৰভাৱে হত্যা কৰি উন্মাদনাৰ চৰিত্ৰৰ বহিঃপ্ৰকাশ ঘটাইছিল। মৰিয়নিৰ সমীপৰ গাভৰু চাহ বাগিচাৰ এদল বিবেকবিহীন ব্যক্তিয়ে নিৰীহ ছাত্ৰ দেৱাশিস গগৈক হত্যা কৰি নিজৰ আসুৰিক চৰিত্ৰ ৰাজ্যবাসীৰ ওচৰত তুলি ধৰিবলৈ সক্ষম হৈছিল। মন কৰিবলগীয়া বিষয় যে টীয়ক আৰু গাভৰু পৰ্বত বাগিচাৰ লোহমৰ্ষ ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল আৰু একাংশ লোকে চাহ শ্ৰমিকসকলক অজগৰ আখ্যাৰে জাতিটোক কঠোৰ সমালোচনা কৰিছিল। ৰাজ্যখনত ইতিমধ্যে

**মৃদুল কুমাৰ চাহু**

সংঘটিত হৈ যোৱা গণ-উন্মাদনাৰ ঘটনাত জড়িত ব্যক্তিক আৰক্ষীয়ে আটক কৰিলেও অসমবাসী অপৰাধীৰ শাস্তিত মুঠেই সন্তোষ নাছিল। সমাজত জন্ম হোৱা মন-মগজুবিহীন একাংশ ব্যক্তিৰ সংখ্যা বৃদ্ধি পোৱাত বিবেক-বুদ্ধিমান ব্যক্তিৰ সংখ্যাক গো-গ্ৰাসে গিলি পেলোৱাৰ ফলত সমাজখনক নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিছে বিবেক-বুদ্ধিহীন ব্যক্তিয়ে। অজস্ৰ ধন-সম্পত্তিৰ গৰাকী হৈ সমাজত তথাকথিত সমাজকৰ্মী ৰূপে সমাদৰ লাভ কৰা ব্যক্তিৰ অধিকসংখ্যক ব্যক্তিৰ বিবেক-বুদ্ধিৰ ওপৰত সন্দেহ প্ৰকাশ কৰে সমাজৰ সচেতন লোকে। শিক্ষিত, ভদ্ৰ-নিষ্ঠাৱান সততাৰ ওপৰত প্ৰতিষ্ঠিত ব্যক্তিক এলাগি কৰি যিসকলে নিজৰ স্বাৰ্থান্ধ পূৰণৰ নিমিত্তে অসৎ পথেৰে বিত্তৱান হোৱা ব্যক্তিক সমাজত বিশিষ্ট সমাজকৰ্মীৰূপে প্ৰতিষ্ঠা কৰিবলৈ যোৱা ব্যক্তিসকলৰ প্ৰত্যক্ষ সহযোগত সমাজত গণ-উন্মাদনাৰ দৰে সামাজিক অৱক্ষয়ৰ ভেটি স্থাপন হৈছে বুলি একাংশ পৰ্যবেক্ষকসকলে মাজে মাজে কৰি অহা মন্তব্যৰ সত্যাসত্যক একেবাৰে নুই কৰিব নোৱাৰি। যিটো সময়ত চৰকাৰে আৰক্ষীক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰি অপৰাধী চাফাই অভিযানৰ দায়িত্ব ন্যস্ত কৰিছে তেনে সন্ধিক্ষণতেই সদা ব্যস্ত যোৰহাট মহানগৰত এদল দৈত্য-দানৱে আছুৰ নেতা অনিমেশ ভূঞাক উৎপীড়ন চলাই চোঁচোৰাই চোঁচোৰাই প্ৰায় এঘণ্টা কিৰিলি পৰাৰ পাছতো আৰক্ষীয়ে নিৰীহ ব্যক্তিগৰাকীৰ প্ৰাণ ৰক্ষা কৰিব নোৱৰাটো অত্যন্ত ৰহস্যজনক। সেনা-আৰক্ষীয়ে গিজগিজাই থকা সংস্কৃতি নগৰীৰ মাজমজিয়াত এগৰাকী নিৰীহ যুৱকে আত্মৰক্ষাৰ নিমিত্তে প্ৰাণ কাতৰ চিঞৰে কাৰো অন্তৰ স্পৰ্শ কৰিব নোৱাৰিলে। এয়া মানৱতাৰ অপমৃত্যুৰ চূড়ান্ত নিদৰ্শন নহয় নে? এদল দৈত্যৰ হাতৰ পৰা নিজক বচাবলৈ সহায় বিচাৰি শেষ নিশ্বাস ত্যাগ কৰি দিয়া নিৰ্দোষী ব্যক্তিক ৰক্ষা তথা উদ্ধাৰ কৰিবলৈ সংস্কৃতি নগৰত এজনো ব্যক্তি নোলালনে? নে হত্যাকাৰীৰ ভয়ত নিজৰ পুৰুষত্বক লুকুৱাই জীৱ শ্ৰেষ্ঠৰ প্ৰমাণৰ সুযোগত আছিল। যোৰহাটবাসীৰ চকুৰ সন্মুখতে তিল তিলকৈ মৃত্যুক আকোঁৱালী লোৱা কৰুণ দৃশ্য দেখিও আৰক্ষীক খবৰ নিদিয়াকৈ মৌন হৈ থকা প্ৰত্যক্ষদৰ্শীসকলে ঘটনাস্থলীত থকা দুগৰাকী কনিষ্ঠবলৰ ওপৰতেই নিৰ্ভৰ কৰি আত্মতৃপ্তি লাভ কৰাতো মানৱ জাতিৰ বাবে অত্যন্ত লজ্জাজনক ঘটনা। যোৰহাটৰ ঘটনাই প্ৰমাণ কৰি দিছে সমাজত ভাল মানুহতকৈ উন্মাদ প্ৰকৃতিৰ ব্যক্তিৰ সংখ্যা অধিক। বৰ্তমানৰ পৰিস্থিতি দেখি সচেতন অসমীয়া শংকিত হৈ পৰিছে। গণ-উন্মাদনাৰ বীজ ৰোপণ হৈছিল অসম আন্দোলনৰ সময়ৰ পৰা আন্দোলনৰ ভৰপকৰ সময়ছোৱাত পাঠশালাত আন্দোলনৰ বিৰোধিতা কৰা শিক্ষকৰ নাক-কাণ কাটি দিয়া হৈছিল। খেদি খেদি হত্যা কৰা হৈছিল একাংশ লোকক। পূৰ্বৰ সংঘটিত ঘটনাই আধুনিক সভ্যতাত নতুন ৰূপত প্ৰাদুৰ্ভাৱ ঘটাইছে সামাজিক উন্মাদনাৰ কাৰ্য। মানুহবোৰ যেন অনবৰতে চিকাৰৰ সন্ধানত থকা হিংসুক জন্তুৰ দৰে আচৰণ এটা লৈ ঘূৰি ফুৰা পৰিলক্ষিত হৈছে। উন্মাদপ্ৰিয় মানুহবোৰ চিকাৰীৰ চৰিত্ৰত অৱতীৰ্ণ হৈ যেতিয়াই তেতিয়াই সামান্য কথাত হিংসুক হৈ আক্ৰমনাত্মকভাৱে নিৰীহ ৰূপত জঁপিয়াই পৰে। এনে প্ৰবৃত্তিৰ লোকৰে লোকাৰণ্য হৈ পৰা সমাজ ব্যৱস্থাত চিকাৰ আৰু চিকাৰীৰ সংখ্যা বৃদ্ধিয়ে মানৱ জাতিক ধ্বংসৰ দিশলৈ গতি কৰাত উৎসাহিত কৰিছে। সমাজত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত গণ-উন্মাদনা বৃদ্ধি পাইছে। সামাজিক অৱক্ষয় আৰু অসহিষ্ণুতাৰ ভয়াৱহ পৰিস্থিতিয়ে মানৱতাৰ অপমৃত্যু ঘটাইছে। জীৱ শ্ৰেষ্ঠ হৈও মনুষ্যত্বৰ গুণ জলাঞ্জলি দিবলৈ ওলোৱা নৰাধমক নিঃশেষ কৰিবলৈ ৰাজ্য চৰকাৰে আৰক্ষীক কৰ্তৃত্ব প্ৰদান কৰিলেও আৰক্ষীয়ে সমাজৰ পৰা উন্মাদন চৰিত্ৰৰ ব্যক্তিক সৎ পথলৈ আনি মানৱ সমাজত মানৱতা প্ৰতিষ্ঠা কৰাত সফল হ'ব পৰা নাই। সমাজখনক তিল তিলকৈ পংগুত্বৰ দিশলৈ ঠেলি দিয়া অপৰাধীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আৰক্ষীয়ে ইতিমধ্যে বৰ্তমান এনকাউণ্টাৰ কৰি ২৮গৰাকী দাগী অপৰাধীক হত্যা কৰাৰ বিপৰীতে ৪৮গৰাকীক আহত কৰি অপৰাধমুক্ত সমাজ প্ৰতিষ্ঠাৰ অভিযানত অগ্ৰসৰ হৈছে। সমাজৰ চাৰিও দিশ গৰিহণাৰ যোগ্য অপৰাধীৰ পক্ষত আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিলেও মুখা পিন্ধা অপৰাধীসমূহক আৰক্ষীয়ে চিনাক্ত কৰি শাস্তি দিব পাৰিবনে? অন্ধকাৰ জগতৰ কলা সাম্ৰাজ্য গঢ়ি বাস্তৱত ভাল আৰু ভদ্ৰ-শিক্ষিত ৰূপত সমাজত পিটপিটাই থকা অপৰাধীৰ বিৰুদ্ধে অভিযান চলাবলৈ আৰক্ষীৰ নৈতিক সাহস হ'ব নে? যিবোৰ অপৰাধীয়ে ৰাজনৈতিক পৃষ্ঠপোষকতাত থাকি ছদ্মবেশেৰে সমাজত নীতি বচন দি অহা লোকসকলৰ বিৰুদ্ধে আৰক্ষীয়ে পদক্ষেপ ল'বলৈ নৈতিক সাহস গোটাব পাৰিবনে? য'ত নেকি ডি আই জি ৰৌণক আলীৰ দৰে ভ্ৰষ্টাচাৰী আৰক্ষীয়ে কাৰ্যনিৰ্বাহ কৰি আছে। সোঁৰে-বাঁৱে অসৎ পথেৰে সম্পত্তিৰ পাহাৰ গঢ়ি অপৰাধীৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ তৎপৰ হোৱা ৰৌণক আলীৰ দৰে দাগী আৰক্ষীৰ পৰা আৰক্ষী বিভাগটোক মুক্ত কৰিব পাৰিবনে আৰক্ষীয়ে। অপৰাধ আৰু অপৰাধীক প্ৰশ্ৰয় দি ৰাজ্যত অপৰাধীৰ ৰম্যভূমি কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা আৰক্ষীয়ে নিজক বদনামমুক্ত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ দৃঢ় স্থিতিৰ বাবে আৰক্ষীয়ে নিজৰ চৰিত্ৰ সলনি কৰি পূৰ্বৰ জনপ্ৰিয়তা ঘূৰাই আনিবলৈ কেতবোৰ চমৎকাৰী পদক্ষেপ হাতত লৈছে যদিও আৰক্ষীৰ চৰম দুৰ্বলতাৰ ফলত সমাজত গণ-নিগ্ৰহৰ সংখ্যা বৃদ্ধি পোৱাতো লক্ষণীয়। সমাজত দিনক দিনে বৃদ্ধি পাব ধৰা গণ-নিগ্ৰহৰ ঘটনা প্ৰতিৰোধৰ দায়িত্ব কেৱল আৰক্ষী প্ৰশাসনৰ ওপৰত এৰি দিলে নহ'ব। সংঘবদ্ধভাৱে মানুহে গণ-নিগ্ৰহৰ বিৰুদ্ধে জনমত গঠন কৰি সমাজত মানৱতা প্ৰতিষ্ঠাৰ নিমিত্তে ওলাই আহিব লাগিব। পৰিস্থিতিৰ পৰা আত্মগোপন কৰি নিজক শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ পৰম্পৰা সমাজত অব্যাহত ৰাখিলে সমাজে অনাগত দিনত আকৌ মুখামুখি হ'ব লাগিব গণ-নিগ্ৰহৰ দৰে মৰ্মান্তিক ঘটনাৰ। ভাল-বেয়া সমষ্টিৰে পৰিপূৰ্ণ সমাজত সকলো স্তৰৰ নাগৰিক থকাৰ অধিকাৰ আছে। সেই বুলি গণ-উন্মাদপ্ৰিয় ব্যক্তিৰ বিৰুদ্ধে সমাজেই গ্ৰহণ কৰিব লাগিব দৃঢ় পদক্ষেপ। সময়ৰ লগে লগে পৰিৱৰ্তনৰ ধামখুমীয়া পৰিস্থিতিয়ে মানুহক সময়ে সময়ে উন্মাদপ্ৰিয় কৰি নোতোলা নহয়। সেই বুলি কোনো নিৰীহ ব্যক্তিক কাৰণ নোহোৱাকৈ হত্যাৰ বাবে উদ্যত হোৱা উন্মাদ কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। মানুহৰ ভিতৰত থকা আসুৰিক চৰিত্ৰক সংশোধন কৰিব নোৱাৰিলে সমাজে খোজে প্ৰতি সন্মুখীন হ'ব লাগিব গণ-উন্মাদনাৰ। মুঠতে গণ-উন্মাদনাৰ ফচল হৈছে মানুহৰ আসুৰিক চৰিত্ৰৰ। প্ৰতিগৰাকী মানুহক উদ্দেশ্য কৰি বহু বছৰৰ পূৰ্বে বুলেট ডিজনী নামৰ আমেৰিকাৰ চিত্ৰ প্ৰযোজকে কৈ গৈছে— কোনো এটা কাম আৰম্ভ কৰাৰ বাবে প্ৰথমে কথা বন্ধ কৰি ইয়াক কৰিবলৈ আৰম্ভ কৰাটো জৰুৰী। সাম্প্ৰতিক সময়ত এই বাণীৰ প্ৰাসংগিকতা নিশ্চয় হেৰাই যোৱা নাই।

*ফোন: ৬০০২৭-৩৫৫০১*

# আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱসৰ প্ৰাসংগিকতা আজি সময়ৰ আহ্বান

■ **লক্ষী প্ৰসাদ ডেকা**

মানুহে সন্মান, মৰ্যাদা আৰু সমান অধিকাৰ লৈ জন্মগ্ৰহণ কৰে। মানুহৰ মানৱীয়তাৰ খাতিৰতেই এই অধিকাৰসমূহ প্ৰতিগৰাকী ব্যক্তিৰ বাবে অতি অপৰিহাৰ্য তথা জন্মগত নৈতিক অধিকাৰ। স্পষ্ট আৰু সহজেই বোধগম্য হোৱাকৈ সূত্ৰবদ্ধ কৰা বা হোৱাকে আমি মানৱ অধিকাৰ বুলি কওঁ, যাক ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় উভয় সমাজতে আইন নিৰ্ধাৰণকাৰী প্ৰক্ৰিয়াবোৰৰ দ্বাৰা ন্যায়িক অধিকাৰৰূপে গঢ় দিয়া। মানুহৰ মৰ্যাদা আৰু সন্মানক সুনিশ্চিত কৰা প্ৰচেষ্টাৰে মানৱ ইতিহাসৰ সমৃদ্ধ। মানৱ জাতিৰ প্ৰতিগৰাকীৰে মৰ্যাদা, সন্মান আৰু সমতা আদি প্ৰমূল্যবোধৰ আজি আমি মানৱ অধিকাৰ বুলি অভিহিত কৰা আন বহু মৌলিক অধিকাৰ তথা বিধানৰ দৰেই। সভ্যতা, সংস্কৃতি, ধৰ্ম আৰু দাৰ্শনিক আদিৰ মাজতেই এইবোৰ বিচাৰি পোৱা যায়। আজি কিন্তু সৰ্বসাধাৰণ নাগৰিকৰ বাবে বিভিন্ন সমস্যাই জুৰুলা কৰি নানান ৰূপত দেখা দিছে। স্বাধীনতাৰ অধিকাৰ মানৱ জাতিৰ জন্মগত অধিকাৰ। মানৱ অধিকাৰৰ ধাৰণাটো সু-প্ৰাচীন কালৰে পৰা চিৰ প্ৰৱাহিত হৈ আহিছে। ই সত্য ৰূপত চিৰস্মৰণীয় হৈ আছে। মহাভাৰত, ৰামায়ণ, বাইবেল, কোৰান শ্বৰীফ আৰু অথৰ্ববেদ আদিত। মানৱ সমাজ গঠন হোৱাৰ পূৰ্বে এই অধিকাৰ মানুহে লাভ কৰিছিল। মানুহৰ অধিকাৰ প্ৰকৃতিয়ে দিয়া অধিকাৰ, যাক আমি সভ্য জাতি হিচাপে পৰিগণিত হোৱাৰ পিছতহে উপলব্ধি কৰিবলৈ লৈছোঁ। প্ৰকৃতিয়ে দিয়া অধিকাৰসমূহক প্ৰাকৃতিক অধিকাৰ বুলিহে জনা যায়। সৰ্বসাধাৰণ জনতাৰ ন্যূনতম অধিকাৰ তথা সাধাৰণ অধিকাৰ বা মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হয়। বিশ্বৰ প্ৰায়বোৰ দেশেই সাংবিধানিক তথা আইনগত স্বীকৃতি প্ৰদান কৰিছে। ভাৰতীয় সংবিধানৰ ১৪, ১৯ আৰু ২১নং অনুচ্ছেদতো মানৱ অধিকাৰক সাংবিধানিক ৰক্ষা কৱচ হিচাপে প্ৰদান কৰিছে। ২১নং অনুচ্ছেদত No person shall be deprived of life or personal liberty except according of procedure establish by law.Thus the Constitution contains the appearance for the safety of life and personal liberty of person বুলি উল্লেখ আছে ঠিক সেইদৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সদস্য ৰাষ্ট্ৰসমূহ সৰ্বসাধাৰণ জনগণৰ বাবে এক উমৈহতীয়া অধিকাৰ সন্নিৱিষ্ট কৰি 'University of Declaration Human Rights 1948' নামেৰে এক দাবী চনদ গ্ৰহণ কৰে। তেতিয়াৰ পৰা সমগ্ৰ পৃথিৱীতে ১০ ডিচেম্বৰৰ দিনটো আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস হিচাপে পালন কৰি আহিছে। এই দাবী চনদত শিশু-মহিলাকে ধৰি সকলো মানুহৰে মৌলিক তথা প্ৰাকৃতিক অধিকাৰসমূহক স্বীকৃতি প্ৰদান কৰিছে। তাৰ পৰৱৰ্তী সময়ত ১৯৮৩ চনৰ ১৪ জুনৰ পৰা ২৫ জুনলৈ ভিয়েটনামত অনুষ্ঠিত পৃথিৱীৰ মানৱ অধিকাৰ সন্মিলনত বিশ্বৰ ১৭১খন দেশৰ সাত হাজাৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পূৰ্বৰ দাবী চনদখন কিছু সালসলনি কৰে। আমাৰ দেশতো সৰ্বসাধাৰণ জনতাৰ মানৱ অধিকাৰ সুৰক্ষা কৰিবলৈ মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩ চনত প্ৰৱৰ্তন কৰি কেন্দ্ৰীয় আৰু ৰাজ্যিকভিত্তিক ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন কৰে। ৰাজনৈতিক আৰু সাধাৰণ অধিকাৰ চুক্তি ১৯৬৬ আৰু সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক আদিৰ অধিকাৰ চুক্তি। ১৯৬৬ চনত সম্পাদনা কৰিলে মানৱ অধিকাৰ সুৰক্ষাৰ নিমিত্তে। আমাৰ সংবিধানৰ প্ৰস্তাৱনাতে মানুহৰ অধিকাৰৰ কথা উল্লেখ আছে। আমি ভাৰতৰ জনগণে সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, প্ৰজাতন্ত্ৰৰূপে ভাৰতবৰ্ষক গঢ়ি তুলিবলৈ আৰু ইয়াৰ সকলো নাগৰিকৰে যাতে সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ন্যায় বিচাৰি পায়। অতি চিন্তাৰ আৰু মত প্ৰকাশ, ধৰ্মৰ বিশ্বাস, উপাসনা আদিৰ স্বাধীনতা লাভ কৰে। আত্মসন্মান, সমমৰ্যাদা আৰু মানুহৰ সুযোগ-সুবিধাৰ অধিকাৰো লাভ কৰে। মানুহৰ মৰ্যাদা, সন্মান ৰাষ্ট্ৰৰ ঐক্য-সংহতি সুনিশ্চিত কৰিবৰ বাবে সকলোৰে মাজত যাতে ভাতৃত্বৰ ভাব দৃঢ়তাৰে বাঢ়ে। তাৰ বাবে নিষ্ঠা সহকাৰে সংকল্প গ্ৰহণ কৰি আমাৰ সংবিধানত আৰু আজি সভাত ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰি বিধিবদ্ধ কৰিছোঁ। আমি প্ৰত্যেকে নিজকে অৰ্পণো কৰিছোঁ। অসমত মানৱ অধিকাৰ বিষয়টোৰ ব্যাপক প্ৰচলন ঘটে নব্বৈৰ দশকত। অসমত যে বিদ্ৰোহী তথা বিপ্লৱী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম (আলফা), এন ডি এফ বি আদি সংগঠনে স্বাধীনতা আৰু বিচ্ছিন্নতাৰ দাবীত চলোৱা সশস্ত্ৰ সংগ্ৰাম বিপ্লৱক নিৰ্যাতন, দমন, ধৰ্ষণ আৰু প্ৰৱঞ্চনা আদিৰে দমন কৰিবলৈ ভাৰতীয় শান্তিৰক্ষী সেনা, অৰ্ধসামৰিক আৰু আৰক্ষীয়ে আৰম্ভ কৰা বিভিন্ন অপাৰেশ্বনৰ সময়ত। অসমত চলোৱা সামৰিক অভিযানৰ পূৰ্বে বিদ্ৰোহী সংগঠনসমূহক নিষিদ্ধ ঘোষণা কৰি সশস্ত্ৰ সেনা আইন প্ৰৱৰ্তন কৰি সেনাই গৃহযুদ্ধৰ পৰিৱেশ সৃষ্টি কৰাটো বিশেষ উল্লেখযোগ্য। বিদ্ৰোহী আৰু সেনাৰ মাজৰ যুঁজত মাথোঁ বিৰিণাসদৃশ ৰাজ্যৰ সৰ্বসাধাৰণ জনগণ। ভুৱা সংঘৰ্ষ আৰু আতিশয্যৰ নামত অসমৰ বহু প্ৰতিভাৱান তেজাল-সুঠাম ডেকা-গাভৰু খিলঞ্জীয়া জাতি-জনগোষ্ঠী থলগিৰিক উগ্ৰপন্থী সজাই তেৰ হাজাৰতকৈ অধিক প্ৰতিভাক হত্যা কৰা হ'ল। বহুজনক চিৰদিনৰ কাৰণে পংগু, ঘূণীয়া কৰাৰ উপৰি বহুজন নিখোঁজ হ'ল কিন্তু আজিও কোনো সন্ধান নোলাল আৰু কি হ'ল তাৰ সঠিক উত্তৰ কোনে দিব, হয়তো নিঁখোজৰ তালিকাই নাই । তদুপৰি অসংখ্যগৰাকীক শালীনতা হানি কৰাই নহয় গণ-ধৰ্ষণ কৰি হত্যা কৰা বাস্তৱ উদাহৰণ নথকা নহয়। অসমৰ হাজাৰ হাজাৰ মানুহৰ অধিকাৰ উলংঘন হৈ আছে। মুক্তহত্যা, গুপ্তহত্যা আদিৰে অসমক বধ্যভূমি কৰি ৰম্যভূমিলৈ পৰিণত কৰিলে। ইয়াৰ বেছি ভাগ ৰাষ্ট্ৰযন্ত্ৰ তথা চৰকাৰৰ কু-ৰাজনৈতিক অভিসন্ধিৰ বাবে সংঘটিত হৈছে। আজি আমি জাতি-জনগোষ্ঠী, খিলঞ্জীয়া থলগিৰি অসমীয়া সজাগ-সচেতন হ'বৰ হ'ল। নহ'লে স্বাৰ্থান্বেষী শত্ৰুৰে সকলো ধৰণৰ প্ৰাপ্য অধিকাৰৰ পৰা লাঞ্ছিত-বঞ্চিত আৰু অৱহেলিত, প্ৰতাৰিত কৰিব লগতে শোষণ-লুণ্ঠন আদিৰে ওপচাই দিব। আনহাতে, সকলোবোৰৰ পৰা অৱহেলা কৰি নিজৰ ঠাইতে নিঃশেষ কৰা চক্ৰান্ত আজি ভাষা, কৃষ্টি, সংস্কৃতি, অৰ্থনীতি আৰু মাটি আদি যাওঁ যাওঁ। আমাৰ মানৱীয় অধিকাৰ তথা আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে আমিয়েই সু-ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু চৰকাৰক হেঁচা দিব লাগিব যাতে নিজৰ নিজৰ অধিকাৰ মৰ্যাদাপূৰ্ণভাৱে উপভোগ কৰিব পাৰি। আজি বহু জাতীয়তাবাদী নেতাই ৰাষ্ট্ৰৰ ওচৰত সেও মানিলে। তদুপৰি যিসকল জাতীয়তাবাদী নেতাই মন্ত্ৰী-বিধায়ক আদিয়ে আসন অলংকৃত কৰিলে তেওঁলোকে শোষিত-নিষ্পেষিত জনগণৰ প্ৰতি সদিচ্ছা আৰু আগ্ৰহ নাই, আনকি আইমাতৃক কৰা অপমানতো নিমাত। কেন্দ্ৰই অসমক বাৰে বাৰে চূড়ান্ত অপমান কৰাৰ পাছতো কোনো প্ৰতিবাদ তথা মাত নিদিয়ে নিপীড়িত জাতিৰ পক্ষত। এয়াই আমাৰ ভোগবাদী, বস্তুবাদী, স্বাৰ্থলোভী, ক্ষমতালোভী আদি নেতাসকলৰ মানসিকতা, লাগিলে জাতিয়েই দুৰ্যোগৰ বলি হওক। চকুৰ আগতেই আইক নিৰ্যাতন কৰি ধৰ্ষণ কৰিব অথচ নিজৰ গাদীৰ আশাত চকু মুদি বহি থাকিব। কিন্তু এইক্ষেত্ৰত অসমৰ একমাত্ৰ মানৱ অধিকাৰ সংগ্ৰাম সমিতি, মাছে শোষিত-নিষ্পেষিত জনগণৰ পক্ষত থাকি তেখেতসকলৰ সন্মান, মৰ্যাদা ৰক্ষা কৰাৰ স্বাৰ্থত কোনোদিনেই আপোচ কৰা নাই আৰু অনাগত দিনতো নকৰে। সেয়ে মানুহৰ অধিকাৰ জনগণৰ জন্মসূত্ৰে পোৱা অধিকাৰ আৰু স্বাধীনতা অধিকাৰ জনগণৰ নিজৰ সেইবোৰ পুনৰ মনত পেলাবলৈ মানৱ অধিকাৰ সংগ্ৰাম সমিতি মাছে প্ৰতি বছৰে ১০ ডিচেম্বৰ তাৰিখটো আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱস হিচাপে পালন কৰি আহিছে । ঠিক এইবাৰো ঐতিহ্যমণ্ডিত নগাঁও জিলাৰ ঐতিহাসিক প্ৰেছ ক্লাবত কেন্দ্ৰীয় সমিতি আৰু নগাঁও জিলা সমিতিৰ মাছৰ উদ্যোগত আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱস মাছে উদ্‌যাপন কৰিব। এইটো শুভ লক্ষণ যে আজি ছাত্ৰ সমাজেও বুজি উঠিছে মানুহৰ অধিকাৰ সম্পৰ্কত লগতে চৰকাৰী ৰাষ্ট্ৰযন্ত্ৰ নতুবা ব্যক্তি সন্ত্ৰাসত মানুহৰ জন-জীৱনত কেনেদৰে নিৰ্যাতিত হয়। বৰ্তমান ৰাষ্ট্ৰ সন্ত্ৰাস কমিছে যদিও ৰাষ্ট্ৰ বাহিনীৰ পৃষ্ঠপোষকতাত ব্যক্তি সন্ত্ৰাস, গুপ্তহত্যাৰ সলনি মুক্তহত্যা, বিনা বিচাৰে মানুহক হত্যা-নিৰ্যাতন আদিৰে হাৰাশাস্তি কৰা পৰিলক্ষিত হৈছে। ই দিনক দিনে নিত্য-নতুন দিশে গতি কৰিছে। সেয়ে মাছক শক্তিশালী আৰু গতিশীল কৰিবলৈ সকলো জাতি-জনগোষ্ঠী, খিলঞ্জীয়া থলগিৰি অসমীয়াই পণ কৰাৰ সময়। বিশেষকৈ নৱ-প্ৰজন্ম, ছাত্ৰ সমাজ সজাগ, সচেতন হৈ আগনাবাঢ়িলে বিপদ অনিবাৰ্য। নহ'লে মানৱ অধিকাৰ ভংগকাৰীক নাকী লগাব কোনে? অসমৰ জনগণৰ মানৱ অধিকাৰ অধিক সুৰক্ষিত হ'ব যদি ৰাষ্ট্ৰ যন্ত্ৰ তথা চৰকাৰৰ দ্বাৰা সৃষ্ট মানৱ অধিকাৰ ভংগ তথা সন্ত্ৰাসে অবিৰতভাৱে ব্যক্তি সন্ত্ৰাসৰ জন্ম নিদিয়ে। ব্যক্তি সন্ত্ৰাস নিয়ন্ত্ৰণ, বন্ধ কৰিবলৈ হ'লে সৰ্বপ্ৰথমে ৰাষ্ট্ৰ সন্ত্ৰাস বন্ধ কৰিবই লাগিব আৰু যদি তাক প্ৰতিৰোধ নকৰিলে মানৱ অধিকাৰৰ আন্দোলন, প্ৰতিবাদৰ কোনো সাৰ্থকতা নাথাকিব । সেয়ে ১০ ডিচেম্বৰ আন্তৰ্জাতিক মানৱ অধিকাৰৰ তাৎপৰ্য নিশ্চয় প্ৰজন্ম তথা জনসাধাৰণে অধিকভাৱে জানিব-বুজিবলৈ সক্ষম হ'ব। আজি আমাক বলিষ্ঠ-সবল মানৱ অধিকাৰ সংগঠন খুবেই প্ৰয়োজন আৰু অতি গুৰুত্বপূৰ্ণ। নহ'লে প্ৰজন্ম, জাতি, মাটি, সম্পদ আই মাতৃ আৰু খিলঞ্জীয়া জাতি-জনগোষ্ঠী থলগিৰি অসমীয়াৰ মান-সন্মান আৰু মৰ্যাদা সহকাৰে জীয়াই থকা অধিক কঠিন হ'ব যে ধ্ৰুৱ সত্য। আমি সকলোৰে জাতিৰ স্বাৰ্থত আইমাতৃৰ কাৰণে ১০ ডিচেম্বৰ 'আন্তৰ্জাতিক মানৱ অধিকাৰ' দিৱসত পুনৰ প্ৰতিশ্ৰুতি আৰু সংকল্প ল'ব লাগিব। মানৱ অধিকাৰ উলংঘনকাৰীৰ বিৰুদ্ধে লগতে শোষিত-নিপীড়িত জনগণক অধিক লাঞ্ছিত, বঞ্চিত, অৱহেলিত আৰু প্ৰতাৰণা কৰিব নোৱাৰে তাক অধিক দৃঢ়তাৰে সজাগ-সচেতন হোৱা বাঞ্ছনীয় আৰু ই সময়ৰ আহ্বান। তেতিয়াহে থলগিৰি অসমীয়াৰ অধিকাৰ, মৰ্যাদা আদি সজীৱ হ'ব। নহ'লে আমাৰ প্ৰাপ্য অধিকাৰৰ পৰা নিতৌ বঞ্চিত হ'ব লাগিব যে নিশ্চিত। আহক আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱসত ঐক্যমতত উপনিত হৈ ঐক্যবদ্ধ হৈ জাতিটোক মহা বিপদৰ পৰা ৰক্ষা কৰোঁ। নহ'লে নিজৰ বুলিবলৈ একোৱেই নাথাকিব। আহক সকলো জাতি-জনগোষ্ঠী থলগিৰি অসমীয়াৰ স্বাভিমান উজলাই তুলিবলৈ — ।

# ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ নাৰীবাদী চিন্তাধাৰাক শ্ৰদ্ধাৰে সুঁৱৰি

সেয়া আছিল ১৯শ শতিকাৰ মাজৰছোৱা সময়। চিপাহী বিদ্ৰোহে চাৰিওপিনে উত্তাল কৰি ৰখা ৰাজনৈতিক পৰিস্থিতি। সেই সময়ৰ অসমৰ সামাজিক অৱস্থাও তথৈবচ। অসমীয়া সমাজে পুৰণি চিন্তাধাৰা আৰু নতুন শৈক্ষিক চিন্তাধাৰাৰ মাজৰ দোদুল্যমান অৱস্থা এটাত ওলমি আছিল। এনে এটি সন্ধিক্ষণতেই ধৰ্মীয় গোড়ামি, কু-সংস্কাৰ, অন্ধবিশ্বাস, জাতি-ভেদ নেওচি এখন প্ৰকৃতাৰ্থত মানুহৰ সমাজ গঢ়িবলৈ এজন প্ৰকৃত সমাজ বিপ্লৱীৰ জন্ম হৈছিল ১৭৫৭ শকৰ আঘোণ মাহৰ ২৪ তাৰিখ মঙলবাৰ কৃষ্ণা চতুৰ্থীৰ ৰাতি শিৱসাগৰ জিলাৰ ৰাজাবাহৰ নামে ঠাইৰ মুক্তাৰাম বৰুৱাৰ ঘৰত। তেৰেঁই প্ৰথমে বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ অভিধান, ব্যাকৰণ আদি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যক নিপৰ্যয়ৰ পৰা ৰক্ষা কৰে। প্ৰচলিত যুগৰ চিন্তাধাৰাৰ বিপৰীতে গতি কৰি সমাজক এক নৱ-বৈজ্ঞানিক চিন্তাধাৰাৰে আপ্লুত কৰিব বিচৰা যুগশ্ৰেষ্ঠ মনীষীজনে পৰম্পৰাগত ভাবধাৰাৰ বিপৰীতে গৈ গুণাভিৰাম বৰুৱাৰ লগত লগ হৈ স্ত্ৰী শিক্ষা প্ৰচলনৰ উদ্দেশ্যে ১৮৬০-৬১ চনত প্ৰথমখন ছোৱালী প্ৰাথমিক স্কুল স্থাপন কৰিছিল।

সোঁতৰ বিপৰীতে তেওঁৰ আন এক চিন্তাধাৰা আছিল দ্বিতীয় বিবাহ নকৰোৱা। নিজৰ এমা-ডিমা সন্তান তিনিটা এৰি থৈ তেওঁৰ পত্নী যেতিয়া ঢুকাইছিল, তেওঁ ইচ্ছা কৰিলেই দ্বিতীয় বিবাহ কৰাব পাৰিলেহেঁতেন। কিন্তু তেওঁ নকৰালে। তেওঁৰ যুক্তি আছিল এনে ধৰণৰ— মই ভাবি চালো— 'মোৰ ভাৰ্য্যাৰ নহৈ মোৰ মৃত্যু হোৱা হ'লে তেওঁৰ কি অৱস্থা হ'লহেঁতেন? তেওঁ মৰিছে, তথাপি মোৰ ইচ্ছা হ'লেই মই এটা কিয়? তিনিটা বা অধিক বিয়া কৰিব পাৰোঁ, কিন্তু বিধৱা হোৱাৰ পিছত পুনৰ বিয়াৰ নাম লোৱা মাত্ৰেই তেওঁৰ জাতি গ'লহেঁতেন। সমাজে বৰ্জিলেহেঁতেন আৰু তেওঁ জীয়ন্ততে মৰা যেন হৈ থাকিলহেঁতেন। ই কেনে অসংগত, কেনে অযুগুত। এতেকে পুনৰ বিয়া কৰা মোৰ উচিত নহয়।' বিধৱা বিবাহ মানেই আছিল সেই সময়ত পাপ। কিন্তু তেওঁ এই প্ৰথা সমৰ্থনৰো যুক্তিসংগত ব্যাখ্যা আগবঢ়াইছিল। তেওঁ কৈছিল— শাস্ত্ৰত লিখা আছে, 'যুক্তিহীন বিচাৰেন ধৰ্মহানি প্ৰজায়তে।' অৰ্থাৎ যুক্তিয়েই মূল। হিন্দু শাস্ত্ৰৰ মতে অগ্নিৰ আগত দেৱতা আৰু পিতৃবিলাকক সাক্ষী কৰি ভাৰ্যাক এইৰূপে কয়— 'তোমাৰ প্ৰাণে সৈতে মোৰ পাণক, তোমাৰ হাড়ে সৈতে মোৰ হাড়ক, তোমাৰ মংগহে সৈতে মোৰ মঙহক আৰু তোমাৰ ছালে সৈতে মোৰ ছালক মিলাওঁ।' ইয়াৰ দ্বাৰা দেখা যায় যে ভাৰ্য্যা আৰু স্বামীৰ দেহ এক, প্ৰাণ এক, দুয়োৰে ভিতৰত একো প্ৰভেদ নাই। এনেস্থলত যেতিয়া পুৰুষে ভাৰ্য্যা মৰি গ'লে, অৰ্থাৎ তেওঁৰ শৰীৰৰ এভাগ নষ্ট হ'লে তাক পূৰাই ল'ব পাৰে, তিৰোতা সেই স্বত্বৰ পৰা বঞ্চিত হয় কিয়? এইবুলি তেওঁ বিধৱা বিবাহৰ বিৰোধীসকলৰ সন্মুখত প্ৰশ্ন উত্থাপন কৰিছিল। তেওঁ পূজনীয় ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰক সশ্ৰদ্ধ প্ৰণাম জনাই কৈছিল যে পূজনীয় বিদ্যাসাগৰে বিধৱা বিবাহ যে শাস্ত্ৰসিদ্ধ ইয়াকে প্ৰমাণ কৰিয়েই মনে মনে নাথাকিল। আপোনাৰ পুতেকৰ সৈতে বিধৱাৰ বিয়া দিয়ে। কালৰ সোঁতত তেওঁ উটি গ'ল। কিন্তু তাৰ বালিত তেওঁ যি খোজৰ সাঁচ থৈ গৈছে, সি চিৰকাললৈকে থাকিব, লুপ্ত নহয়। নাৰীয়েও যে পুৰুষৰ সমানেই শিক্ষা পাব লাগে, এই বিষয়ে তেওঁ লিখা-মেলা কৰিছিল। এইক্ষেত্ৰত ১৮৬১ চনৰ ৫ মে'ত তেওঁ অৰুণোদইত এটি উৎকৃষ্ট প্ৰবন্ধ লিখিছিল। তেওঁ কৈছিল— অনেকে কয় যে আমাৰ তিৰোতাবিলাক অনেক কালৰে পৰা বন্ধ অৱস্থাত থকা হেতু এতিয়া একেবাৰে মুক্তাৱস্থা পালে, তাৰ পৰা ভাল হোয়। থাকোক অনেক দুৰ্গুণহে হ'ব। কিন্তু আমি এনে কথাক ভাল বুলিব নোৱাৰো। ভাপৰ জাহাজ আৰু ধূয়াঁৰ গাড়ীৰ পৰা যি অসীম উপকাৰ হয় তাৰ সৈতে তুলনা কৰিলে, তাহঁতৰ থালি ফাটি যি অলপ অনিষ্ট হ'ব পাৰে সি অতি ক্ষুদ্ৰ। কিজানি ধূয়াঁৰ গাড়ী চলাওঁতে তাৰ যন্ত্ৰ ভাগিব, নাইবা তাৰ চাক 'ৰেইলৰ বাঝ হৈ পৰিব, এই ভয়ত ভাপৰ গাড়ী চলাব নিদিয়াটো যুগুত নে? কেতিয়াও নহয়। কোনো অনিষ্টই এনে উপকাৰতকৈ ডাঙৰ হ'ব নোৱাৰে। বিশেষ অধিক লাভৰ বাবে অলপ হানি হ'লে, সি হানি নহয়। তিৰোতাৰ প্ৰতি যেনে আচৰণ কৰিব লাগে, তাকে হিন্দু শাস্ত্ৰত ভালৰূপে লিখিছে, তথাপি যিবোৰ মানুহে শাস্ত্ৰৰ শৰণ দি অষ্টমীত মাছ নাখায়, সেইবোৰ মানুহেই সেই শাস্ত্ৰৰ কথা দলিয়াই পেলাই তিৰোতাৰ প্ৰতি অনুচিত ব্যৱহাৰ কৰে, ইহে অতি আচৰিত। অতত্ৰৱ আমাৰ দেশী সকল। তোমালোকে তোমালোকৰ তিৰোতাৰ অহিতে যি কুসংস্কাৰ আছে, তাক এৰি পেলাই সিহঁতক জ্ঞান বিদ্যা শিকাই উত্তম সংগী জ্ঞান কৰা, কাৰণ সিহঁত তোমালোকৰ শৰীৰৰ এফাল আৰু উত্তম বন্ধু।' এয়া আছিল ওজা হেমচন্দ্ৰ বৰুৱা। তেওঁৰ নিজৰ প্ৰতিভাৰে অকল অসমীয়া ভাষা উদ্ধাৰতে ক্ষান্ত নাথাকি অসমীয়া সমাজখনতো নাৰী-পুৰুষক সমমৰ্যাদা প্ৰদান কৰি এখন প্ৰগতিশীল আৰু বাস্তৱমুখী সমাজৰূপে গঢ়ি তুলিব বিচাৰিছিল। আজি ইমান বছৰৰ পিছতো যিটো অসমৰ চুকে-কোণে সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱা নাই। ঊনবিংশ শতিকাৰ তেওঁৰ সেই বিজ্ঞানসন্মত দৃষ্টিভংগী আজিও আমি পঢ়ি চোৱাৰ যথেষ্ট আৱশ্যকতা আছে। তেখেতৰ জন্মবাৰ্ষিকীত তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিলো।

■ **ৰুমী কলিতা**

*ফোন: ৭০০২০-৯১৩০৪*

# মানৱ অধিকাৰত দানৱীয় প্ৰবৃত্তি

■ **নৱ ডেকা**

বিজ্ঞান প্ৰযুক্তিৰ জয়-জয়কাৰ পৰিৱেশত আধুনিক সভ্যতাৰ সভ্য নাগৰিক হৈও ধৰ্ষণ, ডাইনী হত্যা, ভূত-প্ৰেত লম্ভা, যৌতুক প্ৰথা আদি এশ-এবুৰি এলান্ধুকলীয়া সামাজিক ব্যাধিৰ স্বীকাৰ হৈ বাতৰি কাকতৰ শিৰোনাম দখল সচেতনমহলৰ উদ্বেগৰ বিষয় এনে নহয়, ভুক্তভোগীৰ জীৱন চৰম বিপদাপন্ন হোৱা দেখা যায়। একেদৰে সমাজৰ নিঃকিণ, অৱহেলিত শ্ৰেণীৰ প্ৰতি অন্যায় -অত্যাচাৰ, সাধাৰণ ৰাইজে আইন -আদালতৰ পৰা যথাৰ্থ ন্যায়ৰ পৰা বঞ্চিত হোৱা, আনকি আইন-শৃংখলাৰ ৰক্ষক আৰক্ষীৰ দ্বাৰাও মানৱ অধিকাৰ উলংঘন সঘনাই বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। শেহতীয়াভাৱে কৰ'না ভাইৰাছ বা ক'ভিড-১৯ ৰোগাৰোগ্য ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত মৃতদেহৰ বিধিসন্মত ৰীতি-নীতি অনুসৰি সৎকাৰ কৰাৰ পৰিৱৰ্তে জেচিবিৰে গাঁতত পুতি থোৱা, আনকি সাগৰৰ উপকুল অঞ্চলত মৃতদেহ উটি-ভাহি অহা হৃদয়বিদাৰক চিত্ৰ প্ৰত্যেক্ষ নকৰা নহয়। একেদৰে উত্তৰ-পূবৰ সাতভনী আৰু জম্মু কাশ্মীৰত উগ্ৰপন্থী সমস্যা সমাধান নামত AFSPA বলৱৎ হৈ থকা পৰিপ্ৰেক্ষিতত বৃহৎসংখ্যক নিৰীহ লোকক সন্ত্ৰাসবাদী সজাই হত্যা কৰাৰ দৰে নীচাত্মিক কাৰ্যবোৰ তেনেই সহজ হৈ পৰিছে। যিবোৰ কাৰ্যই মানৱ অধিকাৰ খৰ্ব হোৱাটো বাৰুকৈয়ে উদঙাই দিয়ে। সৌ সিদিনা নাগালেণ্ডৰ মন জিলাত সেনাৰ বৰ্বৰতাৰ বাবে ৮জন সাধাৰণ লোকৰ ৬জনেই থিতাতে মৃত্যুক আকোঁৱালি লোৱাৰ হৃদয়স্পৰ্শী কাহিনীয়ে দৰাচলতে মানৱ অধিকাৰ ভূ-লুণ্ঠিত হোৱা নুসূচায়নে? দৰাচলতে মানৱ অধিকাৰ বুলিলে সেইবোৰ অধিকাৰক প্ৰতিনিধিত্ব কৰে, যিবোৰ প্ৰাকৃতিকভাৱে জন্মসিদ্ধ। যাৰ অবিহনে এজন ব্যক্তি প্ৰকৃত মানুহ হৈ মৰ্যাদাপূৰ্ণ স্বাভাৱিক জীৱন ধাৰণত বাৰুকৈয়ে আহুকালৰ সৃষ্টি হয়। এইবোৰ মৌলিক, জন্মগত, হস্তান্তৰবিহীন মানৱ অধিকাৰ মানৱ সমাজত বাৰুকৈয়ে অপৰিহাৰ্য। জাতি, বৰ্ণ, লিংগ, স্থান নিৰ্বিশেষে সকলো ব্যক্তিয়ে ভোগ কৰা মানৱ অধিকাৰক ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ হিচাপে সন্নিৱিষ্ট কৰা হৈছে। মানুহ হিচাপে জীয়াই থাকিবলৈ প্ৰয়োজনীয় সকলো ধৰণৰ অধিকাৰ অন্তৰ্ভুক্ত মানৱ অধিকাৰত। অতি ব্যাপক মানৱ অধিকাৰৰ সংজ্ঞা নিৰূপিত কৰিছে ৰাষ্ট্ৰসংঘৰ দ্বাৰা এনেধৰণে— 'মানৱ অধিকাৰ এজন ব্যক্তিৰ সমগ্ৰ বিকাশ আৰু মানৱীয় গুণসমূহ যেনে- বুদ্ধিমত্তা, প্ৰতিভা আৰু বিবেকৰ সুপ্ৰয়োগ আৰু ব্যক্তিৰ আধ্যাত্মিক সন্তুষ্টিৰ নিশ্চয়তা প্ৰদান কৰে। 'প্ৰণিধানযোগ্য যে আমাৰ ৰাজ্যতহে অকল মানৱ অধিকাৰ উলংঘনৰ সমস্যাটো গা কৰি উঠিছে এনে নহয়, সমগ্ৰ বিশ্বতে ইয়াৰ কলীয়া ডাৱৰে গো-গ্ৰাসে গিলি ধৰিছে। এইটো স্বতঃসিদ্ধ যে মানুহৰ মৰ্যাদা আৰু স্বাধীনতা সম্পূৰ্ণৰূপে সুৰক্ষিত কৰিব নোৱাৰিলে কল্যাণৰ সূৰুয উদয় হোৱা মুঠেই আশা কৰিব নোৱাৰি। মানৱ অধিকাৰৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰণৰ সত্ত্বেও উলংঘন হৈ থকাটো সঁচাকৈ বিচাৰ্যৰ বিষয়। গতিকে ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধি ৰাষ্ট্ৰসমূহে সন্মিলিত হৈ মানৱ অধিকাৰ শ্ৰেষ্ঠতম সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে ঘোষণা-পত্ৰ গ্ৰহণ কৰিবলগীয়া হৈছিল। বিশ্বজনীন এই অধিকাৰক ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে সৰ্বজনীন মানৱ অধিকাৰ হিচাপে ঘোষণা কৰিছিল। তেতিয়াৰ পৰা ১০ ডিচেম্বৰ তাৰিখটো 'মানৱ অধিকাৰ দিৱস' হিচাপে পালন কৰি অহা হৈছে একোটা নতুন বিষয়বস্তু নিৰ্বাচিত কৰি। চলিত বৰ্ষত মানৱ অধিকাৰ দিৱসৰ শ্ল'গান হ'ল— EQUALITY - Reducing inequalities, advancing rights. অৰ্থাৎ সমতা-অসমতা হ্ৰাস কৰক, মানৱ অধিকাৰ আগবঢ়াওক। স্মৰ্তব্য যে সমতা আৰু বৈষম্যহীনতাৰ নীতিসমূহ মূলতঃ মানৱ অধিকাৰৰ হৃদপিণ্ডসদৃশ। গতিকে ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধি ৰাষ্ট্ৰসমূহৰ সকলো লোকৰ বাবে সমান সুযোগ সৃষ্টি কৰিবলৈ বৈষম্য বৰ্জন কৰিবলৈ আহ্বান জনায় এই বিশেষ দিনটোত। ৰাষ্ট্ৰসংঘই আৰু সংযোগ কৰে যে ক'ভিড-১৯ নামৰ মহামাৰীটোৱে সৰ্বত্ৰ চলোৱা ধ্বংসযজ্ঞৰ ফলত সংকট, দৰিদ্ৰতা, অসাম্যাৱস্থা, বৈষম্য আদি বৃদ্ধি পোৱাত যথেষ্ট ইন্ধন যোগায়। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ মতে আমি আকৌ এখন উন্নত, অধিক স্থিতিস্থাপক আৰু অধিক বহনক্ষম পৃথিৱী এখন পুনৰ নিৰ্মাণ কৰাৰ বাবে এই ব্যৱধানবোৰ বন্ধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। পৰিশেষত ক'ব বিচাৰোঁ যে যি মানৱ অধিকাৰে মানুহক পৰস্পৰে পৰস্পৰৰ অধিকাৰক সন্মান কৰিবলৈ শিকাই, মানৱীয় প্ৰমূল্যবোধৰ ৰক্ষণাবেক্ষণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰে তাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাটো নিতান্ত বাঞ্ছনীয়। যথোচিত সন্মান প্ৰদৰ্শন আৰু দায়িত্ববোধ জ্ঞানে সঁচা অৰ্থত মানৱ অধিকাৰক উচ্চ শিখৰত আৰোহণ কৰিব। তেতিয়া নিশ্চয় মানৱ সমাজ, ৰাষ্ট্ৰৰ সামগ্ৰিক বিকাশত জীৱনৰ অবিচ্ছেদ্য অংগ এই মানৱ অধিকাৰ মংগল-মন্দিৰৰ চিৰন্তন নৈৱেদ্য হৈ ৰ'ব।

## পাঠশালাত ‘স্মৃতিৰ দাপোণত’ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বজালী, ৯ ডিচেম্বৰ ঃ** বজালী জিলাৰ পাঠশালা জ্যোতিনগৰ নিবাসী অঞ্চলটোৰ এজন বিশিষ্ট ব্যক্তি সমাজকৰ্মী প্ৰয়াত কনক চন্দ্ৰ ভাগৱতীৰ বৰ্ণিল জীৱনৰ ওপৰত আলোকপাত কৰি প্ৰকাশ কৰা ‘স্মৃতিৰ দাপোণ’ নামৰ গ্ৰন্থ এখন উন্মোচন কৰা হয় । প্ৰয়াত ভাগৱতীৰ বাসগৃহত তেওঁৰ এবছৰীয়া মৃত্যু তিথি উপলক্ষে আয়োজন কৰা সভাত ‘স্মৃতিৰ দাপোণ’ উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ, অৱসৰী অধ্যাপক মুৰাৰি মোহন দত্তই । গ্ৰন্থখন উন্মোচন কৰি দত্তই কয়- ১৯৩৫ চনত নলবাৰী জিলাৰ কৈঠালকুছিৰ ভাগৱতীপাৰাত এটি সংস্কৃতিৱান নৈষ্ঠিক পৰিয়ালত জন্ম গ্ৰহণ কৰি পিছলৈ অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ চাকৰিত যোগদান কৰে। আনহাতে পিছত কৰ্মসূত্ৰে পাঠশালাৰ জ্যোতিনগৰত নিগাজিকৈ থাকিবলৈ লয়। বজালী মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক ডঃ খগেন্দ্ৰ নাথ দেৱশৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী সভাত শিক্ষাবিদ দত্তই কয়- প্ৰয়াত ভাগৱতী আছিল এজন সদাচাৰী আৰু নিয়মানুৱৰ্তী ব্যক্তি । গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকি বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক তথা সাহিত্যিক প্ৰফুল্ল গোস্বামীয়ে কয়- এনেকুৱা গ্ৰন্থই এজন ব্যক্তি নতুনকৈ আৱিষ্কাৰ কৰাত সহায় কাৰে । অনুষ্ঠানত পাঠশালা সাংস্কৃতিক সংঘৰ অধ্যক্ষ সুবোধ চৌধুৰীয়ে প্ৰয়াত ভাগৱতীৰ বৰ্ণিল জীৱনৰ ওপৰত বহুতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে। আনহাতে পিতৃৰ কৰ্মজীৱনৰ ওপৰত আলোপাত কৰে জ্যেষ্ঠ পুত্ৰ নিৰোধ ভাগৱতীয়ে। অনুষ্ঠানৰ আগতে বন্তি প্ৰজ্বলন কৰে প্ৰয়াত ভাগৱতীৰ সহধৰ্মিণী চাৰু দেৱীয়ে।

# বইটামাৰী উন্নয়ন খণ্ডৰ পশ্চিম মাজেৰ আলগা গাঁও পঞ্চায়তত দুৰ্নীতি

## সভাপতিৰ বিৰুদ্ধে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক আমছুৰ স্মাৰক-পত্ৰ প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৯ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম মাজেৰ আলগা গাঁও পঞ্চায়তত সংঘটিত সীমাহীন দুৰ্নীতি - লুণ্ঠনৰ তদন্তৰ দাবীত উত্তৰ শালমাৰা জিলা আমছুৱে কালি বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰে। পঞ্চায়তখনৰ সভাপতি মহম্মদ আলীয়ে চতুৰ্দশ বিত্তীয় আয়োগৰ বিভিন্ন আঁচনি ৰূপায়ণ নামত লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৰ উত্তৰ শালমাৰা জিলা সমিতিৰ সভাপতি বাহাৰুল ইছলামৰ নেতৃত্বত দলৰ কেইগৰাকীমান বিষয়ববীয়াই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া নন্দিৰা য়াছমিনক স্মাৰকপত্ৰ প্ৰদান কৰি পঞ্চায়তৰ সভাপতিগৰাকীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি তেওঁৰ সমগ্ৰ কু-কীৰ্তি আৰু দুৰ্নীতিৰ বিৰুদ্ধে শীঘ্ৰে তদন্তৰ কৰি বিহিত ব্যৱস্থাৰ দাবী জনাইছে। স্মাৰকপত্ৰত সংগঠনটোৱে উল্লেখ কৰা মতে পঞ্চায়ত ভৱন নিৰ্মাণৰ নামত সভাপতি মহম্মদ আলীয়ে ঠিকাদাৰৰ সৈতে মিলি ব্যাপক দুৰ্নীতি সংঘটিত কৰি ভৱন নিৰ্মাণত ব্যৱহাৰ কৰা কাঠ, ইটা, বালি, চিমেণ্ট আদি অতি নিম্নমানৰ বুলি উল্লেখ কৰিছে। সংগঠনটোৱে এম জি এনৰেগা আঁচনিৰ নামমাত্ৰ কাম কৰি কাগজে-কলমে কাম সম্পূৰ্ণ কৰা দেখুৱাই সভাপতি গৰাকীয়ে বহু ধন লুট কৰাৰ অভিযোগো উত্থাপন কৰিছে। সংগঠনটোৱে স্মাৰকপত্ৰত উল্লেখ কৰা মতে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত নিৰ্মাণ কৰা কালভাৰ্টসমূহো অতি নিম্নমানৰ হৈছে। এনে পৰিপ্ৰেক্ষিতত কেইবাটাও কালভাৰ্টত এতিয়াই ফাট মেলিছে । আনহাতে সভাপতিগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনৰ হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহ কৰাৰ অভিযোগ স্মাৰকপত্ৰত উল্লেখ কৰে সংগঠনটোৱে। সভাপতিগৰাকীয়ে এনে বহু দুৰ্নীতি-অনিয়মৰ মাজেৰে লাখ লাখ টকা লুট কৰাৰ অভিযোগ কৰি সংগঠনটোৱে ইয়াৰ বিৰুদ্ধে শীঘ্ৰে এক তদন্তযোগে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। অন্যথা সংগঠনটোৱে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিছে। উল্লেখ্য যে গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি তথা অনিয়ম সংঘটিত কৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছত নিশ্চিত বিপদৰ আশংকা কৰি সভাপতি মহম্মদ আলীয়ে হিতাহিত জ্ঞান হেৰুৱাই সাংবাদিকক ৰুধিবলৈ আইনৰ ভয় দেখুওৱাতেই ক্ষান্ত নাথাকি এতিয়া বিভিন্ন কূট-কৌশলত নামি পৰিছে।



## দিচৈৰ নিকৰিত বান আশ্ৰয় শিবিৰৰ শুভ উদ্বোধন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৯ ডিচেম্বৰ ঃ** বোকাখাত বিধান সভা সমষ্টিৰ দিচৈ গাঁও পঞ্চায়তৰ নিকৰিত কালি গোলাঘাট জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া ধীৰাজ দাসে PWC য়ে প্ৰদান কৰা ১৬ লাখ টকাৰে NEEDS আৰু SEEDS এ নিৰ্মাণ কৰা ‘দিচৈ বান আশ্ৰয় শিবৰ’ ৰঙা ফিতা কাটি শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ প্ৰাকক্ষণত বৃক্ষ ৰোপণ কৰে জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া ধীৰাজ দাসে। দিচৈ গাঁও পঞ্চায়তৰ সভাপতি নৰেন বৰিয়ে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে দাবোল সিং পাঠৰীৰ নেতৃত্বত অহা মিছিং গুমৰাগ নৃত্যৰ দলটিৰ পিছতে অনুষ্ঠিত সভাত উপস্থিত থাকি বক্তব্য আগবঢ়ায় গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত মুন গগৈ, গোলাঘাট জিলা গ্ৰাম্য অভিকৰণ প্ৰকল্প সঞ্চালক অভিনাশ শইকীয়া, গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ববিতা শইকীয়া NEEDS ৰ মেনেজিং ডাইৰেক্টৰ তীৰ্থ শইকীয়াইৰ উপৰি মুম্বাইৰ পৰা অহা NEEDS ৰ কৰ্মকৰ্তা জুছাফা মল্লিক আৰু মেলিন্দাই বক্তব্য আগবঢ়াই উক্ত বান শিবিৰটোৱে ৰাইজক যথেষ্ট সহায় কৰাৰ লগতে কলা-সংস্কৃতি ধৰি ৰখাত সহায় কৰিব বুলি আশাবাদী বুলি কয়। বান বিধ্বস্ত অঞ্চলটোৰ ৰাইজ বাৰিষাৰ সময়ত আশ্ৰয় লোৱাৰ উপৰি খৰালি সময়ত উক্ত শিবিৰ গৃহটিত বিভিন্ন ধৰণৰ সভা-সমিতি, কৰ্মশালা, নৃত্য-গীতৰ প্ৰশিক্ষণ সামাজিক অনুষ্ঠান আদি অনুষ্ঠিত কৰিব পৰাকৈ সুন্দৰ ভাৱে সাজি উলিয়াইছে আৰ্কিটেক্ট আৰ্কাদ্বীপ ৰয়, কুসুম্বৰ চৌধুৰী আৰু NEEDS ৰ CO. ORDINATE তীৰ্থ প্ৰসাদ শইকীয়াই। ওপৰৰ অংশটো সম্পূৰ্ণ বাঁহেৰে নিৰ্মিত গৃহটো নিৰ্মাণৰ ক্ষেত্ৰত তত্বাৱধানত কৰে তীৰ্থ চেত্ৰী আৰু উমানন্দ পাঠৰীয়ে। দিচৈ গাঁও পঞ্চায়ত আৰু বোকাখাত চক্ৰ বিষয়া কাৰ্যালয়ে পৰিচালনা কৰিব লগা গৃহটো নিৰ্মাণত প্ৰত্যক্ষভাৱে সহায় কৰে দিচৈ গাঁও পঞ্চায়তৰ সভাপতি নৰেন বৰিয়ে। উল্লেখযোগ্য যে সমগ্ৰ বান বিধ্বস্ত দ অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে গৃহ নিৰ্মাণৰ বাবে ভূমি দান কৰা লক্ষ্য লইঙক অঞ্চলবাসীয়ে ধন্যবাদ জনাইছে।

# ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহলৈ গহপুৰৰ ছাত্ৰৰ প্ৰকল্প

## ‘এটা বিজ্ঞানসন্মত আহিলা’ প্ৰকল্পৰ বাবে নিৰ্বাচিত অষ্টম শ্ৰেণীৰ ছাত্ৰ হীৰকজ্যোতি বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাৰাজান, ৯ ডিচেম্বৰ ঃ** গুজৰাটৰ আহমেদাবাদৰ বিজ্ঞান কেন্দ্ৰত অহা ২৭ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈকে অনুষ্ঠিত হ’ব লগা ২৯সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত বিজ্ঞানৰ প্ৰকল্প প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হৈছে গহপুৰ গোপালপুৰৰ নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী ছাত্ৰ। যোৱা ৭ ডিচেম্বৰত বিশ্বনাথ মহাবিদ্যালয়ত ভিডিঅ’ কনফাৰেন্স যোগে অনুষ্ঠিত হোৱা ৰাজ্যিক পৰ্যায়ৰ শিশু বিজ্ঞান সমাৰোহত ‘বহনক্ষম জীৱন-যাপনৰ বাবে বিজ্ঞান’ শীৰ্ষক বিষয়বস্তুৰ ওপৰত নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ক্ৰমে হীৰকজ্যোতি বৰা আৰু সহযোগী নিপু বৰুৱাই প্ৰদৰ্শন কৰা ‘সামাজিক দূৰত্ব বজাই ৰখাত সহায় কৰা এটা বিজ্ঞান সন্মত আহিলা’ শীৰ্ষক প্ৰকল্পৰ বাবে ৰাষ্ট্ৰীয় শিশুবিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত হৈছে। উল্লেখ্য যে বিদ্যালয়খনৰ এগৰাকী বিজ্ঞান শিক্ষয়িত্ৰী গায়ত্ৰী বৰকটকীৰ তত্বাৱধানত অষ্টম শ্ৰেণীৰ ছাত্ৰ হীৰকজ্যোতি বৰাই তৈয়াৰ কৰা ‘সামাজিক দূৰত্ব বজাই ৰখাত সহায় কৰা এটা বিজ্ঞান সন্মত আহিলা’ শীৰ্ষক প্ৰকল্পটোত সহযোগী হিচাপে সহযোগিতা আগবঢ়াইছে অষ্টম শ্ৰেণীৰে ছাত্ৰ নিপু বৰুৱাই। শিক্ষয়িত্ৰী গায়ত্ৰী গোস্বামীৰ তত্বাৱধানতে ছাত্ৰদ্বয়ে উক্ত প্ৰকল্পটো জিলা পৰ্যায় আৰু ৰাজ্যিক পৰ্যায়ত প্ৰদৰ্শন কৰাৰ পাছতে যোৱা ৮ ডিচেম্বৰত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত হোৱা বুলি এখন নিমন্ত্ৰণী পত্ৰ লাভ কৰে নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ললিত কেওটে। গহপুৰ মহকুমাৰ এখন উল্লেখযোগ্য উচ্চ শিক্ষানুষ্ঠান হিচাপে পৰিচিত নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰই ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিশু বিজ্ঞান সমাৰোহত প্ৰকল্প প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হোৱাত স্বাভাৱিকতেই উৎফুল্ল হৈ পৰিছে বিদ্যালয়ৰ অধ্যক্ষ ললিত কেওট, বিজ্ঞান প্ৰকল্পটোৰ তত্বাৱধায়িকা শিক্ষয়িত্ৰী গায়ত্ৰী বৰকটকীৰ লগতে বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। উল্লেখ্য যে অহা ২৭ তাৰিখৰ পৰা গুজৰাটত অনুষ্ঠিত হ’ব লগা ২৯ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অংশগ্ৰহণ কৰিবৰ বাবে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে ছাত্ৰদ্বয়ে। ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে সুবিধা লাভ কৰা হীৰকজ্যোতি বৰা গোপালপুৰৰ এগৰাকী কৃষক মদন বৰাৰ পুত্ৰ হোৱাৰ বিপৰীয়ে নিপু বৰুৱা পঞ্চায়তৰ সচিব যজ্ঞেশ্বৰ বৰুৱাৰ পুত্ৰ। দুয়ো ছাত্ৰই ৰাষ্ট্ৰীয় পৰ্যায়ত বিদ্যালয়ৰ লগতে অসমৰ নাম উজলাবলৈ সক্ষম হ’ব বুলি আশাবাদী বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় ৰাইজ।






## ৰঙিয়াত মুক্তি আসন্ন কথাছবিৰ প্ৰচাৰ আৰম্ভ প্ৰযোজক গোষ্ঠীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ৯ ডিচেম্বৰ ঃ** কৰ’না মহামাৰীৰ সন্ত্ৰাস নিয়ন্ত্ৰণ হৈ সময়তে ৰাজ্য চৰকাৰে চিনেমাগৃহ ৫০ শতাংশ আসনেৰে মুকলি কৰি দিছে। এনে সন্ধিক্ষণত অহা ১৭ ডিচেম্বৰত মুক্তি লাভ কৰিব বহুচৰ্চিত আৰু পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰ ‘দিঠকত হেৰাল সপোনে’। দৰ্শকক আকৰ্ষিত কৰিবলৈ অসমৰ বিভিন্ন জিলাৰ দহটা চলচ্চিত্ৰগৃহত মুক্তি লাভ কৰিবলগীয়া দিঠকত হেৰাল সপোনৰ পৰিচালক পঙ্কজ পল্লৱ শৰ্মাই জানিবলৈ দিয়া মতে ৰঙিয়াৰ গাঁৱে-ভূঞে প্ৰচাৰ আৰম্ভ কৰিছে। ঘৰে ঘৰে প্ৰচাৰ কৰিবলৈ শিল্পী কলা-কুশলীসকলক লৈ কেইবাটাও দল গঠন কৰিছে। দলসমূহৰ নেতৃত্ব বহন কৰিছে পৰিচালক পংকজ পল্লৱ শৰ্মা, প্ৰযোজক অজিত বৰ্মন, কাৰ্যবাহী প্ৰযোজিকা মনালিছা গোস্বামীৰ লগতে অঞ্জু কলিতা, হৰিশ তালুকদাৰ আদিয়ে। ‘আমি চাম, আপুনি চাওক, আন দহজনকো চাবলৈ কওক’ —এই শ্লোগান লৈ প্ৰযোজক গোষ্ঠীয়ে প্ৰচাৰ অভিযান তুংগত তুলিছে।

## গলিয়া প্ৰাথমিকৰ বিদ্যালয়ৰ দুৰৱস্থা

### বাৰাণ্ডাত বহি শিকাৰুৱে পাঠদান লোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৯ ডিচেম্বৰ ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ঠিক দুবছৰ পাছতে অনগ্ৰসৰ অঞ্চল এটাৰ শৈক্ষিক উত্তৰণৰ বাবে কিছুমান গুণী-জ্ঞানী ব্যক্তিৰ ছত্ৰছায়াত স্থাপন হৈছিল গলিয়া প্ৰাথমিক বিদ্যালয়, যিখন নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গলিয়া (কটকীয়া) গাঁৱত অৱস্থিত। বিদ্যালয়খন স্থাপন কৰাৰ আঁৰৰ মূল ব্যক্তিজন আছিল বৰ্তমান অসমৰ গতিশীল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ককাক প্ৰয়াত বিশ্বনাথ শৰ্মা। বিদ্যালয়খন মুখ্যমন্ত্ৰীৰ পিতৃভূমিৰ পৰা মাত্ৰ দুই কিল’মিটাৰ আঁতৰত অৱস্থিত। বিদ্যালয়খনত বৰ্তমান কৰ্মৰত তিনিজন শিক্ষকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সত্তৰৰ ঊৰ্ধ্বত। সেই অনুপাতে বিদ্যালয়খনত আন্তঃগাঁথনি (শ্ৰেণীকোঠাৰ অভাৱ) হোৱা বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে বিগত অসম গণ পৰিষদ চৰকাৰৰ প্ৰথমটো আমোলত ৪৮ ফুট দৈৰ্ঘ্যৰ এটি পকী গৃহ নিৰ্মাণ কৰিছিল যদিও সেইটোও এতিয়া তথৈবচ ত পৰিণত হৈছে। ফলত ছাত্ৰ-ছাত্ৰীৰ একাংশই বাৰাণ্ডাত বহি পাঠ গ্ৰহণ কৰিব লগা হৈছে। সৰ্বশিক্ষাৰ দৰে ব্যয়বহুল আঁচনিয়েও ইয়াক স্পৰ্শ কৰিব নোৱাৰাটো এক সাঁথৰ হৈ ৰৈছে। বিদ্যালয়খনৰ এনেবোৰ সমস্যাৰ কথা তদানীন্তন বিধায়ক অশোক শৰ্মা বিদ্যালয়খনে আয়োজন কৰা এখন সভালৈ আহি বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ মাতৃ, সাহিত্য সভাৰ উপ সভানেত্ৰী মৃণালিনী দেৱীৰ সন্মুখতে সমাধান কৰিম বুলি কৈছিল যদিও কাৰ্যক্ষেত্ৰত একো নহ’ল। এই ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী বিনীতা তালুকদাৰ আৰু প্ৰধান শিক্ষক গিৰীন্দ্ৰ কাশ্যপে জনোৱা মতে বিগত বৰ্ষৰ শেষৰ ফালে ৰাইজৰ চহী সম্বলিত এখন স্মাৰকপত্ৰ সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকক দি তাৰ প্ৰতিলিপি অসমৰ মুখ্যমন্ত্ৰীলৈও প্ৰেৰণ কৰা হৈছিল যদিও কোনো সঁহাৰি লাভ কৰা নাই। এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী আৰু নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ পৰা যোগাত্মক সঁহাৰি পাব বুলি ৰাইজে আশাৰে বাট চাই ৰ’ল।




## লাহৰীঘাটত অবৈধ ৱেব পৰ্টেলৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ ডিচেম্বৰ ঃ** জধে-মধে বাতৰি পৰিৱেশন কৰি সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ অভিযোগ। অবৈধ ৱেব পৰ্টেলক নাকী লগাবলৈ জনসংযোগ মন্ত্ৰীক দাবী প্ৰতিবাদী ৰাইজৰ। ৰাজ্যৰ আন প্ৰান্তৰ লগতে লাহৰীঘাট অঞ্চলতো অব্যাহত আছে একাংশ পাবত গজা ৱেব পৰ্টেলৰ দৌৰাত্ম্য। তথ্য-পাতি কোনো ধৰণৰ পৰীক্ষা নকৰাকৈয়ে কেৱল টকা ঘটাৰ স্বাৰ্থতে ৰাইজক বিভিন্ন ধৰণেৰে ব্লেক মেইলিং কৰি হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে অবৈধ ৱেব পৰ্টেলৰ বিৰুদ্ধে। ভূৱা বাতৰি পৰিৱেশনৰ অভিযোগত এটা অবৈধ ৱেব পৰ্টেলৰ বিৰুদ্ধে তেনেদৰেই ওলাই আহিল প্ৰায় শতাধিক ৰাইজ। অবৈধ ৱেব পৰ্টেলৰ বিৰুদ্ধে এনেদৰেই বিভিন্ন শ্ল’গানেৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে জনসংযোগ মন্ত্ৰীক অবৈধ ৱেব পৰ্টেলসমূহক নাকী লগাবলৈ আহ্বান জনায় প্ৰতিবাদী ৰাইজে। উল্লেখ্য যে লাহৰীঘাট অঞ্চলত এতিয়া সুলভ হৈ পৰিছে অবৈধ ৱেব পৰ্টেল। সংবাদ মাধ্যমৰ কোনো ধৰণৰ আনুষ্ঠানিক ডিগ্ৰী-ডিপ্লমা নোলোৱাকৈ ঘৰতে বহি ফেচবুকত পেজ খুলি বিভিন্ন নাম দি নিশাৰ ভিতৰতে সাংবাদিক সৃষ্টি কৰি সংবাদ জগতখনক কলুষিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। সমগ্ৰ বিষয়টো জনসংযোগ মন্ত্ৰীগৰাকীয়ে কেনেদৰে লয় সেয়াহে হ’ব লক্ষণীয়।

## ছবিলাল উপাধ্যায় মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ ৰাহুল মূৰাৰ সফলতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৯ ডিচেম্বৰ ঃ** ২৭ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অংশ গ্ৰহণ কৰি সমগ্ৰ অসমৰ ভিতৰতে নিম্ন শাখাত প্ৰথম স্থান অধিকাৰ কৰি বিদ্যালয়খনৰ লগতে সমগ্ৰ শোণিতপুৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে শোণিতপুৰ জিলাৰ নদুৱাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ছবিলাল উপাধ্যায় মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ৰাহুল মূৰাই। বিদ্যালয়খনৰ বিজ্ঞান শিক্ষক মহিৰুদ্দিন আহমেদৰ তত্বাৱধানত প্ৰস্তুত কৰা ৰাহুল মুৰাৰ বিজ্ঞান প্ৰকল্পটো আছিল খলিহামাৰী, চিতলমাৰী আৰু লালটাপু অঞ্চলত পশু চৰোৱা চাপৰ মূল্যাঙ্কন ।ৰাহুল মূৰাৰ এই প্ৰকল্পটোৱে অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি খগেন্দ্ৰ নাথ ব্ৰহ্ম বঁটা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ৰাহুল মূৰা তেনেই পিছপৰা অঞ্চল পাচিগাঁও মূঢ়াবস্তিৰ বাসিন্দা সঞ্জীৱ মূৰা আৰু গোলাপী মূৰাৰ পুত্ৰ। ৰাহুল মূৰাৰ এই সফলতাত সমগ্ৰ অঞ্চলটোতে আনন্দ-উল্লাহ দেখিবলৈ পোৱা গৈছে।

## আগ্ছুৰ ওদালগুৰি জিলা সমিতিৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৯ ডিচেম্বৰ ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, ওদালগুৰি জিলা সমিতিৰ ৪১তম্ দ্বি-বাৰ্ষিক অধিৱেশন এইবেলি ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ২নং সামৰাঙত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ উদ্দেশ্যৰে অলপতে এখন অভ্যৰ্থনা সমিতিও গঠন কৰা হৈছে। যোৱা কেইদিনমান আগতে বামুণজুলি আঞ্চলিক আগ্ছুৰ কাৰ্যালয়ত আগ্ছু ওদালগুৰি জিলা সমিতিৰ সভাপতি সোমৰাজ সোনাৰৰ সভাপতিত্বত অনুষ্ঠিত এখন সাধাৰণ সভাত ওদালগুৰি জিলা সমিতিৰ ৪১তম্ দ্বি-বাৰ্ষিক অধিৱেশন ব্যাপক প্ৰস্তুতিৰে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ডিক বাহাদুৰ চেত্ৰীক সভাপতি, বিমল চেত্ৰীক কাৰ্যকৰী সভাপতি, তিলক দুলাল, ইন্দ্ৰ চেত্ৰী, হৰি খড্কা, বিদূৰ দুলাল, মহেন্দ্ৰ চুব্বা আৰু দীপক শৰ্মাক উপ সভাপতি, গোপাল ঢকালক সাধাৰণ সম্পাদক, শুক বাহাদুৰ ৰাই, ৰাজেন থাপা, ঈশ্বৰ প্ৰধান, লেখৰাজ চেত্ৰী, মণিৰাম লিম্বু, ৰোশন বিশ্বকৰ্মা, ৰাজু শৰ্মা আৰু অগ্নি খনালক সহ সম্পাদক হিচাপে লৈ মুঠ ৪১জনীয়া অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। তদুপৰি বিত্ত বিভাগ, প্ৰচাৰ বিভাগ, মুখপত্ৰ বিভাগ, সাংস্কৃতিক বিভাগ, মঞ্চ বিভাগকে ধৰি মুঠ পোন্ধৰখন উপসমিতিও গঠন কৰা হৈছে। বৰ্তমান অধিৱেশনৰ বিভিন্ন কাৰ্যৰ লগতে প্ৰচাৰ-প্ৰসাৰো তীব্ৰ গতিত আগবাঢ়ি আছে। ওদালগুৰি জিলাৰ ভিতৰত সৰ্বমুঠ ১২টা আঞ্চলিক সমিতিৰ কাৰ্যকৰ্তাই দিনে-ৰাতি লাগি অৰ্থ সংগ্ৰহকে ধৰি অলিয়ে-গলিয়ে পোষ্টাৰ, বেনাৰ আদি আঁৰি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰি সামৰাঙলৈ আমন্ত্ৰণ জনাবলৈ ছাত্ৰ সন্থাই উঠিপৰি লাগিছে। অহা ৮ আৰু ৯ জানুৱাৰী ২০২২ত অনুষ্ঠিত হবলগীয়া আগ্ছু ওদালগুৰি জিলা সমিতিৰ অধিৱেশনত ওদালগুৰিবাসী জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো ৰাইজক অধিৱেশনত অংশগ্ৰহণ কৰি কাৰ্যসূচী সফল কৰি তুলিবলৈ আগ্ছুৰ ওদালগুৰি জিলা সমিতিয়ে আহ্বান জনাইছে।



## বনৰীয়া হাতীৰ জাকটোৱে ভাঙিলে চেলেক চাপৰিত দুটা ঘৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৯ ডিচেম্বৰ ঃ** যোৱা তিনিমাহৰ পৰা বোকাখাত মহকুমাৰ মহুৰা আৰু ৰঙামাটি মৌজাৰ উত্তৰ অংশত বিচৰণ কৰি কৃষক ৰাইজৰ পথাৰৰ শস্য খাই গচকি নষ্ট কৰা বনৰীয়া হাতীৰ জাকটো ক্ৰমাত আক্ৰমণাত্মক হৈ উঠা দেখা গৈছে। প্ৰথম অৱস্থাত ৰাতি কৃষকৰ পথাৰত প্ৰৱেশ কৰি পথাৰৰ শস্য অনিষ্ট কৰা হাতীৰ জাকটোৱে টৰ্চ লাইট অথবা মানুহৰ চিঞৰ-বাখৰ আদিলৈ ভয় কৰিছিল। কিন্তু এতিয়া ক্ৰমাৎ পথাৰসমূহত খাদ্য কমি অহাৰ লগে লগে খেদি যোৱা মানুহলৈও চোঁচা লোৱাৰ খবৰ পোৱা গৈছে। জানিব পৰা মতে কালি ৰাতি উক্ত বনৰীয়া হাতীৰ জাকটোৱে চেলেক চাপৰিৰ জিতেন মিলি আৰু মণিবৰ মিলিৰ ঘৰ ভাঙি পেলোৱাৰ উপৰি কেইবা ঘৰৰো বাৰিৰ জেওৰা ভাঙি শাক-পাচলি আদি গচকি খাই নষ্ট কৰে। দিন অতিবাহিত হোৱাৰ লগে লগে হাতীৰ জাকটোৱে আৰু অধিক অনিষ্ট কৰি ভঁৰালৰ আদিলৈ লক্ষ্য কৰাৰ আগতে বিভাগীয় কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণৰ কৰিবলৈ অনুৰোধ জনাইছে স্থানীয় ৰাইজে।



# একবিংশ শতিকাতো চৰকাৰী ৰঙা বাছৰ মানচিত্ৰলৈ নহা মাজুলীৰ এক অংশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি-মাজুলী, ৯ ডিচেম্বৰ ঃ** সভ্যতা আৰু সংস্কৃতিৰ সৈতে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক আৰু স্বাস্থ্যৰ দৰে গুৰুত্বপূৰ্ণ দিশসমূহক এক মাত্ৰা প্ৰদান কৰে যাতায়াত আৰু পৰিবহণ ব্যৱস্থাই। এটা অঞ্চলৰ এই সমূহ দিশৰ উত্তৰণৰ ক্ষেত্ৰত এই যাতায়াত অতিশয় প্ৰয়োজনীয়। একবিংশ শতিকাৰ এই বিশ্বায়নৰ যুগতো মাজুলীৰ এটি ঐতিহাসিক আৰু বৈচিত্ৰ্যময় অঞ্চল এতিয়াও পৰিবহণৰ ক্ষেত্ৰত যেন পিছপৰি আছে। মাজুলীৰ বালিগাঁও, বাপুচলা, অভয়পুৰীয়া-নৰসিংহ, ঘুনুচাবাৰী, দা-ধৰা, ৰতনপুৰ, গায়নগাঁও, লাহন গাঁও, কোটাই নাহৰণি, শিলিখাগুৰি, কঠমিয়া, ভকতিদুৱাৰ, ৰাঙলীবাহাৰ, গোসাঁই বাৰী, মূদৈবিল, নৰৰতনপুৰ, টকৌবাৰী, মিলনপুৰ, নিকিনিখোৱা, চিৰাম তেলিয়াবাৰী, কঠালখোৱা, নৱ ৰাঙলীবাহাৰ, ডুবিঘাট, মৌভেটি, পূব চিৰাম দেউৰী, পশ্চিম চিৰাম দেউৰী, বঙালকটা আদি কৰি কুৰিখনৰো অধিক গাঁও আজিও অসম চৰকাৰৰ বিয়াগোম অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত চলি থকা গ্ৰাম্য বাছ সেৱাৰ মানচিত্ৰৰ অন্তৰ্ভুক্ত নহ’ল। মাজুলীৰ এই বৃহৎ অঞ্চলৰ মূলতঃ শ্ৰীৰাম আৰু ৰতনপুৰ - গায়ন গাঁও পঞ্চায়ত দুটাৰ অন্তৰ্গত। পৰিৱৰ্তনৰ শ্লোগানেৰে জনতা জনাৰ্দনৰ আশীষ শিৰত লৈ গাদী দখল কৰা একাংশ ৰজাঘৰীয়াই এটা সময়ত সেইবোৰ গাঁৱৰে আলিয়ে-পদূলিয়ে পিনপিনাই ফুৰিছিল। বিগত সময়বোৰত কেৱল কথাৰ ফুলজাৰিৰ বাদে এইসমূহ অঞ্চলৰ ৰাইজে একোৱেই নাপালে। কিন্তু বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে এই সমূহ গাঁৱৰ বাৰিষা কালত আঁঠুৱনীয়া বোকাত খোজ কাঢ়িব লগীয়া হোৱা দিনবোৰ শেষ কৰি যাতায়াতৰ ক্ষেত্ৰত এক নতুনত্ব আনিলে। যাতায়াতৰ ক্ষেত্ৰত এই প্ৰত্যাশিত সুবিধা কৰি দিয়াৰ পাছতেই যেন দায়িত্ব সামৰিলে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মাজুলীৰ প্ৰাক্তন বিধায়ক সৰ্বানন্দ সোণোৱালে। মাজুলীৰ বৰ্তমানৰ যাতায়াত ব্যৱস্থাৰ যি পৰিৱৰ্তন সেয়া প্ৰাক্তন বিধায়ক গৰাকীৰ সু-ইচ্ছাৰ বাবেই হৈ উঠিল বুলি মাজুলীৰ সাধাৰণ ৰাইজে স্বীকাৰ কৰে। কিন্তু বৰ্তমান সময়ত মাজুলীৰ এই বৃহৎ শ্ৰীৰাম আৰু ৰতনপুৰ অঞ্চলৰ ৰাইজে পৰিবহণৰ ক্ষেত্ৰত যেন জীয়াতু ভুগিব লগা হৈছে। বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীৰ দ্বাৰা অতি সোনকালে পৰ্যাপ্ত সুবিধা অঞ্চলবাসীক প্ৰদান কৰিবলৈ দাবী জনাইছে ৰাইজে। বিশেষকৈ এই বৃহৎ অঞ্চলটো চৰকাৰী ৰঙা বাছৰ যি মানচিত্ৰ তাত অন্তৰ্ভুক্ত নোহোৱাৰ বাবে এই অঞ্চলৰ ৰাইজে দৈনিক যোৰহাটলৈ বুলি ফেৰীঘাটসমূহলৈ ব্যক্তিগত মালিকানাধীন সৰু সৰু দুই-এখন মেজিক গাড়ীত পাণ জপা দি এক যমৰ যন্ত্ৰণাৰে যাব লগা হোৱাৰ লগতে উত্তৰ অসমৰ ঢকুৱাখনা, লক্ষীমপুৰ, ধেমাজি আদিলৈ যাবলৈ কেইবাদিনৰো আগৰে পৰা চিন্তা কৰিব লাগে। এনে ঠাইসমূহলৈ যাবলৈ প্ৰায়ে এই অঞ্চলৰ ৰাইজে ব্যক্তিগত গাড়ী ভাড়া কৰিব লগীয়া হয়। ইয়াৰ উপৰি স্বাস্থ্যজনিত কাৰণত ডিব্ৰুগড়লৈ যাব লগীয়া হোৱা ৰোগী তথা আত্মীয়ই ব্যক্তিগত গাড়ী ভাড়া কৰিব লাগে। যাৰ বাবে সাধাৰণ খাটি খোৱা ৰাইজ সঘনাই বিপদত পৰিব লগা হয়। চৰকাৰী পৰিবহণৰ আঁচনি থকাৰ পিছতো অতিৰিক্তকৈ টকা দি গাঁঠিৰ ধন ভাঙি যাত্ৰা কৰিব লাগে মাজুলীৰ এই বৃহত্তৰ অঞ্চলৰ ৰাইজে। সেয়ে স্বাধীনতাৰ ইমান বছৰৰ পাছতো পৰিবহণৰ ক্ষেত্ৰত কোনো সা-সুবিধা নোপোৱা ৰাইজে অঞ্চলটোৰ সুবিধা হোৱাকৈ দৈনিক এই অঞ্চল কেইটাক সামৰি চৰকাৰী বাছ চলাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। অন্যথা এই অঞ্চলৰ ৰাইজে যুগ যুগ ধৰি এনেকৈয়ে যাতায়াত কৰিব লগা হৈ থাকিব। তদুপৰি পৰিবহণৰ অভাৱত লখিমপুৰ, ধেমাজি, ডিব্ৰুগড় অথবা উত্তৰ অসমৰ অন্য জিলাত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী সকলেও ঘৰলৈ আহিবলৈ দুৰ্ভোগ ভুগিবলগীয়া হয়। কেৱল পঢ়ি থকা সকলেইনহয়, বিভিন্ন সময়ত অনুষ্ঠিত হোৱা চাকৰিৰ পৰীক্ষা সমূহ দিয়াৰ ক্ষেত্ৰতো যাবলৈ কোনো ব্যৱস্থা নথকা বা ব্যক্তিগত গাড়ী ভাড়া কৰিবলৈ সামৰ্থ্য নথকা পৰীক্ষাৰ্থীসকলো নিৰাশাত ভোগে।



*তামিলনাডুৰ নিলগিৰি পাহাৰত সংঘটিত হোৱা হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত সেনা বিষয়া ক্ৰমে— চিডিএছ জেঃ বিপিন ৰাৱট, তেওঁৰ পত্নী মাধুলিকা ৰাৱট, লেন্সনায়ক বিবেক কুমাৰ, নায়ক গুৰুসেৱক সিং, লেন্সনায়ক বি এছ তেজা, নায়ক জিতেন্দৰ কুমাৰ, লেঃ কৰ্ণেল হৰজিন্দৰ সিং, ব্ৰিগেডিয়াৰ এল এছ লিড্ডাৰ আৰু হাবিলদাৰ শতপল ৰাজ*

# আজি সামৰিক মৰ্যাদাৰে সেনা সৰ্বাধিনায়ক বিপিন ৰাৱটৰ শেষকৃত্য

## দিল্লী পালেগৈ চিডিএছ ৰাৱট, পত্নী মধুলিকাসহ অন্য ১১গৰাকী নিহত সেনা-বিষয়াৰ মৃতদেহ, দুৰ্ঘটনাৰ তদন্তৰ বাবে এয়াৰ মাৰ্শ্বেল মানৱেন্দ্ৰ সিঙক দায়িত্ব ঃ ৰাজনাথ সিং

**নতুন দিল্লী, ৯ ডিচেম্বৰ ঃ** কাইলৈ অৰ্থাৎ ১০ ডিচেম্বৰত, শুকুৰবাৰে দিল্লীৰ কেণ্টনমেণ্টত সেনা সৰ্বাধিনায়ক জেঃ বিপিন ৰাৱট আৰু তেওঁৰ পত্নী মাধুলিকা ৰাৱটৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে বিদায় দিয়া হ'ব এইগৰাকী সাহসী ভাৰত সন্তানক। শুকুৰবাৰে দিনৰভাগত সমদল কৰি সেনা বিষয়াগৰাকীৰ নশ্বৰ দেহ কামৰাজ মাৰ্গৰ পৰা ব্ৰাৰ স্কোৱাৰ শ্মশানলৈ বুলি দিল্লী কেণ্টনমেণ্ট অভিমুখে অগ্ৰসৰ হ'ব। দিনৰ ভাগতে এইগৰাকী বীৰ সেনানীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ইফালে পুৱা ১১ বজাৰ পৰা দিনৰ ২ বজালৈকে সেনা জেঃগৰাকীৰ নশ্বৰ দেহ ৰখা হ'ব ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে। উল্লেখ্য যে আজি অৰ্থাৎ বৃহস্পতিবাৰে সেনা বিষয়া ৰাৱট আৰু অন্যান্য ১২ জনৰ নশ্বৰ দেহ বিশেষ বিমানেৰে তামিলনাডুৰ পৰা নতুন দিল্লীলৈ নিয়া হৈছে। এক শোকাকুল পৰিৱেশত বিমান বন্দৰত মৃত জোৱান আৰু বিষয়াসকলক শেষ শ্ৰদ্ধা জনোৱা পৰিলক্ষিত হৈছে। একমাত্ৰ জীৱিত বিষয়া গ্ৰুপ কেপ্টেইন বৰুণ সিং বৰ্তমানেও তামিলনাডুৰ ৱেলিংটন সামৰিক হাস্পতালত চিকিৎসাধীন হৈ আছে। বুধবাৰে দিনৰ প্ৰায় এক বজাত তামিলনাডুৰ আকাশমাৰ্গত সেনা বাহিনীৰ এখন হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হোৱাৰ পিছত অগ্নিকাণ্ড সংঘটিত হৈছিল। ফলত সেনা জেঃ বিপিন ৰাৱট, তেওঁৰ পত্নী মধুলিকা আৰু অন্যান্য ১১ জন সেনা বিষয়া-জোৱান মৃত্যুমুখত পৰে। মুঠ ১৪ গৰাকী আৰোহী উক্ত হেলিকপ্টাৰখনত আছিল যদিও সৌভাগ্যক্ৰমে কেৱল বৰুণ সিঙৰহে প্ৰাণ ৰক্ষা পৰে। ৰাছিয়াত নিৰ্মিত উচ্চ প্ৰযুক্তিৰ এম আই-১৭ ভি-৫ শীৰ্ষক হেলিকপ্টাৰখনেৰে তামিলনাডুৰ ৱেলিংটন সামৰিক একাডেমীত এখন বিশেষ বৈঠকত ভাগ লোৱাৰ বাবে ৰাওনা হৈছিল। ৬৩ বছৰীয়া বিপিন ৰাৱট আছিল ভাৰতীয় সেনাৰ চাৰিটা তাৰকাযুক্ত বিষয়া। লগতে সেনা সৰ্বাধিনায়ক অৰ্থাৎ চীফ অৱ ডিফেন্স ষ্টাফ হিচাপে ২০১৯ চনৰ জানুৱাৰী মাহত তেওঁক নিযুক্তি দিয়া হৈছিল। ১৯৫৮ৰ ১৬ মাৰ্চত উত্তৰাখণ্ডত জন্মগ্ৰহণ কৰা বিপিন ৰাৱট আছিল হিন্দু গাড়োৱালি ৰাজপুত পৰিয়ালৰ সন্তান। তেওঁৰ পৰিয়ালৰ লোকসকলে প্ৰজন্ম ধৰি ভাৰতীয় সেনা বাহিনীত যোগদান কৰি আহিছে। ৰাৱটৰ পিতৃ লক্ষ্মণ সিং ৰাৱট আৰু তেওঁ সেনা বাহিনীৰ লেঃ জেনেৰেল হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ পৰা শিক্ষাগ্ৰহণ কৰা ৰাৱটে ইণ্ডিয়ান মেলিটেৰী একাডেমীটো অধ্যয়ন কৰিছিল। চাকৰি জীৱনত বিভিন্ন পদত সফলতাৰে কাৰ্যনিৰ্বাহ কৰা ৰাৱটে ৪৩ বছৰ ধৰি কৰ্মৰত হৈ আছিল। ইফালে ৰাৱটসহ অন্যান্য আটাইকেইজন মৃত সেনা বিষয়া-জোৱানক সামৰিক মৰ্যদাৰে দেশবাসীয়ে বিদায় দিব বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে ব্যক্ত কৰিছে। আজি সংসদত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীজনে কয় যে বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে দায়িত্ব দিয়া হৈছে এয়াৰ মাৰ্শ্বাল মানৱেন্দ্ৰ সিঙক। তদন্তকাৰী দল এটাই ইতিমধ্যে তামিলনাডুৰ ৱেলিংটনত উপস্থিত হৈছে বুলি লোকসভাৰ মজিয়াত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে অৱগত কৰিছে।



## ডেৰাডুন মিলিটাৰী একাডেমীৰ কমাণ্ডেণ্ট পেৰেড বাতিল

**ডেৰাডুন, ৯ ডিচেম্বৰ ঃ** উত্তৰাখণ্ডৰ ডেৰাডুনত অৱস্থিত ইণ্ডিয়ান মিলিটাৰী একাডেমীৰ নিয়মীয়া কামাণ্ডেণ্ট পেৰেড আজি বাতিল কৰা হয়। বাহিনীৰ বিভিন্ন পদবীত অধিষ্ঠিত হোৱা বিপিন ৰাৱটে ভাৰতীয় স্থলসেনাৰ সেনাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ পিচতে স্থলসেনা, বায়ুসেনা আৰু নৌ





একাডেমীৰ জনসম্পৰ্কৰক্ষী বিষয়া কৰ্ণেল হিমানী পণ্টে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। এই একাডেমীত অধ্যয়নৰত চূড়ান্ত বৰ্ষৰ শিক্ষাৰ্থীসকলৰ বাবে আজি শেষ পৰ্যায়ৰ পেৰেড অনুশীলন আছিল। কিন্তু কালি দিনৰ ভাগত তামিলনাডুত হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত হোৱা চি ডি এছ জেনেৰেল বিপিন ৰাৱট আৰু অন্যান্যসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এই পেৰেড অনুশীলন বাতিল কৰা হৈছে। উল্লেখ্য যে এইখন মিলিটাৰী একাডেমীৰে এগৰাকী সফল শিক্ষাৰ্থী আছিল বিপিন ৰাৱাট। এই একাডেমীত শিক্ষা সম্পন্ন কৰিয়ে ভাৰতীয় সেনাবাহিনীত যোগদান কৰিছিল। বিগত প্ৰায় ৪৩ বছৰ ধৰি সেনা সেনাৰ উমৈহতীয়া মুৰব্বী হিচাপে চীফ অৱ ডিফেন্স ষ্টাফ পদত ২০১৯ চনত নিযুক্ত হৈছিল। এই পদত নিযুক্তি লাভ কৰা বিপিন ৰাৱটে আছিল প্ৰথমগৰাকী সেনাধ্যক্ষ। ১৯৭৮ত শিক্ষা সাং কৰি ভাৰতীয় সেনাবাহিনীত যোগদান কৰা বিপিন ৰাৱটে নিজৰ দক্ষতা আৰু কৃতিত্বৰে আৰু কৌশলী বুদ্ধিমত্তাৰে বহুকেইটা জটিল পৰিস্থিতিৰ মোকাবিলা কৰি ভাৰতীয় সেনাৰ গৌৰৱ বৃদ্ধি কৰিছিল। সেয়েহে ইণ্ডিয়ান মিলিটেৰী একাডেমীৰ এইগৰাকী প্ৰাক্তন কৃতী শিক্ষাৰ্থীৰ দুৰ্ঘটনাজনিত কৰুণ মৃত্যুত একাডেমীৰ শিক্ষাৰ্থী আৰু অন্যান্য কৰ্মকৰ্তাসকল শোকাহত হৈ পৰিছে। ইয়াৰ বাবেই নিয়মীয়া পেৰেড স্থগিত ৰখা বুলি ঘোষণা কৰা হৈছে।

# দুৰ্ঘটনাস্থলীত উপস্থিত চীফ এয়াৰ মাৰ্শ্বেল ভি আৰ চৌধুৰী

## তামিলনাডুৰ হেলিকপ্টাৰ দুৰ্ঘটনাই এতিয়াও কঁপাই তুলিছে সেনা শিবিৰ

**নীলগিৰি, ৯ ডিচেম্বৰ ঃ** এদিনৰ পূৰ্বে তামিলনাডুৰ নীলগিৰি পাহাৰৰ অটব্য অৰণ্যৰ মাজত দুৰ্ঘটনাগ্ৰস্ত হৈছিল ভাৰতীয় সেনা বাহিনীৰ সৰ্বাধিনায়ক বিপিন ৰাৱট আৰু অন্যান্য ১৪ জন আৰোহীক কঢ়িয়াই নিয়া এখন বিশেষ হেলিকপ্টাৰ। এই ঘটনাই দেশৰ সেনাবাহিনীৰ অন্তৰ কঁপাই তুলিছে আৰু সমগ্ৰ দেশতে শোকৰ ছাঁ পৰিছে। ইফালে আজি নিচেই পুৱাতে বিশেষ বিমানৰ জৰিয়তে তামিলনাডুৰ উক্ত দুৰ্ঘটনাস্থলীত উপস্থিত হৈছেগৈ ভাৰতীয় বায়ুসেনা বাহিনীৰ মুৰব্বী তথা চীফ মাৰ্শ্বেল ভি আৰ চৌধুৰী। সেনা বিষয়াজনে তামিলনাডুৰ ডিজিপি শৈলেন্দ্ৰ বাবুৰ সৈতে নীলগিৰি জিলাৰ কুন্নুৰ অঞ্চলত সংঘটিত হোৱা দুৰ্ঘটনাস্থল পৰিদৰ্শন কৰিছে। সেই স্থানতে ১৪জন আৰোহী কঢ়িয়াই নিয়া হেলিকপ্টাৰখন অগ্নিদগ্ধ হৈ ভূপতিত হৈছিল আৰু কেৱল এজন সেনা বিষয়াহে বৰ্তমানলৈকে জীৱিত অৱস্থাত আছে। অন্য ১৩ জনৰ মৃতদেহ কালি সন্ধিয়ালৈকে উদ্ধাৰ অভিযানৰ অন্তত লাভ কৰিবলৈ সক্ষম হৈছিল। আজি পুৱাৰ ভাগতে আটাইকেইজনৰ নশ্বৰ দেহ ৰাজধানী নতুন দিল্লীলৈ বিশেষ বিমানেৰে লৈ অনা হৈছিল। ইফালে আজি পুৱাই এয়াৰ মাৰ্শ্বেল চৌধুৰীয়ে ঘটনাস্থলীত উপস্থিত হৈ চৰজমিন অধ্যয়ন কৰিছে। ইফালে ঘটনাৰ তদন্তৰ বাবে এয়াৰ মাৰ্শ্বেল মানৱেন্দ্ৰ সিঙক দায়িত্ব দিয়া হৈছে আৰু তেওঁ কালি বিয়লিৰ ভাগতে ঘটনাস্থলীত উপস্থিত হোৱা বুলি প্ৰতিৰক্ষা মন্ত্ৰীয়ে আজি অৱগত কৰিছে। প্ৰণিধানযোগ্য এয়ে যে এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ পিছতে ভাৰতীয় স্থল সেনাৰ উপ-মুখ্য সেনাধ্যক্ষ লেঃ জেঃ চান্দি প্ৰসাদ মহান্তিয়ে কাটাৰ অভিমুখে কৰা যাত্ৰা আধাতে সামৰি দিল্লীলৈ ঘূৰি আহে। দুদিনীয়া ভ্ৰমণসূচীৰে বুধবাৰে পুৱাৰ ভাগতে কাটাৰলৈ বুলি উৰা মাৰিছিল। কিন্তু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশত উপ-মুখ্য সেনাধ্যক্ষ গৰাকীয়ে আজি পুনৰ ৰাজধানী দিল্লীলৈ ঘূৰি অহা বুলি জানিব পৰা গৈছে।



# সমাপ্ত হ'ল কৃষকৰ বৰ্ষজোৰা প্ৰতিবাদী আন্দোলন

## কৃষি আইন বাতিলৰ পিছতো চৰকাৰৰ প্ৰতি বিশ্বাসহীন হৈ আছে দেশৰ অন্নদাতা ঃ ১৫ জানুৱাৰীত পুনৰ পৰ্যালোচনা বৈঠক

**নতুন দিল্লী, ৯ ডিচেম্বৰ ঃ** সমাপ্ত হ'ল অন্নদাতা কৃষকৰ বৰ্ষজোৰা প্ৰতিবাদী কাৰ্যসূচী। কালিৰে পৰা সংযুক্ত কিষাণ মৰ্চাই দিল্লীৰ পদূলিত গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হৈছিল আৰু আজি দিনৰ ভাগত আন্দোলন প্ৰত্যাহাৰৰ সিদ্ধান্ত চূড়ান্ত কৰে। অৱশ্যে এই সিদ্ধান্ত সাময়িক বুলিও উল্লেখ কৰা হৈছে। কিয়নো কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত যে তিনিখন বিতৰ্কিত কৃষি আইন বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বাধ্য হ'ল আৰু স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষক সমাজৰ লগতে দেশবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হ'ল। আনকি এই কৃষি আইন গ্ৰহণ কৰা কাৰ্য কেন্দ্ৰীয় চৰকাৰৰ ভুল আছিল বুলিও মোদীয়ে স্বীকাৰ কৰে। ইয়াৰ বিপৰীতে কৃষকসকলৰ প্ৰস্তাৱ পাৰিত কৰে। কিন্তু সংসদত কৃষি আইন বাতিল হ'লেও কৃষকৰ উৎপাদিত ফচলৰ এম এছ পি নিৰ্ধাৰণ, কৃষকৰ বিৰুদ্ধে ৰুজু হোৱা আটাইবোৰ গোচৰ প্ৰত্যাহাৰ কৰা, বিদ্যুৎ আইন বাতিল কৰা, প্ৰতিবাদত ভাগ লৈ মৃত্যু হোৱা কৃষকৰ পৰিয়ালক ক্ষতিপূৰণ দিয়া, পাঞ্জাৱ-হাৰিয়ানাৰ কৃষকে খেতি চপোৱাৰ পিছত পথাৰত থকা ঘোষণা কৰিছে। সেই অনুসৰি আজি অৰ্থাৎ ৯ ডিচেম্বৰৰ দিনৰ ১২ বজাৰ পৰা প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছে। কাৰ্যসূচী প্ৰত্যাহাৰৰ লগে লগে বিগত বৰ্ষৰ ২৬ নৱেম্বৰৰ পৰা দিল্লী সীমান্তৰ টিক্ৰী, সিংঘু আৰু গাজীপুৰত থকা কৃষকৰ শিবিৰ তথা টেণ্টসমূহ আজি খুলি পেলোৱা দেখা গৈছে। এই আন্দোলনৰ





অন্নদাতা কৃষকৰ বিশ্বাস একেবাৰে হেৰাই গৈছে। অহা ১৫ জানুৱাৰীত কিষাণ মৰ্চাই অন্য এখন পৰ্যালোচনা বৈঠকত ভাগ ল'ব। এই বৈঠকত পৰ্যালোচনা কৰা হ'ব যে কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি কৃষকৰ কল্যাণৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখ্য কল্যাণৰ বাবে বহুকেইখন আঁচনি গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়ে। সংসদৰ চলিত অধিৱেশনৰ প্ৰথম দিনটোত অৰ্থাৎ ২৯ নৱেম্বৰ তাৰিখেই এই কৃষি আইন বাতিল কৰা হয়। চৰকাৰে এখন বিধেয়ক উত্থাপন কৰি তিনিওখন কৃষি আইন বাতিলৰ অৱশেষসূহ জুই জ্বলাই দিয়াৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰাৰ পৰা বিৰত থকা ইত্যাদি কেইবাটাও দাবী ৰূপায়ণ কৰিবলৈ বাকী আছে। সেয়েহে অহা ১৫ জানুৱাৰীত পুনৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিব বুলি প্ৰতিবাদী কৃষক নেতা গুৰনাম সিং চাদুনীয়ে সময়ছোৱাত বিগত ১২ মাহত সাত শতাধিক কৃষকে প্ৰাণ ত্যাগ কৰা বুলি প্ৰকাশ পাইছে।

# দেশত নতুনকৈ ১৫৯জনৰ মৃত্যুৰ বিপৰীতে ক'ভিডত আক্ৰান্ত ৯,৪১৯

**নতুন দিল্লী, ৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ে বৃহস্পতিবাৰে পুৱাৰ ভাগত প্ৰকাশ কৰা তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত ক'ভিডত আক্ৰান্ত হৈ ১৫৯ জনৰ মৃত্যুৰ বিপৰীতে নতুনকৈ সংক্ৰমিত হ'ল ৯,৪১৯ জন। পূৰ্বৰ দিনটোতকৈ যোৱা ২৪ ঘণ্টাত সক্ৰিয় ক'ভিড সংক্ৰমিত ১০০৯ জন বৃদ্ধি পাইছে। ইয়াকে লৈ ক'ভিডত সংক্ৰমিতৰ সংখ্যা ৩,৪৬,৬৬,২৪১ লৈ বৃদ্ধি পালে আৰু মৃত্যুৰ সংখ্যা স্পৰ্শ কৰিলে ৪,৭৪,১১১। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দিনান্তত আৰোগ্য হৈছে ৮,২৫১ জন আৰু ইয়াকে লৈ মুঠ আৰোগ্যৰ পৰিসংখ্যা হ'লগৈ ৩,৪০,৯৭,৩৮৮ জন। আৰোগ্যৰ হাৰ হ'ল ৯৮.৩৬ শতাংশ আৰু ২০২০ বৰ্ষৰ মাৰ্চৰ পৰা বৰ্তমানলৈকে আৰোগ্যৰ এই পৰিসংখ্যা সৰ্বাধিক হিচাপে চিহ্নিত হৈছে। ইফালে মুঠ সংক্ৰমিতৰ ০.২৭ শতাংশ এতিয়াও আক্ৰান্ত হৈ আছে আৰু ইয়াকে লৈ সক্ৰিয় সংক্ৰমিতৰ সংখ্যা ৯৪,৭৪২ জন বুলি কোৱা হৈছে। বিগত ৬৬ দিন ধৰি সংক্ৰমণ ২ শতাংশৰ নিম্নগামী হৈ আছে আৰু দৈনিক সংক্ৰমিতৰ হাৰ ০.৭৩ শতাংশ বুলি প্ৰকাশ পাইছে। এক শতাংশতকৈ কম সংক্ৰমিত হৈ আছে যোৱা ২৫ দিন ধৰি একেৰাহে। ইফালে দেশত যোৱা ১৬ জানুৱাৰীৰ পৰা ক'ভিড ভেকচিন প্ৰদান কৰি থকা হৈছে আৰু বৰ্তমানলৈকে ১৩০.৩৯ কোটি ড'জ ভেকচিন দেশবাসীক প্ৰদান কৰা হৈছে। প্ৰণিধানযোগ্য এয়ে যে সমগ্ৰ বিশ্বত এতিয়া ক'ভিড ভাইৰাছৰ নতুন ভেৰিয়েণ্ট অ'মিক্ৰ'নক লৈ ত্ৰাসৰ সৃষ্টি হৈছে। বৰ্তমানলৈকে ৫৭ খন দেশত অ'মিক্ৰন সংক্ৰমিত হোৱা বুলি বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰিছে। যোৱা নৱেম্বৰ মাহত দক্ষিণ আফ্ৰিকাত ধৰা পৰা অ'মিক্ৰন ভাইৰাছক যোৱা ২৬ নৱেম্বৰ তাৰিখে নামাংকিত কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। ভাৰততো তিনিখন চহৰত ক্ৰমে বাংগালুৰু, গুজৰাট আৰু মুম্বাইত অ'মিক্ৰন ভাইৰাছৰ দ্বাৰা আক্ৰান্ত লোকৰ উপস্থিতি নিশ্চিত কৰা হৈছে। সেয়েহে বিদেশৰ পৰা অহা বিশেষকৈ দক্ষিণ আফ্ৰিকা আৰু অন্যান্য আফ্ৰিকীয় দেশসমূহৰ পৰা অহা লোকসকলৰ স্বাস্থ্য পৰীক্ষা বাধ্যতামূলক কৰিছে কেন্দ্ৰীয় চৰকাৰে।



# জাৰ্মানীৰ চেঞ্চেলৰ পদত অধিষ্ঠিত হ'ল অ'লাফ চুলজ

## প্ৰধানমন্ত্ৰী মোদীৰ অভিনন্দন

**বাৰ্লিন, ৯ ডিচেম্বৰ ঃ** জাৰ্মানীৰ নতুন চেঞ্চেলৰ তথা দেশৰ প্ৰশাসনীয় মুৰব্বী হিচাপে নিৰ্বাচিত হৈছে অ'লাফ চুলজ। এইগৰাকী নেতাই বিগত ৩১ বছৰ ধৰি দেশখনৰ ৰাজনৈতিক পথাৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছিল। তেওঁ বৰ্তমানৰ চেঞ্চেলৰ এঞ্জেলা মাৰ্কেলৰ ১৬ বছৰীয়া নেতৃত্বৰ উত্তৰাধিকাৰী হিচাপে আজি দায়িত্ব গ্ৰহণ কৰিছে। উল্লেখ্য যে নতুন চেঞ্চেলৰগৰাকীৰ প্ৰতি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জ্ঞাপন কৰিছে। জাৰ্মানীৰ ফেডাৰেল চেঞ্চেলৰ হিচাপে বুধবাৰে তেওঁ মনোনীত হৈছিল আৰু ইয়াৰ পিছতে আজি দায়িত্ব গ্ৰহণ কৰিছে। আগন্তুক সময়ত ভাৰত আৰু জাৰ্মানীৰ মাজৰ কৌশলগত দ্বিপাক্ষিক সম্পৰ্ক অধিক কটকটীয়া হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। অতিশয় মৃদুভাষী আৰু মাৰ্জিত আচৰণৰ বাবে সকলোৰে মাজত প্ৰিয়পাত্ৰ এইজন নেতাৰ বয়স হ'ল ৬৩ বছৰ। তেওঁ দীৰ্ঘদিন ধৰি ছ'চিয়েল ডেম'ক্ৰেটিক দলৰ পৰা জাৰ্মানীৰ সংসদলৈ নিৰ্বাচিত হৈ আহিছিল। বিগত ৩১ বছৰ ধৰি জাৰ্মানীত ক্ষমতা দখল কৰি অহা এঞ্জেলাৰ কাৰ্যকালৰ সময়ত অ'লাফ আছিল উপ-চেঞ্চেলৰ পদত। ৰাজনৈতিকভাৱে অতি সুদক্ষ অ'লাফে চেঞ্চেলৰ পদলৈ নিৰ্বাচিত হ'বৰ বাবে ভোট যুদ্ধত জয়ী হৈছিল সংসদৰ মজিয়াত। দেশখনৰ নৱমগৰাকী চেঞ্চেলৰ হিচাপে আজি দায়িত্ব গ্ৰহণ কৰি জাৰ্মানীৰ গৌৰৱ আৰু স্বাভিমান অক্ষুণ্ণ ৰখাৰ অংগীকাৰ কৰিছে নতুন মুৰব্বী গৰাকীয়ে। লগতে বিভিন্ন দেশে অভিনন্দন জ্ঞাপন কৰিছে নতুন মুৰব্বী অ'লাফলৈ।





*অভিনেত্ৰী তথা মডেল দিয়া মিৰ্জাই পৰম্পৰাগত সাজ পৰিধান কৰি কেমেৰাৰ সন্মুখত প'জ দিয়া দেখা গৈছে*

# দিল্লীৰ ৰোহিণী আদালতত বিস্ফোৰণ, আহত ১

**নতুন দিল্লী, ৯ ডিচেম্বৰ ঃ** দেশৰ ৰাজধানী নতুন দিল্লীত অৱস্থিত ৰোহিণী আদালত চৌহদত আজি দিনটোৰ কাম-কাজ আৰম্ভ হোৱাৰ পিছতে সংঘটিত হোৱা এক বিস্ফোৰণে তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰে। প্ৰাপ্ত তথ্য মতে পুৱা প্ৰায় চাৰে দহ বজাত এই বিস্ফোৰণে কঁপাই যায় সমগ্ৰ আদালত চৌহদ। ১০২ নং বিচাৰকক্ষৰ কাষতে এই বিস্ফোৰণ সংঘটিত হৈছিল। লগে লগে অগ্নিৰ সূত্ৰপাত হয় যদিও সাতখনকৈ অগ্নিনিৰ্বাপক বাহনে তৎমুহূৰ্ততে উপস্থিত হৈ জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি অতি কম প্ৰাবল্যৰ বিস্ফোৰক আছিল আৰু সেয়েহে সাংঘাটিকধৰণে ক্ষয়-ক্ষতি নহ'ল। বিস্ফোৰণৰ স্থলীত উপস্থিত থকা এজন ব্যক্তি জখম হৈছে যদিও তেওঁক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। এই বিস্ফোৰণৰ পিছতে ঘটনাস্থলীত আৰক্ষী আৰু বোমা নিষ্ক্ৰিয় কৰা এটা দল উপস্থিত হৈ তন্ন তন্নকৈ পৰীক্ষা কৰে। অৱশ্যে অন্য কোনো স্থানত কূটাঘাত সংঘটিত নহ'ল। অৱশ্যে দিনটোৰ বাবে ন্যায়ালয়ৰ কাম-কাজ স্থগিত ৰাখিব লগা হ'ল বুলি এজন অধিবক্তাই সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। দিল্লী আৰক্ষীৰ ৰোহিণী সংমণ্ডলৰ উপ আয়ুক্ত প্ৰণৱ টায়ালৰ নেতৃত্বত এটা দলে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে আৰু আতংকিত ৰাইজক সুৰক্ষা দিবলৈ আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। আজি উক্ত আদালতত গেংষ্টাৰ জীতেন্দৰ সিং মন ওৰফে গোগীৰ হত্যাকাণ্ডৰ বিচাৰৰ শুনানি আছিল। যোৱা ২৪ ছেপ্টেম্বৰত একেখন আদালততে অধিবক্তাৰ পোছকত অহা ব্যক্তিয়ে গোগীক গুলীয়াই হত্যা কৰিছিল।



### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

# তিনিচুকীয়া টাউন ক্লাব জিলাৰ চেম্পিয়ন

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত তিনিচুকীয়াৰ পৰা চেম্পিয়ন হৈছে তিনিচুকীয়া টাউন ক্লাব। আজি হোৱা ফাইনেলত তিনিচুকীয়া টাউন ক্লাব মুখামুখি হয় দমদমা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ। মেচখনত তিনিচুকীয়া টাউন ক্লাবে আঠ উইকেটত পৰাস্ত কৰে দমদমা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক। পোনতে বেটিং কৰি দমদমা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই ২৯.৫ অভাৰত সকলো উইকেট হেৰুৱাই ৭০ ৰাণ কৰাৰ পাছত তিনিচুকীয়া টাউন ক্লাবে ১৮.৫ অভাৰত দুই উইকেট হেৰুৱাই ৭১ ৰাণ কৰি জয় অৰ্জন কৰে। এই জয়ৰে তিনিচুকীয়া টাউন ক্লাব যোগ্যতা অৰ্জন কৰিছে মাণ্ডলিক ৰাউণ্ডলৈ। উল্লেখ্য যে মুঠ ৭৫ লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হৈছে। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হয় জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ লৈছে। ২৪ নৱেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল ৪১ টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ ৪১ টা স্থানত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ ২৮ জানুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমুহ।

# নগাঁৱৰ প্ৰবীণ ক্ৰিকেট খেলুৱৈ মিন্টু বৰাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ পানীগাঁও ছয়আলি নিৱাসী তথা প্ৰবীণ ক্ৰিকেট খেলুৱৈ মিন্টু বৰা( ৪৯)ৰ কালি নিশা প্ৰায় ১১.২৫ বজাত পৰলোকপ্ৰাপ্তি ঘটে। বিগত প্ৰায় তিনি মাহ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ চিকিৎসা সেৱা গ্ৰহণ কৰি থকাৰ মাজতে কালি আকস্মিক ভাৱে মিন্টু বৰাৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে আৰু শেষ নিশ্বাস ত্যাগ কৰে। বিগত ৮০ ৰ দশকত নগাঁও ক্ৰীড়া সংস্থাৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰা মিন্টু বৰা এগৰাকী সুদক্ষ ক্ৰিকেট খেলুৱৈ ৰূপে পৰিচিত হৈ পৰে। আনকি তেওঁ নগাঁও ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁ কেতবোৰ কাম-কাজত জড়িত হৈ ক্ৰীড়া জগতখনৰ পৰা আঁতৰি আছে। আনহাতে মিন্টু বৰা এগৰাকী ভাল কেৰম খেলুৱৈও আছিল। নগাঁও চহৰৰ পানীগাঁও অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থকা মিন্টু বৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ মাতৃ আৰু তিনি গৰাকী ভগ্নীক ইহ সংসাৰত এৰি থৈ যায়। মিন্টু বৰাৰ মৃত্যুত পানীগাঁও ছয়আলি সাৰ্বজনীন দুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

### এছেজ শৃংখলাৰ প্ৰথম টেষ্ট

# প্ৰথম ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে বৃহৎ অগ্ৰগতি অষ্ট্ৰেলিয়াৰ



**ব্ৰীজবেন, ৯ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ প্ৰথম টেষ্টত ঘৰুৱা দল অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত বৃহৎ অগ্ৰগতি লাভ কৰিছে ইংলণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে ইংলণ্ডে প্ৰথম ইনিংছ কৰা ১৪৭ ৰাণৰ প্ৰত্যুত্তৰত, আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ আৰম্ভ কৰি সাত উইকেটত ৩৪৩ ৰাণ কৰে। হাতত তিনিটা উইকেট থকা অৱস্থাত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ১৯৬ ৰাণৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিছ হেডে ১১২ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে ডেভিদ ৱাৰ্ণাৰে ৯৩ আৰু লাবুচেঙে ৭৪ ৰাণ কৰে। ইংলণ্ডৰ হৈ ৰবীনছনে তিনিটা উইকেট পায়। ইয়াৰপূৰ্বে টেষ্টখনৰ প্ৰথম দিনা পোনতে বেটিং কৰি ইংলণ্ডে মাত্ৰ ১৪৭ ৰাণতে প্ৰথম ইনিংছ সামৰে। জ'ছ বাটলাৰে ৩৯ ৰাণ কৰাৰ বিপৰীতে প'পে ৩৫ ৰাণ কৰে। কিন্তু ব্যৰ্থ হয় ইংলণ্ডৰ অধিনায়ক জ' ৰুট (০) আৰু দীৰ্ঘ সময়ৰ পাছত প্ৰত্যাৱৰ্তন কৰা অলৰাউণ্ডাৰ বেন ষ্টকছ (৫)। ইংলণ্ডৰ প্ৰথম ইনিংছত এই বেটিং বিপৰ্যয়ৰ মূলতে হ'ল অষ্ট্ৰেলিয়াৰ নতুন টেষ্ট অধিনায়ক পাট কামিনছৰ অনন্য বলিং। ৩৮ ৰাণত পাঁচটা উইকেট পায় কামিনছে।

### সংযুক্ত ভাৰতীয় খেল ফেডাৰেচনৰ উদ্যোগত ইণ্টাৰনেশ্বনেল চেম্পিয়নশ্বিপ

# ভাৰতক প্ৰতিনিধিত্ব কৰিব ১৩জনীয়া মহিলা খেলুৱৈ দলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৯ ডিচেম্বৰ ঃ** ১০ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈ শ্ৰীলংকাৰ কলম্বোত ইন্দুশ্ৰী অৰ্গেনাইজেছনে অনুষ্ঠিত কৰা সংযুক্ত ভাৰতীয় খেল ফাউণ্ডচনৰ ইণ্টাৰনেশ্বনেল চেম্পিয়নশ্বিপ-২০২১ ত অংশগ্ৰহণৰ বাবে অসমৰ পৰা ভাৰতক প্ৰতিনিধিত্ব কৰাৰ বাবে ১৩ জনীয়া মহিলা ক্ৰীড়া খেলুৱৈ দল ৯ ডিচেম্বৰত ৰাওনা হৈছে। সদৌ অসম মহিলা ক্ৰীড়া সন্থাৰ সম্পাদিকা শশী খাউণ্ড বৰাই জানিবলৈ দিয়া মতে উক্ত দলটোত যোৱা খেলুৱৈ সকল হৈছে ক্ৰমে বীণা বৰকটকী, শশী খাউণ্ড বৰা, দিব্যজ্যোতি বৰা হাজৰিকা, কুঞ্জলতা বড়ো, চাহিনা বেগম, অজিত কুমাৰ শৰ্মা, মালা কৰ্মকাৰ শীল, প্ৰতিভা দাস, প্ৰণীতা ব্ৰহ্ম, নিমিন্দ্ৰ ব্ৰহ্ম, ছায়া বৰদলৈ, ইৰামণি বৰদলৈ আৰু প্ৰিন্সিপ্ৰিয়া হাজৰিকাকে আদি কৰি মুঠ ১৩ গৰাকী খেলুৱৈ। উল্লেখ্য যে অসম মহিলা ক্ৰীড়া সন্থাই যোৱা ১০ আগষ্টৰ পৰা ১৫ আগষ্ট, ২০২১ লৈকে নেপালত অনুষ্ঠিত হৈ যোৱা সংযুক্ত ভাৰতীয় খেল ফাউণ্ডেচনৰ পৰাই ভাৰতক প্ৰতিনিধিত্ব কৰি মুঠ ১৩ টা সোণৰ পদক বুটলিবলৈ সক্ষম হোৱাৰ উপৰি এই মহিলা ক্ৰীড়া সন্থাই ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ দল হিচাপে নিৰ্বাচিত হৈছিল।

# আজিৰে পৰা আন্তঃজিলা ছাব-জুনিয়ৰ আৰ্চাৰী

**গুৱাহাটী,** লখিমপুৰ আৰ্চাৰী সন্থাই অসম আৰ্চাৰী সন্থাৰ সহযোগত কাইলৈৰ পৰা আয়োজন কৰিছে ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। ১২ ডিচেম্বৰলৈ লখিমপুৰত অনুষ্ঠিত হ'বলগা এই ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাত ১৫ খন জিলাৰ লগতে আঠটা আৰ্চাৰী গোটে অংশ ল'ব। লখিমপুৰ আৰ্চাৰী সন্থাই জনোৱা অনুসৰি প্ৰতিযোগিতাত ৮৫ ল'ৰা আৰু ৬৯ ছোৱালীয়ে যোগদান নিশ্চিত কৰিছে। উল্লেখ্য যে অসম আৰ্চাৰী সন্থাই অলপতে আসন্ন ছিজনৰ বাবে বিভিন্ন ৰাজ্যিক প্ৰতিযোগিতাৰ স্থানসমুহ নিশ্চিত কৰিছে। সেই অনুসৰি নৱগঠিত জিলা গোট দৰঙত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ ছিনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। এইবাৰ জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাখন বঙাইগাঁৱত অনুষ্ঠিত হ'ব। ইফালে, কামৰূপ জিলাই আয়োজন কৰিব ল'ৰা-ছোৱালীৰ মিনি আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে অসম আৰ্চাৰী সন্থাই এবছৰ ধৰি আয়োজন কৰিব পৰা নাছিল ৰাজ্যিক প্ৰতিযোগিতা। এতিয়া লখিমপুৰত অনুষ্ঠিত হ'বলগা এই ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাখন সন্থাৰ প্ৰথম ৰাজ্যিক প্ৰতিযোগিতা হ'ব।

### বৰডৌচা কাপ ফুটবল

# ইডেন ক্লাবৰ জয়লাভ

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ হাৰমতীত চলি বৰডৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত জয়লাভ কৰে ইডেন ক্লাবে। উল্লেখ্য যে গ্ৰুপ 'ই'ৰ মেচখনত ইডেন ক্লাবৰ প্ৰতিদ্বন্দ্বী আছিল হাতীলুং প্ৰশিক্ষণ কেন্দ্ৰ। একপক্ষীয় মেচখনত ইডেন ক্লাবে ৮-২ গ'লত পৰাস্ত কৰে হাতীলুং প্ৰশিক্ষণ কেন্দ্ৰক। উল্লেখ্য যে এইবাৰ বৰদৌচা কাপ ফুটবল প্ৰতিযোগিতা অসমৰ মুঠ ১৬ টা স্থানত অনুষ্ঠিত হৈছে।

# গোসাইগাঁৱৰ গ্লোবেল ফুটবল ক্লাবৰ জয়লাভ

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** গোৱালপাৰাত চলি বৰডৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত জয়লাভ কৰে গোহাইগাঁওৰ গ্লোবেল ফুটবল ক্লাব। উল্লেখ্য যে কেৰালাৰ লুকা ফুটবল ক্লাবৰ বিৰুদ্ধে খেলা মেচখনত গোহাইগাঁওৰ গ্লোবেল ফুটবল ক্লাব দলে ৩-১ গ'লত জয়ী হয়। ইয়াৰপূৰ্বৰ মেচত হায়দৰাবাদৰ ডেক্কান ফুটবল ক্লাবক ২-০ গ'লত পৰাস্ত কৰিছিল এ পি আৰ অ' ফুটবল দলে। উল্লেখ্য যে হায়দৰাবাদৰ ডেক্কান ফুটবল ক্লাব ক্ৰমাগত দ্বিতীয় মেচত পৰাজয়ৰ সন্মুখীন হৈ বিদায় লৈছে। প্ৰথম মেচত পঞ্চৰত্ন এফ চি দলে ২-১ গ'লত পৰাস্ত কৰে হায়দৰাবাদৰ ডেক্কান ফুটবল ক্লাবক। উল্লেখ্য যে এইবাৰবৰদৌচা কাপ ফুটবল প্ৰতিযোগিতা অসমৰ মুঠ ১৬ টা স্থানত অনুষ্ঠিত হৈছে।

# খাগ্ৰাবাৰীত ১৯ সংখ্যক অন্‌ঠাইগ্ৰা বডোছা গোল্ড কাপ ভলীবল চেম্পিয়নশ্বিপৰ অস্থায়ী কাৰ্যালয় উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ৯ ডিচেম্বৰ ঃ** শীঘ্ৰেই আৰম্ভ হ'ব ১৯ সংখ্যক সৰ্বভাৰতীয় অন্‌ঠাইগ্ৰা বডোছা গোল্ড কাপ ভলীবল চেম্পিয়নশ্বিপ। হয়!! ওদালগুৰি জিলা খাগ্ৰাবাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু খাগ্ৰাবাৰী আঞ্চলিক এবছুৰ সহযোগত বিগত বছৰৰ দৰে এইবেলিও প্ৰায় ৮ টাকৈ দলক লৈ অহাঁ ২০২২ বৰ্ষৰ ৭ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ তিনি দিনীয়া কাৰ্যসূচীৰে খাগ্ৰাবাৰী জনতা খেলপথাৰত অনুষ্ঠিত কৰা হ'ব ১৯ সংখ্যক সৰ্বভাৰতীয় অন্‌ঠাইগ্ৰা বডোছা গোল্ড কাপ ভলীবল চেম্পিয়নশ্বিপ। সেয়েহে প্ৰস্তুতি তুংগত কৰি তুলিবলৈ আজি বিটিআৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাউবাইছা বড়োৰ দ্বাৰা খাগ্ৰাবাৰীত অস্থায়ী কাৰ্যালয় উদ্বোধন কৰে। আৰু উক্ত উদ্বোধন কাৰ্যসূচীত এবছু আৰু ক্ৰীড়া সন্থাৰ বিভিন্ন বিষয়ববীয়া উপস্থিত থকাৰ লগতে অসম ফুটবল সন্থাৰ উপসভাপতি লক্ষীৰাম বড়োসহ খাগ্ৰাবাৰী আঞ্চলিক এবছুৰ সভাপতি ৰমেশ চন্দ্ৰ বড়ো উপস্থিত থাকি উদ্বোধন কাৰ্যসূচী সম্পন্ন কৰে।

### বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতা

# ক্ৰমাগত দ্বিতীয় মেচত পৰাস্ত অসম



**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট দলে চলিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয় মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। আজি অসমে দ্বিতীয় মেচ খেলে ছাৰ্ভিচেজৰ বিৰুদ্ধে। চাৰি উইকেটত অসমক পৰাস্ত কৰে ছাৰ্ভিচেজে। পোনতে বেটিং কৰি অসমে ৪৯.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২০৬ ৰাণত ইনিংছ সামৰে। দলৰ হৈ ৰিয়ান পৰাগে ৫৮, কুনাল শইকীয়াই ৪০ আৰু স্বৰূপম পুৰকায়স্থই ৩৪ ৰাণ কৰাৰ বাদে বাকীসকল ব্যৰ্থ হয়। প্ৰত্যুত্তৰত, ছাৰ্ভিছেজে ৪৫.৩ অভাৰত ছটা উইকেট হেৰুৱাই ২১০ ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। অসমৰ হৈ স্বৰূপম পুৰকায়স্থই দুটা উইকেট পায়। ইয়াৰপূৰ্বে প্ৰথম মেচতে গোৱাই পাঁচ উইকেটত পৰাস্ত কৰিছিল অসমক। পোনতে বেটিং কৰি অসমে ৫০ অভাৰত ন উইকেট হেৰুৱাই ২১৫ ৰাণ কৰে। দলৰ হৈ স্বৰূপম পুৰকায়স্থই ৪৫, ৰিয়ান পৰাগে ৪০, ছাহিল জৈনে ৩৪, মুখতাৰ হুছেইনে ২৯ আৰু ডেনিছ দাসে ২৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, গোৱাই ৪৮.৩ অভাৰত পাঁচ উইকেট হেৰুৱাই ২১৯ ৰাণ কৰি জয় অৰ্জন কৰে।

### স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল

# তিনিবাৰৰ চেম্পিয়ন বিদ্যুৎ পৰিষদে খেলিব কেৰালা ইউনাইটেড ক্লাবৰ বিৰুদ্ধে

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** চলিত ৭৩ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ এইবাৰৰ ফাইনেলত পূৰ্বৰ তিনিবাৰৰ চেম্পিয়ন বিদ্যুৎ পৰিষদে খেলিব কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে। বিদ্যুৎ পৰিষদে পূৰ্বে ১৯৮৬, ১৯৯৫ আৰু ২০১৫ ত লাভ কৰিছিল স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ খিতাপ। এইবাৰ দলে ষষ্ঠবাৰলৈ ফাইনেল খেলিব। আনহাতে, প্ৰথমবাৰৰ বাবে ফাইনেল খেলিব কেৰালা ইউনাইটেড ফুটবল ক্লাবে। উল্লেখ্য যে নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত অসম পুলিচ ব্লুজ দলে খেলে কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে। নুৰুল আমিন ষ্টেডিয়ামত হোৱা মেচখনত কেৰালা ইউনাইটেড ফুটবল ক্লাবে ২-১ গ'লত পৰাস্ত কৰে অসম পুলিচ ব্লুজক। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত কেৰালা ইউনাইটেড ফুটবল ক্লাব দলে টাইব্ৰেকাৰত ৪-১ গ'লত বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ এফ চিক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে বিদ্যুৎ পৰিষদ দলে চলিত ৭৩ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত অইল ইণ্ডিয়াৰ মুখামুখি হয় বিদ্যুৎ পৰিষদ। অইল দলক ৩-০ গ'লত বিধ্বস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে বিদ্যুৎ পৰিষদে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত বিদ্যুৎ পৰিষদ দলে ৮-০ গ'লত পৰাস্ত কৰিছিল কাৰচাং ফুটবল ক্লাবক।

# তিতাবৰ কছাৰী গাঁও ভলীবল দল চেম্পিয়ন

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ তিতাবৰ আৰু নগালেণ্ডৰ উখা জিলাৰ সীমান্তত অনুষ্ঠিত হোৱা তিনিদিনীয়া ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে তিতাবৰ কছাৰী গাঁও ভলীবল দল। উভয় ৰাজ্যৰ ক্ৰীড়া অনুৰাগী উপস্থিত থকা এই ভলীবল প্ৰতিযোগিতাৰ ফাইনেলত তিতাবৰ কছাৰী গাঁও ভলীবল দলে পৰাস্ত কৰে নগালেণ্ডৰ আকাশিকা গাঁও ভলীবল দলক। অসম আৰু নগালেণ্ডৰ সম্প্ৰতি ৰক্ষা কৰাৰ উদ্দেশ্যৰে আয়োজন কৰা উক্ত তিনিদিনীয়া ভলীবল প্ৰতিযোগিতাত উভয় ৰাজ্যৰ মুঠ ২১টা দলে অংশ লয়।

# নগাঁৱৰ বিৰুদ্ধে ন উইকেটত জয়ী গুৱাহাটী

**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰে পৰা আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত গুৱাহাটী দলে ন উইকেটত পৰাস্ত কৰে নগাঁও জিলা দলক। পোনতে বেটিং কৰি নগাঁও জিলা দলে ৩২-১০ ৰাণতে ইনিংছ সামৰাৰ প্ৰত্যুত্তৰত, গুৱাহাটী জিলা দলে ৩৪-১ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা ৰেলৱে আৰু গোৱালপাৰাৰ মাজৰ মেচখন টাই হয়। পোনতে বেটিং কৰি গোৱালপাৰা জিলা দলে ১৫৪-১০ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ৰেলৱে দলেও ১৫৪-১০ ৰাণ কৰাত মেচখন টাই হয়। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা ২১ ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।

### আৰ জি বৰুৱা সোঁৱৰণী ৰাজ্যিক ক্ৰিকেট

# ধেমাজি, এ চি এ সভাপতি একাদশৰ জয়


**গুৱাহাটী, ৯ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰে পৰা আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত ধেমাজি দলে পাঁচ উইকেটত পৰাস্ত কৰে হাইলাকান্দি জিলা দলক। পোনতে বেটিং কৰি হাইলাকান্দি জিলা দলে ১৮৪-১০ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ধেমাজি জিলা দলে ১৮৫-৫ ৰাণ কৰি জয় অৰ্জন কৰে। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত এ চি এ সভাপতি একাদশ দলে সাত উইকেটত পৰাস্ত কৰে কৰিমগঞ্জ জিলা দলক। পোনতে বেটিং কৰি কৰিমগঞ্জ জিলা দলে ৭১-১০ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, এ চি এ সভাপতি একাদশে ৭৪-৩ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত ৪১ টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ।

### হাউলীৰ দশম বেটেলিয়ন চিআৰপিএফৰ উদ্যোগত ভলীবল প্ৰতিযোগিতাৰ সামৰণি

# দশম বেটেলিয়ন চিআৰপিএফৰ চূড়ান্ত বিজয়



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ৯ ডিচেম্বৰ ঃ** বৰপেটাৰোড হাউলীস্থিত দশম বেটেলিয়ন চিআৰপিএফৰ উদ্যোগত ৬ ডিচেম্বৰৰ পৰা দশম বেটেলিয়নৰ গ্ৰাউণ্ডত অনুষ্ঠিত হোৱা ভলীবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল ঘৰুৱা দলে বিজয় সাব্যস্ত কৰে। সাতটা বেটেলিয়নৰ মাজত অনুষ্ঠিত কৰা উক্ত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন ১৫৬ বেটেলিয়ন চিআৰপিএফ আৰু দশম বেটেলিয়ন চিআৰপিএফৰ দলৰ মাজত অনুষ্ঠিত হয়। উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত ২৫ - ১৫, ২৫ - ১৩ পইন্টৰে দুই ৰাউণ্ডতে ১৫৬ বেটেলিয়ন চিআৰপিএফৰ দলক দশম বেটেলিয়ন চিআৰপিএফৰ দলে পৰাস্ত কৰে। চূড়ান্ত খেলখন পৰিচালনা কৰে মনোজ পাঠক আৰু জগদানন্দ তালুকদাৰে। উল্লেখ্য যে, চূড়ান্ত খেলখনৰ পূৰ্বে বিহু নৃত্যৰ লগতে অসমৰ থলুৱাৰ নৃত্য প্ৰদৰ্শন কৰা হয়। প্ৰকাশ্য যে আজিৰ সামৰণি অনুষ্ঠানত দশম বেটেলিয়ন চিআৰপিএফৰ দ্বিতীয় সেনাধ্যক্ষ ৰাজীৱ লোচন, ২৭ বেটেলিয়ন এছ এছ বিৰ দ্বিতীয় সেনাধ্যক্ষ অচিন্ত্য মিত্ৰ, বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ নাথ দাস, শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ, ভৱানীপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ৰাজু দাস উপস্থিত থাকে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৯৮৬৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আবাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

**প্ৰতি সপ্তাহৰ শুকুৰবাৰে প্ৰকাশ পায় ঐতিহাসিক পটভূমিক বিষয় হিচাপে লৈ লিখিত**

# মৃত্যুঞ্জয় ভাৰত



**খণ্ড ২০**

■ শংকৰ দাস

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

এই শিক্ষানুষ্ঠাবোৰ যিবোৰত আধুনিক বিজ্ঞান বুলি ভবা সকলো বিষয়ৰ পাঠদান হৈছিল, যদি বিগত ৮০০ বা ৯০০ বছৰত ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি বিকাশ কৰিব পৰা গ'লহেঁতেন, তেন্তে আমি বিদেশলৈ যাব নালাগিলহেঁতেন; বিদেশৰ পৰা আমাৰ ইয়ালৈ অধ্যয়নৰ বাবে আহিলহেঁতেন। কেতিয়াবা ভাৰত বিশ্বগুৰু আছিল, সেই গৰিমা বৰ্তমানো অটুট থাকিলহেঁতেন। ব্যক্তিগত অথবা সমাজ জীৱনত আৱশ্যক এনেকুৱা কোনো বিষয় নাছিল, যিবিলাক এই শিক্ষাকেন্দ্ৰসমূহত শিকোৱা হোৱা নাছিল। ব্ৰিটিছ অহাৰ পাছতহে আমি শিক্ষাৰ পোহৰ পোৱা কথাটো ষড়যন্ত্ৰমূলকভাৱে আমাৰ অতীত গৌৰৱৰ বিষয়সমূহ ঢাকি ৰাখি নতুন প্ৰজন্মক বিভ্ৰান্ত কৰাৰ কৌশলহে। ভাৰতৰ জনসাধাৰণৰ মনৰ পৰা হীনমন্যতা দূৰ কৰি স্বাভিমান জগাবলৈ আমাৰ অগ্ৰজসকলে সদায় চেষ্টা কৰি আহিছে। প্ৰখ্যাত বৈজ্ঞানিক আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়দেৱে ১৯১৮ চনত মাদ্ৰাজত হিন্দু ৰসায়ন শাস্ত্ৰৰ বিষয়ে ভাষণ দিওঁতে গৌৰৱেৰে আমাৰ দেশৰ অৱদানৰ বিষয়ে উল্লেখ কৰি কৈছিল — We are not ashamed of our ancient contribution to the science of chemistry. I am equally proud of and not ashamed for all the branches of science the grew in ancient India'.

'ৰসায়ন বিজ্ঞানৰ প্ৰতি আমাৰ অতীতৰ অৱদান মুঠেও লজ্জাজনক নহয়। প্ৰাচীন ভাৰতত বিকশিত বিজ্ঞানৰ সকলো শাখাৰ বাবে মই লাজ নকৰো বৰং গৰ্ব অনুভৱ কৰো।'

১৯৪৯ চনত বিখ্যাত বৈজ্ঞানিক ছাৰ চি ভি ৰমনে প্ৰয়াগৰ এখন বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দিয়া ভাষণত কোৱা কথাখিনি আজিও অনুকৰণীয়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেখেতে কৈছিল— boys when we import we not only pay for our ignorance but we also pay for our incompetence.

'ছাত্ৰসকল, আমি যেতিয়া কোনো বস্তু আমদানি কৰো তেতিয়া কেৱল আমাৰ অজ্ঞানতাৰেই মূল্য নিদিওঁ, আমি আমাৰ অক্ষমতাৰো মূল্য দিবলগীয়া হয়।'

প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাত আধ্যাত্মিক দৃষ্টিৰে সংস্কাৰ দিয়াৰ ব্যৱস্থা আছিল। বেদ, উপনিষদ, মহাভাৰত, ৰামায়ণ, পঞ্চতন্ত্ৰ আদি সাহিত্যত বিভিন্ন কাহিনী, গুৰু-শিষ্যৰ বাৰ্তালাপ কথা আদিৰ দ্বাৰা সমাজৰ হিতৰ বাবে বাৰ্তা প্ৰেৰণ কৰা হৈছিল। মহৰ্ষি ব্যাসদেৱক সমাজৰ গুৰু বুলি মান্যতা দিয়া হৈছে, সেইবাবে ব্যাসদেৱৰ জন্ম তিথি আহাৰ মাহৰ পূৰ্ণিমাৰ দিনটো গুৰু পূৰ্ণিমা হিচাপে পালন কৰা হৈছে। ব্যাসদেৱৰ বিষয়ে কোৱা হৈছে— ব্যাসৌ সৃষ্টম্ জগৎ সৰ্বম- অৰ্থাৎ জগতত থকা সকলো বিষয় ব্যাসদেৱৰ ৰচনাত বিদ্যমান। সমগ্ৰ প্ৰাচীন সংস্কৃত বাঙ্ময়ৰ প্ৰতি লক্ষ্য কৰিলে আমি দেখা পাওঁ ভাৰতীয় সংস্কৃতিৰ মূল আধাৰেই হ'ল ত্যাগ।

বৰ্তমান ভোগবাদী প্ৰবৃত্তিয়ে মানুহক এনেদৰে গ্ৰাস কৰি পেলাইছে যে ত্যাগ শব্দটো কেৱল অভিধানতহে সীমাবদ্ধ হৈ পৰিছে। ভোগবাদৰ প্ৰবক্তা আমাৰ প্ৰাচীন ভাৰততো আছিল। আমি বিভিন্ন কাহিনীত অসুৰ সংস্কৃতিৰ কথা পাওঁ। অসুৰ সংস্কৃতিৰ বিকাশ সম্পূৰ্ণ ভোগবাদী আছিল। ভোগবাদী দৰ্শনৰ প্ৰবক্তা কোন বুলি ক'লে দেৱতাসকলৰ গুৰু বৃহস্পতি বুলি কোৱা হয়। এই দৰ্শনক চাৰ্বাক দৰ্শন বুলি কোৱা হয়। চাৰ্বাকৰ বিশেষ ব্যৱস্থিত দৰ্শন হিচাপে গ্ৰন্থ পোৱা নাযায় কিন্তু প্ৰাচীন গ্ৰন্থত ইয়াৰ উল্লেখ পোৱা যায়। উপনিষদত আছে যে এবাৰ ইন্দ্ৰ আৰু বিৰোচনে জ্ঞান প্ৰাপ্তিৰ বাবে ব্ৰহ্মাৰ ওচৰলৈ গ'ল। ব্ৰহ্মাই ক'লে যে যি আইনাত দেখা পোৱা যায়, যি পানীত দেখা যায় সিয়েই ব্ৰহ্ম। সেইবাবে বিৰোচনে শৰীৰকে সৰ্বস্ব জ্ঞান কৰি সুখেৰে জীৱন নিৰ্বাহ কৰিবলৈ চেষ্টা কৰে। গতিকে তেওঁ আছিল ইহলোকবাদী (বৰ্তমানতহে বিশ্বাসী)। ৰামায়ণৰ কালখণ্ডত জাবালী চাৰ্বাকসকলৰ প্ৰতিনিধিত্ব কৰিছিল বুলি ক'ব পাৰি। ৰামক উপদেশ দিছিল বনলৈ গৈ কষ্ট কৰি শাৰীৰিক কষ্ট ভোগাৰ পৰিৱৰ্তে অযোধ্যালৈ ঘূৰি যাবলৈ।

চাৰ্বাক দৰ্শন মতে বৰ্তমানেই হ'ল সকলো গতিকে যিকোনো প্ৰকাৰে কেৱল ভোগ কৰা। সাধাৰণ মানুহে এই কথাবোৰ ভাল পাইছিল। সুখ ভোগনো কোনে নিবিচাৰে। সেইবাবে চাৰু বাক্, অৰ্থাৎ ভাল লগা কথা এইবাবেই চাৰ্বাক দৰ্শন হৈ পৰিল। (ক্ৰমশঃ)

## ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ স্বৰ্গীয় নন্দলাল সোঁৱৰণী ভলীবল প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, ডিব্ৰুগড়, ৯ ডিচেম্বৰ ঃ** সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত আৰু চেতিয়া গাঁও সূৰ্যোদয় সংঘৰ সহযোগত শিক্ষাবিদ নন্দলাল বৰগোহাঁই সোঁৱৰণী আন্তঃআঞ্চলিক দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখনি চলিত মাহৰ ২৭ আৰু ২৮ তাৰিখে চাবুৱাৰ হাতিআলি উচ্চ মাধ্যমিক খেলপথাৰত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। সেই উদ্দেশ্যেৰে কালি চেতিয়া গাঁওস্থিত হাতিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্তই সভাপতিত্ব কৰা সভাখনিত ক্ৰীড়াবিদ সত্যনাথ দুৱৰা, মূল্যধৰ বৰুৱা, গুঞ্জন বিকাশ দুৱৰা, অৰুণ বৰুৱা, সমাজকৰ্মী প্ৰশান্ত নেওগ, ডি ডি আৰ কলেজৰ অধ্যক্ষ ডঃ ভূপেন বৰ্মন, শিক্ষাবিদ ভাগ্যেশ্বৰ গগৈ, জগজীৱন গগৈ, প্ৰদীপ দত্ত, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ যুগল বৰুৱা, সাংবাদিক দিবাকৰ দত্ত, ধৰণী গগৈকে প্ৰমুখ্য কৰি প্ৰায় ডেৰ শতাধিক ক্ৰীড়াপ্ৰেমী ৰাইজ উপস্থিত থাকে। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ ভাঃ সাধাৰণ সম্পাদক খগেন দত্ত আৰু চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি দত্তই আঁত ধৰা সভাখনিত উপস্থিত সকলোৱে আগন্তুক খেলখনিত সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা ব্যক্ত কৰে। উক্ত সভাতেই খেলখনি সুচাৰুৰূপে পৰিচালনাৰ বাবে প্ৰশান্ত নেওগক সভাপতি, ৰূপম দত্তক কাৰ্যকৰী সভাপতি, দীপজ্যোতি গগৈ, ল'ব বৰচেতিয়া আৰু নীলোৎপল বৰচেতিয়াক সাধাৰণ সম্পাদক, অৰ্জুন চেত্ৰী আৰু জয়ন্তজিৎ বৰুৱাক স্মৃতিগ্ৰন্থ সম্পাদক হিচাপে লৈ এখন শক্তিশালী আৰু পূৰ্ণাংগ অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

## জকাই ক্ৰীড়া মঞ্চৰ অসম প্ৰাইজমানী টি-২০ ক্ৰিকেট টুৰ্ণামেণ্টত ডিব্ৰুগড় ক্ৰিকেট ক্লাবৰ ৮ ৰাণত জয়লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, ডিব্ৰুগড়, ৯ ডিচেম্বৰ ঃ** যোৱা ১৪ নৱেম্বৰৰ পৰা ডিব্ৰুগড় জিলাৰ জকাই ক্ৰীড়া মঞ্চত জকাই ৰূপজ্যোতি ক্ৰিকেট একাডেমী আৰু আই স্প'ৰ্টছৰ উদ্যোগত ২৭ ক্ৰিকেট দলে অংশ গ্ৰহণ কৰা অসম প্ৰাইজমানী ক্ৰিকেটটি-২০ টুৰ্ণামেণ্টৰ চূড়ান্ত খেলৰ যোৱা ৭ ডিচেম্বৰত জকাই ৰূপজ্যোতি সংঘৰ খেলপথাৰত সামৰণি পৰে। ডিব্ৰুগড় ক্ৰিকেট ক্লাব বনাম ডিব্ৰুগড় স্প'ৰ্টছ ক্লাবৰ মাজত আজি অনুষ্ঠিত চূড়ান্ত খেলখনত ডিব্ৰুগড় ক্ৰিকেট ক্লাবে আটাইকেইটা উইকেট দখল কৰি বিজয়ীৰ সন্মান অৰ্জন কৰে। মুঠ ২০ অভাৰৰ টুৰ্ণামেণ্টখনত ডিব্ৰুগড় ক্ৰিকেট ক্লাবে ৯৯ ৰাণ সংগ্ৰহ কৰি ৯টা উইকেট হেৰুৱাই ৮ ৰাণত জয়লাভ কৰাৰ বিপৰীতে আই স্প'ৰ্টছে আটাইকেইটা উইকেট হেৰুৱাই ৯১ ৰাণ অৰ্জন কৰে। ডিব্ৰুগড় ক্ৰিকেট ক্লাবৰ হৈ প্ৰজ্ঞান দত্তই মেন অৱ দ্য মেচ, গুঞ্জন জ্যোতি ডেকাই মেন অৱ দী চিৰিজ, বেটছ মেন হিচাপে ঈশান আহমেদ আৰু বেষ্ট বলাৰ হিচাপে খিতাপ অৰ্জন কৰে। অসম প্ৰাইজমানী ক্ৰিকেট টুৰ্ণামেণ্টৰ চূড়ান্ত খেলত বিজয়ী ডিব্ৰুগড় ক্ৰিকেট ক্লাবৰ দলটোক বিজেপি যুৱ মৰ্চাৰ সামাজিক মাধ্যমৰ মুখ্য আহবায়ক শ্যামকানু গগৈয়ে নিজৰ পিতৃ সমাজকৰ্মী প্ৰয়াত জগত গগৈৰ সোঁৱৰণত ত্ৰিছ হাজাৰ টকাৰ প্ৰাইজমানী চেক আৰু ৰানাৰ্ছআপ আই স্প'ৰ্টছ দলটোক বিকাশ আগৰৱালাই সমাজ সংগঠক প্ৰয়াত নন্দকিশোৰ আগৰৱালাৰ সোঁৱৰণত প্ৰাইজমানী চেক প্ৰদান কৰে। প্ৰাইজমানী বিতৰণ অনুষ্ঠানত ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় জিলাৰ বক্সিং সন্থাৰ ইনচাৰ্জ ৰাহুলদেৱ সোণোৱাল, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উপমুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, বিজেপি খনিকৰ মণ্ডলৰ সভাপতি ভাস্কৰ সোণোৱাল, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক ক্ষীৰোদ সোণোৱাল উপস্থিত থাকে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ 'এফ' মণ্ডলৰ প্ৰতিযোগিতা আৰম্ভ

**প্ৰথম খেলত বিজয়ী ডনবস্ক' কলেজ আৰু ডি আৰ কলেজ ঃ 'এফ' মণ্ডলৰ ১৪ ডিচেম্বৰত চূড়ান্ত খেল**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ৯ ডিচেম্বৰ ঃ** ক'ভিড অতিমাৰীৰ প্ৰকোপ কিছু পৰিমাণে শাম কটাৰ পাছত স্বাভাৱিক অৱস্থা কিছু পৰিমাণে ঘূৰি আহিছে। পুনৰ পূৰ্বৰ পৰ্যায়লৈ পৰিৱেশ ঘূৰি অহাৰ পাছতেই আৰম্ভ হৈছে খেলৰ পৰিৱেশ। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত আৰম্ভ হৈছে বাৰ্ষিক খেল-ধেমালি। তাৰ মাজতে বিশ্ববিদ্যালয়সমূহত আৰম্ভ হৈছে আন্তঃমহাবিদ্যালয়ৰ বিভিন্ন খেল। সমান্তৰালকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাসমূহ মণ্ডল পৰ্যায়ত আৰম্ভ হৈছে। এফ জ'ন গোলাঘাট মণ্ডলৰ খেলসমূহ বোকাখাত জে ডি এছ জি মহাবিদ্যালয়ৰ খেলপথাৰত আজিৰে পৰা আৰম্ভ আৰম্ভ হৈছে। আজি উদ্বোধনী অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে জে ডি এছ জি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জয়ন্ত গগৈয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সদস্য তথা সহযোগী অধ্যাপক সুবোধ বৰাই আঁত ধৰা অনুষ্ঠানৰ পাছতেই 'এফ' জ'নৰ খেলসমূহ আৰম্ভ হয়। প্ৰথমখন খেলত ডনবস্ক' কলেজে কমাৰবন্ধা কলেজক ৮-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। দ্বিতীয়খন খেলত ডি আৰ কলেজ আৰু সৰুপথাৰ কলেজৰ মাজত অনুষ্ঠিত হয়। নিৰ্ধাৰিত সময়ত ১-১ গ'লত ড্ৰ হোৱাৰ পাছত টাইব্ৰেকাৰত ডি আৰ কলেজে সৰুপথাৰ কলেজক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী হয়। আজিৰে পৰা আৰম্ভ হোৱা 'এফ' মণ্ডলৰ খেলৰ চূড়ান্ত খেল অনুষ্ঠিত হ'ব অহা ১৪ ডিচেম্বৰত। ক'ভিড অতিমাৰীৰ বাবে ডেৰ বছৰীয়া বিৰতিৰ পাছত পুনৰ পূৰ্বৰ পৰিৱেশ ঘূৰি অহাত আনন্দ প্ৰকাশ কৰিছে অধ্যক্ষৰ লগতে শিক্ষক সমাজে। সকলোৱে আশা- ক'ভিড অতিমাৰীৰ অৱসান ঘটি পুনৰ স্বাভাৱিক অৱস্থা ঘূৰি আহক।












# কাবাইটাৰী-ঔডুবি-শালবাৰী সংযোগী গড়কাপ্টানী পথ মেৰামতিৰ দাবীত আমছুৰ এঘন্টীয়া পথ অৱৰোধ

## মহকুমাধিপতিলৈ স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৯ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ এফচিআই বজাৰত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ থকা কাবাইটাৰী-ঔডুবি-শালবাৰী সংযোগী গড়কাপ্টানী পথটোৰ মেৰামতিৰ দাবীত আজি এঘন্টীয়া পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে । সংগঠনটোৰ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা জিলা সমিতিৰ উদ্যোগত আৰু বিভিন্ন আঞ্চলিক সমিতিৰ সহযোগত আমছুৰ বহুসংখ্যক নেতা - কৰ্মীয়ে এফ চি আই বজাৰত গড়কাপ্টানী পথটো অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সংগঠনটোৱে যোগীঘোপা আৰক্ষীৰ জৰিয়তে উত্তৰ শালমাৰা মহকুমাধিপতিলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদকাৰীসকলে স্থানীয় বিধায়ক মুৰ্দাবাদ, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ মুৰ্দাবাদ, গড়কাপ্টানী বিভাগ হায় হায়, অসম চৰকাৰ হায় হায়, জিলা প্ৰশাসন মুৰ্দাবাদ আদি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে । উল্লেখ্য যে যোগীঘোপাৰ কাবাইটাৰী-ঔডুবি -শালবাৰী সংযোগী গড়কাপ্টানী পথটো দীৰ্ঘদিনৰ পৰা মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰিছে । বিভাগীয় কৰ্তৃপক্ষৰ অনীহা আৰু চূড়ান্ত দায়িত্বহীনতাৰ বাবে পথটো জৰাজীৰ্ণ হৈ থকাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভোগ কৰিব লগা হৈছে । পথটোৰে বৰ্তমান মাটি কঢ়িয়াই নিয়া অভাৰ লোডিং ডাম্পাৰ-ট্ৰেক্টৰৰ চলাচলৰ ফলত ঠায়ে ঠায়ে বৃহৎ গাঁতৰো সৃষ্টি হৈছে । উক্ত পথটোৰে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি পথচাৰীয়ে অহা-যোৱা কৰাত বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে । পথটোৰ এনে দুৰৱস্থাৰ বাবে প্ৰায়েই সৰু-সুৰা দুৰ্ঘটনা সংঘটিত হৈ আহিছে । বিশেষকৈ বিধ্বস্ত পথছোৱাৰে ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত যথেষ্ট হাৰাশাস্তি ভোগ কৰিবলগা হয় স্থানীয় ৰাইজে । উক্ত পথছোৱা মেৰামতিৰ বাবে স্থানীয় বিধায়কৰ লগতে বিভাগীয় কৰ্তৃপক্ষক বাৰম্বাৰ দাবী জনাই অহাৰ পিছতো আজিকোপতি কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে দলটোৱে । লগতে পথটো শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা নকৰিলে আমছুৱে ৰাইজৰ সহযোগত পৰৱৰ্তী সময়ত ব্যাপক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে।

# শিৱসাগৰত উপায়ুক্তৰ অধ্যক্ষতাত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ৯ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহালৰ অধ্যক্ষতাত আজি জিলা উন্নয়ন সমিতিৰ বৈঠকখন অনুষ্ঠিত হয়। উপায়ুক্তৰ কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত হোৱা এই বৈঠকত উপায়ুক্ত গৰাকীয়ে জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগ যেনে- কৃষি, পশুপালন আৰু পশু চিকিৎসা, জলসম্পদ, জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ (গৃহ আৰু পথ), মীন, শিক্ষা, বন, শক্তি, সমাজ কল্যাণ, উদ্যোগ আৰু বাণিজ্য, হস্ততাঁত আৰু বস্ত্ৰশিল্প, জলসিঞ্চন, চহৰ আৰু গাঁও পৰিকল্পনা, ৰেচম, জিলা পৰিষদ, পৰ্যটন, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদিৰ অন্তৰ্গত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰে। বৈঠকত উপায়ুক্তগৰাকীয়ে জিলখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ কাম-কাজ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰিবলৈ সংশ্লিষ্ট বিভাগীয় মুৰব্বীসকলক নিৰ্দেশ দিয়াৰ লগতে জনকল্যাণকামী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে বিভাগীয় সমন্বয় বজাই ৰাখিবলৈ আহ্বান জনায়। তেওঁ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ সঠিক ৰূপায়ণত অগ্ৰাধিকাৰ প্ৰদান কৰে। উপায়ুক্তগৰাকীয়ে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থ আৰু হিতৰ সৈতে পোনপটীয়াকৈ জড়িত হৈ থকা যিসমূহ আঁচনি বৰ্তমানে পুঁজিৰ অভাৱত নিষ্ক্ৰিয় হৈ আছে, সেই সমূহক পুনৰ সক্ৰিয় কৰাৰ হকে সংশ্লিষ্ট বিভাগসমূহক এই বিষয়ে তেখেতক বিতং প্ৰতিবেদন দাখিল কৰিবলৈ কয়। বৈঠকত উপায়ুক্তগৰাকীয়ে শক্তি বিভাগক বিদ্যুতৰ বিল সংক্ৰান্তীয় সমস্যাসমূহ সমাধানৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ লগত প্ৰয়োজনীয় যোগাযোগ ৰক্ষা কৰি সমাধানসূত্ৰ উলিয়াবলৈ কয়। লগতে তেওঁ শক্তি বিভাগৰ সমূহ নতুন প্ৰকল্পৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ নিৰ্দেশনা মৰ্মে এল. ই. ডি. বাল্বৰ ব্যৱহাৰ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ঐতিহাসিক কীৰ্তিচিহ্ন তথা বানপানী আৰু ধুমুহাপ্ৰৱণ অঞ্চলসমূহত ভূমি আভ্যন্তৰীণ বিদ্যুৎ পৰিবহণৰ ব্যৱস্থা কৰিবলৈ কয়। বৈঠকত জিলা উপায়ুক্তই চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুযায়ী ধান ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত ভাৰতীয় খাদ্য নিগম আৰু জিলাৰ ধানকলসমূহৰ মালিকসকলৰ মাজত থকা জড়তাসমূহ আঁতৰাবলৈ উদ্যোগ আৰু বাণিজ্য বিভাগক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উপায়ুক্তগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগক জিলাখনত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ ধ্বজাবাহী কাৰ্যসূচী 'জল জীৱন মিছন'ৰ ফলপ্ৰসূ ৰূপায়ণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত যাতে কোনো ত্ৰুটি নাথাকে তথা আঁচনিসমূহৰ গুণগত মান যাতে উন্নত থাকে তাৰ প্ৰতি বিভাগীয় বিষয়াসকলক তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ তেওঁ আহ্বান জনায়। উপায়ুক্তগৰাকীয়ে বৈঠকত পৰ্যটকৰ সুবিধাৰ্থে আৰু জিলাখনৰ পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে জিলা পৰ্যটক তথ্য বিষয়ক এখনি বিস্তাৰিত অন্তঃ/আন্তঃ জিলা পৰ্যটক চক্ৰ (Tourist Circuit) প্ৰস্তুত কৰিবলৈ কয়। তেওঁ লগতে পৰ্যটন উদ্যোগৰ প্ৰসাৰৰ বাবে ট্যুৰ অপাৰেটৰসকলৰ সৈতেও যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ প্ৰতিখন পেট্ৰ'ল পাম্পত স্বচ্ছ শৌচালয় আৰু বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। অন্যথা, এই দুয়োবিধ সুবিধা মজুত নৰখা পেট্ৰ'ল পাম্পৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত শোভন গোৱালাই জলসিঞ্চন বিভাগে যদি কোনো নতুন আঁচনি গ্ৰহণ কৰে, তেনে ক্ষেত্ৰত আঁচনি ৰূপায়ণৰ পূৰ্বে কৃষি আৰু মীন বিভাগৰ বিষয়াৰ সৈতে যৌথ জৰীপ কৰিবলৈ কয়, যাতে সেই আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ সম্ভৱ হয় আৰু লগতে ৰাইজে দ্বৈত কৃষি (Double Cropping) আৰু মীন পালনৰ দ্বাৰা আৰ্থিকভাৱে লাভান্বিত হ'ব পাৰে। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে, অতিৰিক্ত উপায়ুক্ত কৰ্মদেৱ ব্ৰহ্ম, জিলা পৰিষদৰ উপ- মুখ্য কাৰ্যবাহী বিষয়া টি. জে. ৰবাৰ্টৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# আমগুৰি আছুৰ শ্বহীদ বেদী পুনৰ নিৰ্মাণ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৯ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভাখন অনুষ্ঠিত হৈ যায় । আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিতুপল্লৱ হাজৰিকাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে আঞ্চলিকৰ সভাপতি জ্যোতিপ্ৰসাদ কলিতাই । উপদেষ্টা অম্লানজ্যোতি মহন্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন উপস্থিত থাকি প্ৰাক্তন অধ্যক্ষ যোগেশ কিশোৰ ফুকন, শিক্ষক উদয় দত্ত, প্ৰবক্তা প্ৰাঞ্জলপ্ৰতিম বৰা, শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সুভাষ চন্দ্ৰ দাস, প্ৰাক্তন ছাত্ৰনেতা বিষ্ণু মহন্ত, বিজু পাল আৰু বিতুল কাকতীয়ে শ্বহীদ বেদী পুনৰ নিৰ্মাণ সন্দৰ্ভত বক্তব্য আগবঢ়ায় । ৰাজহুৱা সভাত শ্বহীদ বেদী পুনৰ নিৰ্মাণ আৰু এটা শৈক্ষিক কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় । সভাত সৰ্বসন্মতি মৰ্মে আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ যোগেশ কিশোৰ ফুকনক সভাপতি, অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰক কাৰ্যকৰী সভাপতি, বিষ্ণু মহন্ত, উদয় দত্ত, প্ৰাঞ্জল প্ৰতিম বৰা, বিজু পালক উপ-সভাপতি, ছাত্ৰ নেতা অম্লানজ্যোতি মহন্তক সম্পাদক, আব্দুল হেমিদ আৰু বিতুল কাকতিক সহকাৰী সম্পাদক হিচাপে লৈ এখন নিৰ্মাণ সমিতি গঠন কৰা হয়।

# সাংবাদিক মনোজ কুমাৰ গগৈক আন্তঃৰাষ্ট্ৰীয় দুৰ্নীতিবিৰোধী বিশেষ বঁটা প্ৰদান



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ৯ ডিচেম্বৰ ঃ** আজি আন্ত:ৰাষ্ট্ৰীয় দুৰ্নীতিবিৰোধী দিৱসৰ দিনা গুৱাহাটী পুথিভঁৰাল সভাগৃহত অনুষ্ঠিত এখন সভাত 'দুৰ্নীতি বিৰোধী যুৱ-শক্তি, অসম' নামৰ অনুষ্ঠানটোৱে শিৱসাগৰৰ বিশিষ্ট সাংবাদিক, জ্যেষ্ঠ সাংবাদিক, শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক, শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক, দিচাংমুখ প্ৰেছ ক্লাবৰ সম্পাদক তথা পাব্লিক প্ৰেছৰ কাৰ্যবাহী সম্পাদক মনোজ কুমাৰ গগৈক শিৱসাগৰ জিলা ভিত্তিত 'আন্ত:ৰাষ্ট্ৰীয় দুৰ্নীতি বিৰোধী বিশেষ বঁটা'ৰে সন্মানিত কৰে । দুৰ্নীতি বিৰোধী যুৱ-শক্তি, অসমৰ অন্তৰ্গত বিভিন্ন জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সহযোগত বঁটা প্ৰদান অনুষ্ঠানটো পৰিচালনা কৰে দুৰ্নীতি বিৰোধী যুৱ-শক্তি, অসমৰ সভাপতি ধৰ্মকান্ত গগৈয়ে। উক্ত অনুষ্ঠানত ৰাজ্যিক পৰ্যায়ত আৰু জিলা পৰ্যায়ত ক্ৰমে শতাধিক ব্যক্তিক আন্ত:ৰাষ্ট্ৰীয় দুৰ্নীতি বিৰোধী বঁটা আৰু আন্তঃৰাষ্ট্ৰীয় দুৰ্নীতিবিৰোধী বিশেষ বঁটাৰে সন্মানিত কৰে।

# ধুবুৰীত শিশু-মহিলাৰ অধিকাৰ ৰক্ষাৰ জিলা টাস্ক ফ'ৰ্চৰ বৈঠক

## বিদ্যালয়ত নিয়মীয়াকৈ সজাগতা সভা পতাৰ পৰামৰ্শ

## মহিলাক সন্মান, নিচা মুক্তি আদি বিষয়ত শিক্ষাৰ্থীক প্ৰশিক্ষিত কৰাত গুৰুত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৯ ডিচেম্বৰ ঃ** মহিলা আৰু শিশুৰ অধিকাৰ ৰক্ষা কৰা, তেওঁলোকৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা আদি বিষয়ত আলোচনাৰ বাবে গঠিত জিলা পৰ্যায়ৰ শিশু আৰু মহিলা সম্পৰ্কীয় টাস্ক ফ'ৰ্চৰ এখন বৈঠক আজি ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। মহিলা শক্তি কেন্দ্ৰৰ উদ্যোগত, ইণ্ডো-গ্ল'বেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটীৰ কাৰিকৰী সহায়ত আৰু সমাজ কল্যাণ বিভাগৰ সহযোগত আয়োজিত বৈঠকখনত অধ্যক্ষতা কৰে জিলা উপায়ুক্ত অম্বামুথন এম পিয়ে। বৈঠকত মহিলা আৰু শিশুৰ বাবে কাম কৰি থকা মহিলা শক্তি কেন্দ্ৰ আৰু ইণ্ডো-গ্ল'বেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটীক বিদ্যালয়বোৰত শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে দুই-তিনি মাহৰ অন্তৰত নিচা মুক্তি, মহিলাক সন্মান আদি বিষয়ত সজাগতা সভা অনুষ্ঠিত কৰিবলৈ কোৱা হয়। এইক্ষেত্ৰত আন বেচৰকাৰী সংগঠনক জড়িত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। শিশুৰ অধিকাৰ আৰু সুৰক্ষা সম্পৰ্কীয় বিষয়বোৰ নিশ্চিত কৰাৰ বাবে অংগনৱাড়ী কেন্দ্ৰবোৰলৈ নিয়মীয়াকৈ গৈ কথা-বতৰা পতাৰ পৰামৰ্শ দিয়া হয়। ইতিমধ্যে কাম কৰি থকা শিক্ষাৰ্থী স্বেচ্ছাসেৱকসকলক অধিক দায়িত্ব দিবলৈ আৰু নতুনকৈ অধিক এনে স্বেচ্ছাসেৱক নিয়োজিত কৰাৰ বাবে আজিৰ বৈঠকে মহিলা শক্তি কেন্দ্ৰ আৰু ইণ্ডো-গ্ল'বেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটীক পৰামৰ্শ দিয়ে। শিক্ষানুষ্ঠানত সজাগতা সভা পাতিবলৈ যাওঁতে যাতে কোনো আপত্তিৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে একচন প্লেন প্ৰস্তুত কৰি বিদ্যালয় পৰিদৰ্শকক জমা দিবলৈ পৰামৰ্শ দিয়ে বৈঠকত উপস্থিত থকা জিলা উন্নয়ন আয়ুক্ত কান্তা দাসে। আজিৰ বৈঠকত জিলা সমাজ কল্যাণ বিষয়া, শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, বিভিন্ন বিভাগৰ বিষয়াকে ধৰি মহিলা শক্তি কেন্দ্ৰ আৰু ইণ্ডো-গ্ল'বেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটীৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।




# ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ ২০২১ বৰ্ষৰ ৰাজনন্দিনী শিল্পী বঁটা ঘোষণা

## ৰাজনন্দিনী শিল্পী বঁটাৰ বাবে নিৰ্বাচিত জ্যেষ্ঠ অভিনেতা ডম্বৰুধৰ তামুলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, চেঙা, ৯ ডিচেম্বৰ ঃ** আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে ২০২১ বৰ্ষৰ ৰাজনন্দিনী বঁটা ঘোষণা কৰিছে। ৰাজনন্দিনী শিল্পী বঁটাৰ বাবে নিৰ্বাচিত হৈছে সৰুক্ষেত্ৰী অঞ্চলৰে এগৰাকী যশস্বী অভিনেতা ডম্বৰুধৰ তামুলী। উল্লেখ্য যে অসমৰ ভ্ৰাম্যমাণ নাট্যজগতৰ বহুল চৰ্চিত আৰু ব্যাপক জনসমৰ্থন লাভ কৰা সৰ্থেবাৰীৰ ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে অসমত ৰুচিশীল আৰু উন্নত মানৰ নাট্যসম্ভাৰৰ জৰিয়তে নাট্যজগতলৈ বিশেষ অৱদান আগবঢ়াই থকাৰ লগতে অসমৰ যাত্ৰাজগতক এক নতুন মাত্ৰা প্ৰদান কৰিছে বুলি সৰ্বত্ৰ চৰ্চিত হৈ আহিছে। দৰ্শকক ৰুচিশীল আৰু উন্নত মানৰ নাট্য উপহাৰ দিয়াৰ সমান্তৰালকৈ নাট্যজগতৰ লগত জড়িত শিল্পী-অভিনেতালৈ ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে আগবঢ়াই আহিছে 'ৰাজন্দিনী শিল্পী বঁটা'। অসমৰ দৰ্শকৰ মনত বিশেষ আসন দখল কৰা ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে ২০২১ বৰ্ষৰ ৰাজনন্দিনী শিল্পী বঁটাৰ বাবে সৰুক্ষেত্ৰী অঞ্চলৰ নাট্যজগতৰ এগৰাকী বিশিষ্ট ব্যক্তি ডম্বৰুধৰ তামুলীক নিৰ্বাচন কৰা বুলি ঘোষণা কৰিছে। ২০২১ বৰ্ষৰ ৰাজনন্দিনী শিল্পী বঁটাৰ বাবে নিৰ্বাচন কৰা জ্যেষ্ঠ অভিনেতা তথা সাংস্কৃতিক কৰ্মী ডম্বৰুধৰ তামুলী এগৰাকী চৰকাৰী কৰ্মচাৰী হোৱাৰ সমান্তৰালকৈ এগৰাকী সুদক্ষ অভিনেতা হিচাপে পৰিচিত।



১৯৬৪ চনত ৰক্ষকুমাৰ নাটত লক্ষ্মণৰ চৰিত্ৰত অভিনয় কৰি মঞ্চজগতত খোজ পেলাই নিৰৱচ্ছিন্নভাৱে ইখনৰ পিছত সিখন নাটকত অভিনয় কৰা ডম্বৰুধৰ তামুলীৰ অভিনয় শৈলী আছিল প্ৰশংসনীয়। একেদৰে 'বিপ্লৱী বীৰ' নাটকত সেনাপতি অজিত সিংহ, 'এটোপাল তেজ' নাটকত সুন্দৰৰ চৰিত্ৰত, 'জীৱন তৃষ্ণা'ত সত্যব্ৰত চৌধুৰী, 'পূজাৰী দানৱ'ত ৰজা অৰিন্দম আদি চৰিত্ৰত কৰা দুৰ্দান্ত অভিনয় আজিও বহু লোকৰ মনত সজীৱ হৈ আছে। বিশেষকৈ 'দেৱী মা মনসা'ত মহাদেৱৰ চৰিত্ৰত কৰা সাৱলীল অভিনয়ে আৰু 'ছত্ৰপতি শিৱাজী' নাটকত শিৱাজীৰ চৰিত্ৰত কৰা অভিনয়ে ডম্বৰুধৰ তামুলীক অন্য এক পৰিচয় দিবলৈ সক্ষম হৈছিল। এইগৰাকী বৰেণ্য শিল্পী ডম্বৰুধৰ তামুলীক অহা জানুৱাৰী মাহত আনুষ্ঠানিক ভাৱে প্ৰদান কৰা হ'ব ৰাজনন্দিনী শিল্পী বঁটা ২০২১। সাংবাদিক নকুল তালুকদাৰৰ পৃষ্ঠপোষকতাত জন্মলাভ কৰা ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্য দলৰ এনে ব্যতিক্ৰমী পদক্ষেপক আদৰণি জনাইছে সাংস্কৃতিক কৰ্মীসকলে।

# সূতাৰগাঁও পঞ্চায়তলৈ স্থানান্তৰিত ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৯ ডিচেম্বৰ ঃ** হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থানান্তৰ কৰা হৈছে । নতুন ঠিকনা ল'লে ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে । ডবকা-ডিফু ৰোডত থকা সূতাৰগাঁও পঞ্চায়ত কাৰ্যালয়ত হ'লগৈ ডবকা ৰাজহ চক্ৰ বিষয়াৰ নতুন কাৰ্যালয়। বাতৰি অনুসৰি ডবকা পৌৰসভাৰ অন্তৰ্গত ডবকা থানা ৰোডৰ এটা ভাৰাঘৰত সুদীৰ্ঘ ২১ বছৰ কাল ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কাম-কাজ চলি আহিছিল । সূতাৰগাঁও পঞ্চায়তৰ এটি সমূহীয়া ভৱনক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ ৰূপ দি তাতে স্থানান্তৰ কৰা হয় কাৰ্যালয়টি । প্ৰথমে ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টো হোজাইত আছিল । ১৯৯৬ চনত প্ৰয়াত আলহাজ খলিলুৰ ৰহমান চৌধুৰী যমুনামুখ সমষ্টিৰ বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত ৰাতিৰ ভিতৰত হোজাইৰ পৰা ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টো ৰাইজৰ সুবিধাৰ্থে ডবকালৈ স্থানান্তৰ কৰি আনিছিল। সেই সময়ত ডবকাত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ বাবে এটা সুকীয়া ঘৰ বা কাৰ্যালয় নথকাত তেতিয়াৰ বিধায়কগৰাকীয়ে নিজৰে এটা ঘৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ বাবে ভাৰাত দিছিল । সুদীৰ্ঘ ২১ বছৰ ভাৰাঘৰত থকাৰ অন্তত ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টো এক নতুন স্থানলৈ স্থানান্তৰিত কৰা হ'ল । আজি এক মাংগলিক অনুষ্ঠানৰ জৰিয়তে ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টো মুকলি কৰা হয়। ডবকা ৰাজহ চক্ৰ বিষয়া দীপ্তি গগৈয়ে স্থানীয় ৰাইজৰ লগতে ৰাজহ চক্ৰ কাৰ্যালয়ৰ মণ্ডল-কাননগোৰ উপস্থিতিত ফিতা কাটি নতুন কাৰ্যালয় মুকলি কৰে।

# লোকপ্ৰিয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ সীমাত থকা দোকানীৰ প্ৰশংসনীয় পদক্ষেপ

## ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে সৰু মানুহৰ ডাঙৰ চিন্তাৰে নিৰ্মাণ কৰি দিলে চাইকেল ষ্টেণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৯ ডিচেম্বৰ ঃ** যোৱা বিহালীৰ লোকপ্ৰিয় উচ্চ মাধ্যমিক বিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা প্ৰায় ১ লাখ টকীয়া চাইকেল ষ্টেণ্ড। ছাত্ৰ-ছাত্ৰীৰ বাবে এটা দীৰ্ঘদিনীয়া সমস্যা আছিল এটা চাইকেল থোৱা ঘৰৰ। লোকপ্ৰিয় বিদ্যালয় প্ৰতিষ্ঠাতা ও শিক্ষক স্বাধীনতাৰ মুক্তিযোদ্ধা প্ৰয়াত চণ্ডিকা প্ৰসাদ সাহাৰ দিনৰ ১৯৬৭ চনৰ পৰাই স্কুলৰ সীমাত দোকান দি থকা দোকানী বাবুল বৰাই এই চাইকেল ষ্টেণ্ডটো আনুষ্ঠানিকভাৱে ফিতা কাটি মুকলি কৰে। বিদ্যালয়খনৰ সমান্তৰালভাৱে বাবুল বৰাই তেতিয়াৰ পৰা আজিলৈকে দোকান দিয়ে আছে । তেখেতৰ এনে কাৰ্যৰ বাবে আজি বিদ্যালয়ৰ কৰ্তৃপক্ষই ফুলাম গামোচাৰে আদৰণি জনায়, লগতে যুৱ ব্যৱসায়ী মিণ্টু হাজৰিকাই। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীক শিক্ষক আৰু বিদ্যালয়ৰ সীমাতে থকা ব্যৱসায়ীসৱৰ মাজত এখন সভা অনুষ্ঠিত হয়। সভাত উদ্দেশ্য ব্যাখ্যা আৰু ব্যৱসায়ীসৱক চিনাকি কৰাই দিয়ে শিক্ষক হৃদয়ানন্দ চাহুৱে। প্ৰধান শিক্ষকে আজিৰ এই শুভ দিনটো এই ব্যৱসায়ীসকলৰ বাবেই আজি এই দিনটো এটা উল্লেখনীয় দিন বুলি অবিহিত কৰে। কাৰণ এই ১ লাখ টকীয়া চাইকেল ষ্টেণ্ডটো বিধায়ক-মন্ত্ৰীৰ অথবা কোনো চৰকাৰী আঁচনিৰ ধনেৰে নিৰ্মাণ কৰা নহয়, স্কুলৰ সীমাত থকা দোকানীসকলৰ ভাড়াৰ টকাৰে এই কাৰ্য কৰা হৈছে। তদুপৰি তেখেতসকলে দোকানঘৰৰ ভাড়া যথেষ্ট পৰিমানে দি এই চাইকেল ষ্টেণ্ড বনোৱাত সহায় কৰিছে। সেয়ে তেখেতসকলৰ দ্বাৰাই মুকলি কৰা হয় এই ষ্টেণ্ডটো। ভাষণ পৰ্বত বৰাই শিক্ষকবৃন্দৰ সহযোগিতাৰ বাবে ধন্যবাদ জনায়। ভৱিষ্যতৰ সময়ত বিদ্যালয়ৰ কাৰ্যত আৰ্থিক সহায় কৰিম বুলিও কথা দিয়ে। ব্যৱসায়ী নীলকান্ত শৰ্মাই ছাত্ৰ-ছাত্ৰীক অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। এসময়ৰ আছু নেতা গিৰীন ডেকা ডাঙৰীয়ায়ো মন্তব্য ৰাখে। আনহাতে বিদ্যালয়ৰ উন্নয়ন সমিতিৰ সভাপতি ক্ষীৰোদ দাসে ষ্টেণ্ডৰ ভেটিত মাটি দিয়া আৰু কেইজনমান স্থানীয় যুৱকে পৰিশ্ৰম কৰা আদি সহযোগিতাক প্ৰধান শিক্ষক জয়ন্ত হাজৰিকাই সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰে। সৰু মানুহৰ এনে ডাঙৰ চিন্তাক বিহালীৰ সচেতন লোকে প্ৰশংসনীয় পদক্ষেপ বুলি শলাগ লয়।



# বস্ত্ৰ ভঁৰালৰ উদ্যোগত আহুতলীত আৰ্থিকভাৱে দুৰ্বল ৰাইজৰ মাজত বস্ত্ৰ বিতৰণ আৰু বিনামূলীয়া স্বাস্থ্য শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ ডিচেম্বৰ ঃ** বস্ত্ৰ ভঁৰাল, The Clothes Bankৰ উদ্যোগত কঠীয়াতলীৰ আহুতলী প্ৰাথমিক বিদ্যালয়ত আজি অনুষ্ঠিত হয় বস্ত্ৰ বিতৰণ কাৰ্যসূচী। বস্ত্ৰ বিতৰণ কাৰ্যসূচীত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ ডাঙৰীয়া উপস্থিত থাকি আৰ্থিকভাৱে দুৰ্বল ৰাইজৰ মাজত বস্ত্ৰ বিতৰণ কৰে। উল্লেখযোগ্য যে বস্ত্ৰ বিতৰণৰ লগত সংগতি ৰাখি অনুষ্ঠিত হয় স্বাস্থ্য শিবিৰ। স্বাস্থ্য শিবিৰটোত ডাঃ সমৰ লোচন শইকীয়া, ডাঃ স্বৰ্ণলতা দেৱী, ডাঃ চন্দন ৰায়, মনস্তাত্ত্বিক বিশেষজ্ঞ আৰাধনা বৰুৱা, ৰাজ্যিক শিশু সুৰক্ষা সমিতিৰ মৰিগাঁও জিলাৰ LEGAL CUM PROBATION OFFICER নমিতা দেৱী উপস্থিত থাকে। বস্ত্ৰ ভঁৰালৰ সভাপতি বিৰিঞ্চি বৰাই জানিবলৈ দিয়া মতে ২০১৭ চনৰ পৰা বস্ত্ৰ বিতৰণ কৰা অনুষ্ঠানটোৱে আজি অনুষ্ঠিত কাৰ্যসূচীত প্ৰায় ৩৫০ জন ব্যক্তিক কাপোৰ বিতৰণ কৰাৰ লগতে প্ৰায় ২০০ ব্যক্তি আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণ কৰে। গীতাঞ্জলি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰৌশ্বন বট্ৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গাঁওবুঢ়া ৰেলচন ইংতিৰ লগতে আহুতলীৰ ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে বস্ত্ৰ ভঁৰালৰ কৰ্মকৰ্তা ক্ৰমে বিৰিঞ্চি বৰা, প্ৰাঞ্জল মজুমদাৰ, মঞ্জুল জ্যোতি দাস, জাকিৰ হুছেইন, দেৱাশীষ বৰুৱাই কৰি অহা এই মহান সেৱাৰ বাবে সকলোৱে ভূয়সী প্ৰশংসা কৰিছে।




# তামিলনাডুৰ বিমান দুৰ্ঘটনাক লৈ এবিএমছুৰ কোকৰাঝাৰত শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকৰাঝাৰ, ৯ ডিচেম্বৰ ঃ** তামিলনাডুত সংঘটিত হোৱা শোকাৱহ বিমান দুৰ্ঘটনাত ভাৰতৰ প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী বিপিন ৰাৱত আৰু তেখেতৰ সহধৰ্মিণীসহ ১১জনকৈ জোৱানে শ্বহীদ বৰণ কৰাত আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৱে শোক প্ৰকাশ কৰি কোকৰাঝাৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে । লক্ষণীয় যে কোকৰাঝাৰ চহৰৰ উৰণীয়া সেতুত আজি এবিএমছুৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ যৌথ উদ্যোগত তামিলনাডুৰ ঘটনাত শোক প্ৰকাশ কৰি মমবাতি প্ৰজ্বলনেৰে দেশৰ প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী বিপিন ৰাৱতসহ শ্বহীদবৰণ কৰা সকলো বীৰ জোৱানক সোঁৱৰণ কৰি দুৰ্ঘটনাক তদন্তৰে এনেধৰণৰ ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত এবিএমছুৰ মুখ্য সাংগঠনিক সম্পাদক জাইদুল ইছলাম আৰু উপসভাপতি আলী আজম শ্বেখ আৰু জিলা সভাপতি নজৰুল ইছলামৰ উপস্থিত থাকে।

# লখিমপুৰত জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত ছোনিয়া গান্ধীৰ ৭৫তম জন্ম দিৱসত মহিলা সন্মান দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৯ ডিচেম্বৰ ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ সভানেত্ৰী ছোনিয়া গান্ধীৰ ৭৫ তম জন্মদিন উপলক্ষে লখিমপুৰ জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত লখিমপুৰ অসামৰিক চিকিৎসালয়ত প্ৰসূতি বিভাগত ফল-মূল বিতৰণৰ এক কাৰ্যসূচী গ্ৰহণ কৰা হয় । উক্ত অনুষ্ঠানত উপস্থিত থাকে জিলা যুৱ কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক ভাৰত শইকীয়া, তপন চলিহা, প্ৰেমধৰ কামান, দাদুল দত্ত আৰু উপস্থিত থাকে কংগ্ৰেছ দলৰ উদীয়মান যুৱ নেতা প্ৰয়াত জননেতা, প্ৰাক্তন বিধায়ক লেখন লাহনৰ নাতি মৌচুম লাহন । দিৱস উপলক্ষে কেইবাগৰাকী বিশিষ্ট মহিলাক সম্বৰ্ধনাৰে সন্মান যচা হয়।

# নতুন বলাইত প্ৰয়াত তপন হাজৰিকা গ্ৰন্থবীক্ষণ প্ৰতিযোগিতাৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড় ৯ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ কোটোহা অঞ্চলৰ স্বেচ্ছাসেৱী বৌদ্ধিক সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত আয়োজিত প্ৰয়াত তপন হাজৰিকা সোঁৱৰণী গ্ৰন্থবীক্ষণ প্ৰতিযোগিতা যোৱা ৫ ডিচেম্বৰত নতুন বলাইৰ প্ৰদীপ পুথিভঁৰালত শুভাৰম্ভ অনুষ্ঠিত হৈ যায়। আলোক সন্ধানীৰ সম্পাদক প্ৰয়াত তপন হাজৰিকাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনা অনুষ্ঠিত অনুষ্ঠানত প্ৰয়াত তপন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাপৰ্ণ আৰু বন্তি প্ৰজ্বলন কৰে আলোক সন্ধানীৰ উপ-সভাপতি ৰাজেন্দ্ৰজিত গগৈ স্মৃতি তৰ্পণ কৰে কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সমীৰণ কুমাৰ দাসে । অনুষ্ঠানটোত আলোক সন্ধানীৰ দীপশিখা 'মায়া' ফুলনজ্যোতি' নিকিতা মৌচুমী' মূৰ্ছনাই ঈশ্বৰৰ প্ৰাৰ্থনাৰে অনুষ্ঠানৰ সৌষ্ঠৱ আৰু সমাদৃত কৰি তোলে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সমীৰণ কুমাৰ দাসে আলোক সন্ধানী অধ্যয়ন-চক্ৰৰ গ্ৰন্থবীক্ষণ অনুষ্ঠানটো অতি সুন্দৰ সময়োপযোগী বুলি ভৱিষ্যৎ উজ্জ্বল কামনা কৰে আৰু গ্ৰন্থই পৃথিৱী শাসন কৰে বুলি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত অৱসৰী শিক্ষক যদুনাথ শইকীয়া আৰু ৰাজেন্দ্ৰ জিত গগৈয়ে গ্ৰন্থবীক্ষণ অনুষ্ঠানৰ শুভেচ্ছামূলক বক্তব্য প্ৰকাশ কৰে। এই অনুষ্ঠানতেই বৰবৰুৱা নিৱাসী গ্ৰন্থপ্ৰেমী অনুপম বৰুৱা আৰু নতুন বলাইৰ নিবাসী যদুনাথ শইকীয়াই প্ৰয়ত তপন হাজৰিকা সোঁৱৰণী গ্ৰন্থ কোষলৈ শতাধিক গ্ৰন্থ দানসূত্ৰে আগবঢ়ায়। যোৱা ৪ ছেপ্টেম্বৰত তপন হাজৰিকাৰ গ্ৰন্থকোষ বিশিষ্ট সাহিত্যিক অৱসৰী শিক্ষক তুলাৰাম সোণোৱাল আৰু খোৱাঙৰ সফল ব্যৱসায়ী পৱিত্ৰ লিগিৰাই দান কৰা গ্ৰন্থৰ সম্ভাৰেৰে গঠন কৰা হয়। গ্ৰন্থবীক্ষণ প্ৰতিযোগিতা নৱম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যন্ত অধ্যয়নৰত মুঠ ৩০গৰাকী ছাত্ৰ-ছাত্ৰীলৈ একোখন কৈ গ্ৰন্থ প্ৰদান কৰা হয়। আনহাতে প্ৰথম পৰ্যায়ত প্ৰতিযোগীসকলক অহা ৫ ফেব্ৰুৱাৰীৰ ভিতৰত তেওঁলোকৰ ভাগত পৰা গ্ৰন্থৰ বিষয়ে গ্ৰন্থপৰিচয় বিষয়ক একোটা নিবন্ধ লিখি আলোকসন্ধানীৰ সম্পাদকৰ হাতত জমা দিবলৈ গ্ৰন্থবীক্ষণ প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰাৰ আয়োজন কৰিছে। ঠিক সেইদৰে পৰৱৰ্তী পৰ্যায়ত ৫ ফেব্ৰুৱাৰী, ৫ জুন, ৫ আগষ্টত দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম পৰ্যায়ৰ গ্ৰন্থ বীক্ষণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক আলোক সন্ধানী অধ্যয়ন চক্ৰৰ সভাপতি-সম্পাদকৰ লগত যোগাযোগ কৰিব পাৰিব। আলোক সন্ধানী অধ্যয়ন চক্ৰৰ সভাপতি গকুল চন্দ্ৰ খাউণ্ডে আঁত ধৰা গ্ৰন্থবীক্ষণ প্ৰতিযোগিতাৰ শুভাৰম্ভ অনুষ্ঠানটোত প্ৰদীপ পুথিভঁৰালৰ লম্ভেশ্বৰ হাজৰিকাই অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীকে ধৰি যুৱক-যুৱতী আৰু ৰাইজক নিয়মীয়াকৈ গ্ৰন্থ অধ্যয়ন কৰিবলৈ আহবান জনায়। আলোক সন্ধানী অধ্যয়ন চক্ৰৰ সভাপতি গকুল চন্দ্ৰ খাউণ্ডে উপস্থিত সুধীসকলক ধন্যবাদ জ্ঞাপন কৰি প্ৰতিযোগিতাত অৱতীৰ্ণ প্ৰতিযোগীসকলক অবিৰতভাৱে অধ্যয়ন কৰিবলৈ আহবান জনায়।



# শ্ৰীশ্ৰীফুলগুৰি- গড়মূৰ সত্ৰৰ বিগ্ৰহ স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৯ ডিচেম্বৰ ঃ** ১৭৬৯ খ্ৰীষ্টাব্দত শ্ৰীশ্ৰীবাসুদেৱ গোস্বামীয়ে প্ৰতিষ্ঠা কৰা ৰহাৰ ফুলগুৰি-গড়মূৰ সত্ৰত কিছুদিন পূৰ্বে চোৰে মণিকূটৰ দুৱাৰ ভাঙি সত্ৰৰ বিগ্ৰহৰ লগতে অনান্য পূজাৰ সামগ্ৰী আৰু নগদ ধন পৰ্যন্ত লুট পাত কৰি নিয়ে। পিছত সত্ৰৰ নিয়ম অনুসৰি ৯ ডিচেম্বৰত সত্ৰৰ আসন শুদ্ধি আৰু বিগ্ৰহৰ পুনৰ প্ৰতিষ্ঠাৰ কাৰ্যসূচী সমাপিত হয়। বেবেজীয়া কুৰুৱাবাহী সত্ৰৰ সত্ৰাধিকাৰ লাৰুধন গোস্বামীৰ পৌৰোহিত্যত আয়তীৰ মংগল উৰুলিৰে বিগ্ৰহ প্ৰতিষ্ঠাৰ অনুষ্ঠানৰ আৰম্ভণি হয়। সত্ৰৰ পূজাৰী কবিন চন্দ্ৰ বৰকটকীয়ে বিষ্ণু পূজা আৰু হোম যজ্ঞ সমাপন কৰে । হৰিনাম আৰু গায়ন বায়নৰ ধ্বনিৰে মুখৰ অনুষ্ঠানত সত্ৰৰ ভালেসংখ্যক শিষ্যৰ লগতে শতাধিক লোক উপস্থিত থাকে । বিগ্ৰহ প্ৰতিষ্ঠাৰ অনুষ্ঠানত ৰাইজৰ সহায়-সহযোগিতাৰ বাবে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শৰ্মা, সম্পাদক মোহন শইকীয়া, নামঘৰীয়া বকুল তামুলী আৰু সত্ৰ পৰিচালনা সমিতিৰ সক্ৰিয় কৰ্মী দুৰ্গেশ্বৰ বৰকটকীয়ে ৰাইজলৈ কৃতজ্ঞতা প্ৰকাশ কৰে।

# লক্ষ্য ১০০ শতাংশ ঃ বৰপেটা জিলাত ২৮৬টা কেন্দ্ৰত আজি আৰু কাইলৈ দিয়া হ'ব ক'ভিড প্ৰতিষেধক



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৯ ডিচেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে বৰপেটা জিলাতো ১০ আৰু ১১ ডিচেম্বৰত বিশেষ টিকাকৰণ অভিযান চলোৱা হ'ব। বিশেষকৈ ক'ভিডৰ দ্বিতীয় পালি প্ৰতিষেধক ছিটা লোৱাৰ সময় হোৱা বা প্ৰথম পালি ক'ভিড টিকা লৈ দ্বিতীয় পালি ছিটা নোলোৱা অথবা লোৱাৰ সময় উকলি যোৱা ব্যক্তিসকলক এই অভিযানত সামৰি লোৱা হ'ব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে তাৰ বাবে বৰপেটা জিলাৰ স্বাস্থ্য কেন্দ্ৰসমূহকে ধৰি মুঠ ২৮৬টা ক'ভিড প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপন কৰা হৈছে। এই অভিযানত আশা আৰু অংগনৱাড়ী কৰ্মী, ভোটগ্ৰহণ কেন্দ্ৰ বিষয়া আৰু স্বাস্থ্য কৰ্মীসকলক পূৰ্ণ ৰূপত ব্যৱহাৰ কৰা হৈছে। সেয়েহে কাইলৈ আৰু পৰহিলৈ ভেকচিন ল'বলৈ বাকী থকা বা দ্বিতীয় পালিৰ সময় হোৱা সকলো ব্যক্তিকে তেওঁলোকৰ নিকটৱৰ্তী ক'ভিড টিকাকৰণ কেন্দ্ৰলৈ গৈ দ্বিতীয় পালি টিকা ল'বলৈ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে গোহাৰি জনাইছে।

# শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱ-নিৰ্বাচিত কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ৯ ডিচেম্বৰ ঃ** শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষাক সন্মিলনীৰ নৱ নিৰ্বাচিত কাৰ্যনিৰ্বাহক সদস্য সদস্যা সকলৰ আজি নগৰৰ মাজমজিয়াত অৱস্থিত শিক্ষক ভৱনত শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। সন্মিলনীৰ সভাপতি ৰবীন দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানটোত উদেশ্য ব্যাখ্যা কৰে সম্পাদক বিনন্দ দত্তই। অনুষ্ঠানটোত নৱ-নিৰ্বাচিত আৰু বিগত বৰ্ষৰ কাৰ্যনিৰ্বাহ সদস্য-সদস্যাসকলক উষ্ম সম্ভাষণ জ্ঞাপন কৰা হয়। প্ৰাক্তন উপ-সভাপতি উমা গোহাঁইয়ে নৱ-নিৰ্বাচিত কাৰ্যনিৰ্বাহ সদস্য-সদস্যাসকলক প্ৰাথমিক শিক্ষকৰ ঐক্য-সংহতি, সমন্বয়, অক্ষুণ্ণ ৰাখি প্ৰাথমিক শিক্ষা আৰু শিক্ষকৰ বৃহত্তৰ স্বাৰ্থৰ হকে নিষ্ঠা আৰু নৈতিকতাৰে কাম কৰি যোৱাৰ শপত বাক্য পাঠ কৰোৱাই। উল্লেখ্য যে বিগত বৰ্ষসমূহত শিক্ষক সন্মিলনীৰ বিষয়বাবৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিব লগা হৈছিল যদিও ৪৮-সংখ্যাক দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰা প্ৰতিনিধিসকলে প্ৰমাণ কৰি দিলে যে বৰ্তমান শিক্ষাগুৰুসকল ক্ষমতাৰ প্ৰতি লালায়িত নহয়। শিক্ষক প্ৰতিনিধিসকলে ক্ষমতা লাভৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰি পূৰ্বৰ সমিতি খনকে বাহাল ৰখাত সন্মিলনৰ সাধাৰণ সম্পাদক বিনন্দ দত্তই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোত প্ৰতি মাহৰ শেষৰ শনিবাৰে ছুটীৰ পাছত কেন্দ্ৰ সভা পতা আৰু প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হয়। শপত গ্ৰহণ অনুষ্ঠানটোত উপ-সভাপতি বিমল গগৈ, ৰাজ্যিক সদস্য দিপাংকৰ কোঁৱৰ, হৰেন শৰ্মা, সহকাৰী সম্পাদক ব্ৰজেন দাস, প্ৰতিনিধি ৰমেশ দত্তই তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে।

# ৰহাত প্ৰাক্তন শিক্ষয়িত্ৰীৰ মৃত্যু হাৰিয়ামুখৰ প্ৰথম গৰাকী মহিলা শিক্ষয়িত্ৰী আছিল কুঞ্জলতা কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৯ ডিচেম্বৰ ঃ** ৰহা বজাৰৰ পূজাবাৰীৰ বাসিন্দাৰ প্ৰাক্তন শিক্ষয়িত্ৰী তথা ধৰ্মপ্ৰাণ মহিলা কুঞ্জলতা কাকতিৰ কালি বিয়লি নিজা বাসভৱনত মৃত্যু হয় । ১৯৪০ চনৰ ২৩ মাৰ্চত ৰহা হাৰিয়ামুখত জন্মহোৱা কুঞ্জলতা কাকতিয়ে বেচিক ট্ৰেইনিং পাছ কৰাৰ পাছতেই ১৯৫৮ চনত ৰহা চিনিয়ৰ বেচিক স্কুলত সহ শিক্ষয়িত্ৰী হিচাবে যোগদান কৰা কুঞ্জলতাই কিছুদিন পুৰণিগুডামত শিক্ষয়িত্ৰী হিচাবে কাম কৰি পিছলৈ পুনৰ ৰহা চিনিয়ৰ বেচিকলৈ বদলৈ হৈ ২০০২ চনত অৱসৰ গ্ৰহণ কৰে । ৰহাৰ হাৰিয়ামুখৰ প্ৰথম মহিলা চৰকাৰী শিক্ষয়িত্ৰী কুঞ্জলতাই বিবাহৰ পাছতে ৰহা বজাৰৰ পূজা বাৰীৰ কাষত থাকিবলৈ লয় আৰু ৰহাৰ বিভিন্ন সামাজিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠানৰ গুৰি ধৰোতা হৈ পৰে ।আই সকলৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগতে নামতি আছিল কুঞ্জলতা । ২০১৬ চনৰ পৰা উচ্চ ৰক্তচাপ আৰু ডায়েবেটিচ ৰোগত আক্ৰান্ত হৈ গৃহবন্ধী হৈ পৰা কুঞ্জলতা কলিতাই পুত্ৰ - বোৱাৰীৰ আলপৈচানত জীয়াই থাকি কালি সন্ধিয়া শেষ নিশ্বাস ত্যাগ কৰে । এবছৰৰ আগতে স্বামীক হেৰুৱা মহিলা গৰাকীয়ে মৃত্যুৰ সময়ত দুই পুত্ৰ - বোৱাৰী , দুই জীয়াৰী - জোঁৱাই সহ নাতি আৰু আত্মীয় স্বজনত এৰি যায় ।



# ডিব্ৰুগড়ত সুবাসিত কল্লোল নামৰ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৯ ডিচেম্বৰ ঃ** এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে আজি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যালয়ত এখনি কাব্য গ্ৰন্থৰ উন্মোচন হৈ যায়। প্ৰতিভাৱান কবি দেৱজিৎ গগৈয়ে ৰচনা কৰা 'সুবাসিত কল্লোল' কাব্য এই গ্ৰন্থখনি আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে অসমৰ বিশিষ্ট কবি ড০ কৰবী ডেকা হাজৰিকাই। উন্মোচকৰ ভাষণত বিশিষ্ট কবিগৰাকীয়ে মাটি, পানীৰ লগত সংপৃক্ত থকাৰ কবি দেৱজিৎ গগৈৰ এই কাব্যগ্ৰন্থখনিয়ে কবিতা ভালপোৱা মানুহক হৃদয় জয় কৰিবৰ পাৰিব বুলি উল্লেখ কৰে। আজি কাব্যগ্ৰন্থ উন্মোচনী এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, সাংবাদিক যাদৱ গগৈকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক মৃণাল কুমাৰ বৰুৱাই আঁত ধৰা এই অনুষ্ঠানত চহৰখনৰ বিভিন্ন ক্ষেত্ৰ লগত জৰিয়তৰ থকা লেখক, সাংবাদিকে অংশগ্ৰহণ কৰাৰ পৰিলক্ষিত হয়।

# বকো জে এন কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আবৃত্তিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৯ ডিচেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক শ্ৰেণীৰ অসমীয়া বিভাগৰ পঞ্চম সান্মাষিকৰ শিক্ষাৰ্থীৰ বাবে প্ৰণয়ন কৰা বিশেষ দক্ষতা বিকাশ পাঠ্যক্ৰমৰ আবৃতি কলাৰ পাঠৰ ব্যৱহাৰিক জ্ঞানৰ বাবে কামৰূপ জিলাৰ বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত মঙলবাৰে আবৃত্তিৰ এটি কৰ্মশালা অনুষ্ঠিত হৈ যায় । মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সহযোগত মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই আবৃত্তিৰ কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ঠ কবি তথা আবৃত্তিকাৰ উপম শইকীয়াই। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জুৰা শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত উদ্বোধনী বক্তব্য প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্তই । অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ যতীন চন্দ্ৰ মেধি, ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক প্ৰাণেশ্বৰ নাথ, আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সমন্বয়ক ধীৰাজ কুমাৰ দাস, অসমীয়া বিভাগৰ স্নাতোকত্তৰ বিভাগৰ সমন্বয়ক ড° ক্ষিৰোধ চন্দ্ৰ ঠাকুৰীয়া, অতিথি অধ্যাপক ড° কমলেশ্বৰ ঠাকুৰীয়া, অধ্যাপিকা সুনিতা বড়ো ৰাভা, নীলাক্ষী দাস, বেবীদেৱী বড়ো, জুতিকা ৰাভা প্ৰমুখ্যে মহাবিদ্যালয়ৰ অনান্য বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে । উল্লেখ্য, অসমীয়া বিভাগৰ উপৰি আন আন বিভাগৰ ছাত্ৰ- ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই আবৃত্তিৰ কৰ্মশালাত প্ৰশ্নত্তোৰ শিতানৰ দ্বাৰাও ছাত্ৰ-ছাত্ৰীৰ আবৃত্তি সম্পৰ্কে থকা সম্যক ধাৰণাৰ পৰিচয় পাবলৈকো যত্ন কৰা হয়।

# হাজোত হৰ ঘৰ দস্তকত নিয়োজিত শিক্ষয়িত্ৰী পথ দুৰ্ঘটনাত আহত হৈ চিকিৎসালয়ত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গায়নটোলা নিবাসী হিতেশ দাসৰ পত্নী তথা হাজো কুশৰৈ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী কৰবী বৰুৱা দাসৰ নিশা দহ বজাত চিকিৎসাধীন অৱস্থাত গুৱাহাটী জি এন আৰ চিত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪২ বছৰ। জানিব পৰা মতে, যোৱা ৩ ডিচেম্বৰত কৰবী বৰুৱাই হৰ ঘৰ দস্তক কাৰ্যসূচী সামৰি এখন ই- ৰিক্সাৰে ঘৰলৈ উভতি অহাৰ পথত হাজো সাতদলা চকত দুৰ্ঘটনাত পতিত হৈ গুৰুতৰ ভাৱে আহত হৈছিল। ততালিকে তেওঁক হাজো এফ আৰ ইউত ভৰ্তি কৰে যদিও স্বাস্থ্যৰ অৱস্থা গুৰুতৰ হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। বিগত এসপ্তাহে মৃত্যুৰ সৈতে যুজ দি কালি নিশা শেষ নিশ্বাস ত্যাগ কৰে। মেধাবী কৰবী বৰুৱা দাসে ২০০১ চনত অ' বি বি শিক্ষক হিচাপে চাকৰিত যোগদান কৰে। সৰবৰহী মহিলা কৰবী বৰুৱা দাস শিক্ষকতাই নহয় এগৰাকী সমাজকৰ্মী তথা ভাল বিহু নাচনী আছিল। শিক্ষয়িত্ৰীগৰাকীৰ অকাল মৃত্যুত হাজো ৰাইজ সমিতি,অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ৰাতুল গোস্বামী, গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি বৰুণ চন্দ্ৰ মালাকাৰ, হাজো আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰবীণ দাস, সম্পাদক প্ৰণৱ কুমাৰ শৰ্মা, আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, কুশৰৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান ব্যক্তিয়ে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। মৃত্যুৰ সময়ত স্বামী, দুই পুত্ৰ-কন্যাসহ বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়।



# পৰ্বতঝোৰাত বন বিভাগৰ অভিযানত অবৈধ কাঠফলা মিলসহ বৃহৎ পৰিমাণৰ অবৈধ কাঠ জব্দ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৯ ডিচেম্বৰ ঃ** পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত পৰ্বতঝোৰা বন সংমণ্ডলৰ এলেকাধীন দুধুমাৰী অঞ্চলত কালি পৰ্বতঝোৰা বন সংমণ্ডলৰ ডি এফ অ'ৰ তৎপৰতাত অভিযান চলাই দীৰ্ঘদিনৰ পৰা অবৈধভাৱে চলাই অহা কাঠ ফলা মিলসহ বৃহৎ পৰিমাণৰ অবৈধ কাঠ জব্দ কৰিবলৈ সক্ষম হয় । প্ৰাপ্ত তথ্য অনুসৰি, পৰ্বতঝোৰা বন সংমণ্ডলৰ ডি এফ অ' জয়ন্ত কুমাৰ ব্ৰহ্মৰ তৎপৰতাত এক গোপন সূত্ৰৰ ভিত্তিত পৰ্বতঝোৰা বনসংমণ্ডলৰ অন্তৰ্গত খোৱাঘাট বনাঞ্চলিক বিষয়াৰ এলেকাধী দুধুমাৰীত কালি পৰ্বতঝোৰাৰ বন বিভাগৰ বন সুৰক্ষা বাহিনীৰ বন বিষয়া ৰাজীব দত্তৰ নেতৃত্বত বন বিভাগৰ দলে কালি তৎপৰতাৰে কালি অভিযান চলায় । কিন্তু বন বিভাগৰ কৰ্মীসকলৰ অহাৰ উমান পাই এই চোৰাং কাৰবাৰৰ লগত জড়িত বেপাৰীসকলে উক্ত ঠাইৰ পৰা পলাই পত্ৰং দিয়ে। পিছত বন বিভাগৰ দলে উক্ত দুৰ্গম অঞ্চলত চলোৱা অভিযান কালত বৃহৎ আকাৰৰ অবৈধ কাঠ ফলা মিল আৰু প্ৰায় চাৰি লাখ টকা মূল্যৰ অবৈধ কাঠ জব্দ কৰি চুপাৰিঘাটত থকা বন বিভাগৰ কাৰ্যালয়লৈ অনা হয় বুলি জনিব পৰা গৈছে । যোৱা বহু দিনৰ পৰা একাংশ চোৰাং কাঠৰ বেপাৰীৰ কবলত পৰি ঐতিহাসিক মহামায়া সংৰক্ষিত বনাঞ্চল আজি নিঃশেষ হোৱাৰ পথত।

# লেখিকা পিংকী দাস লিকচনলৈ ড° বি আৰ আম্বেদকাৰ এৱাৰ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৯ ডিচেম্বৰ ঃ** বিশিষ্ট লেখিকা, অধ্যাপিকা পিংকী দাস লিকচনলৈ ২০২১ বৰ্ষৰ ড° বি আৰ. আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান ঘোষণা কৰিছে নতুন দিল্লীস্থিত ভাৰতীয় দলিত সাহিত্য একাডেমীয়ে। বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা আৰু শিমলুগুৰি নিৱাসী সঞ্জীৱ লিকচনৰ পত্নী পিংকী দাস লিকচনে শৈশৱৰ পৰা বাতৰি কাকত, আলোচনী আদিৰ জৰিয়তে সাহিত্য চৰ্চা কৰি আহিছে।পিংকী দাস লিকচনৰ ইতিমধ্যে মন শেৱালিৰ সুবাস (কাব্য সংকলন), শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু দৰ্শন, এক চমু অৱলোকন, প্ৰেমৰ সংজ্ঞা বিচাৰি (কাব্য সংকলন), মই নাৰী হোৱাৰ বাবে (কাব্য সংকলন), 'মৎস্যগন্ধা' নামৰ গল্প সংকলনৰ উপৰি সাহিত্যবিষয়ক গ্ৰন্থ 'সাহিত্য অভিষু' প্ৰকাশ পাইছে। নীৰৱে সাহিত্য সাধনাত ব্ৰতী থকা পিংকী দাস লিকচনক এনাজৰী সাহিত্য-সাংস্কৃতি গোষ্ঠীয়ে 'সাহিত্য সৌৰভ' বঁটা, মেজিক বুক অৱ ৰেকৰ্ডছৰ তৰফৰ পৰা বেষ্ট ক্ৰেয়িটিভ ৰাইটাৰ এৱাৰ্ড আৰু বিশেষ পাৰদৰ্শিতাৰ বাবে International Brilliance Award প্ৰদান কৰি উৎসাহিত কৰিছে। পিংকী দাস লিকচনক দলিত সাহিত্য অকাডেমীয়ে আগবঢ়োৱা ৰাষ্ট্ৰীয় সন্মানৰ বাবে অঞ্চলবাসীয়ে গৌৰৱবোধ কৰিছে।

# ধুবুৰীত আৰক্ষীৰ অভিযান ঃ ১৮০টা কফ ছিৰাপৰ বটলসহ এজনক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেবা, ধুবুৰী, ৯ ডিচেম্বৰ ঃ** ধুবুৰী আৰক্ষীয়ে আজি সন্ধিয়া এক গোপন অনুসন্ধানৰ ভিত্তিত অভিযান চলাই ধুবুৰী চহৰৰ এজন যুৱকৰ বাসগৃহৰ পৰা ১৮০টা নিচাজাতীয় কফ ছিৰাপৰ বটল উদ্ধাৰ কৰা ঘটনাই চানচল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰি মতে, আজি সন্ধিয়া আৰক্ষীয়ে চহৰ খনৰ ১০নং ৱাৰ্ড এলেকাৰ জাকিৰ আলম হুছেইন নামৰ এজন যুৱকৰ ঘৰত অভিযান চলাই ১৮০টা কফ ছিৰাপৰ বটল উদ্ধাৰ কৰি কফ ছিৰাপৰ বটলকেইটা জব্দ কৰি জাকিৰ আলম হুছেইনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ধুবুৰী সদৰ থানালৈ লৈ আনে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বৰদিন আৰু ইংৰাজী নৱবৰ্ষ উদ্‌যাপনৰ পৰা বিৰত থাকিবলৈ আহ্বান হিন্দু মহাসংঘৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি-মাজুলী, ৯ ডিচেম্বৰ ঃ** সমাগত বৰদিন আৰু ইংৰাজী নৱবৰ্ষ উদযাপনৰ পৰা সমূহ সনাতন পৰিয়ালে নিজৰ লগতে সতি-সন্ততি আঁতৰাই ৰাখিবলৈ আহ্বান জনাইছে বিশ্ব হিন্দু মহাসংঘৰ অসম শাখাই। আজি বাতৰি কাকতলৈ প্ৰেৰণ এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই আহ্বান জনাইছে হিন্দু মহাসংঘ, অসমৰ সভাপতি তথা মাজুলীৰ দক্ষিণপাট গৃহ আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী আৰু সাধাৰণ সম্পাদক বলেন বৈশ্যই। বিবৃতিটোত মহাসংঘৰ নেতা দুগৰাকীয়ে কয় যে, ভাৰতীয় সংস্কৃতি আৰু সনাতন ধৰ্মৰ লোক সকলে অন্য উপাসনা পদ্ধতি তথা ধৰ্মৰ ক্ষেত্ৰত উদাৰ যদিও "স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম ভয়াৱহ" বুলিও মত পোষণ কৰে। সনাতন ধৰ্ম আৰু ভাৰতীয় সংস্কৃতি বিশ্বৰ ভিতৰতে চহকী আৰু শ্ৰেষ্ঠ বুলি দাবী কৰি চাৰি বেদ, ওঠৰ পুৰাণ, চৈধ্য শাস্ত্ৰৰ উপৰিও সাধাৰণ ৰ পৰা বহুতো জাক জমকীয়া উৎসৱ পাৰ্বন নেৰে উপচি থকাৰ পিছতো সাত সাগৰ তেৰ নদীৰ সিপাৰৰ উপাসনা পদ্ধতি নতুবা উৎসৱত আত্মহাৰা হৈ উটি ভাহি যোৱাটো কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলিও তেওঁলোকে মতপোষণ কৰে। লগতে খ্ৰীষ্টিয়ান মিছনেৰীসকলে এনে উৎসৱৰ মাজেৰে সনাতন লোকসকলক ধৰ্মান্তকৰণ কৰাৰ প্ৰথম পদক্ষেপ বুলিও অভিহিত কৰিছে মহাসংঘৰ নেতা দুগৰাকীয়ে। বিবৃতিটোত সত্ৰাধিকাৰ গোস্বামী আৰু সম্পাদক বলেন বৈশ্যই লগতে কয় যে ভাৰতবৰ্ষ তথা অসমৰ বাবে নতুন বছৰ হৈছে পহিলা ব'হাগ । এই সময়ত প্ৰকৃতিয়েও নতুন ৰূপ ধাৰণ কৰে। সম্পূৰ্ণ বিজ্ঞান সন্মত এই নতুন বৰ্ষৰ উৎসৱ অসম বাসী তথা সনাতন হিন্দু লোকসকলে অতি উলহ মালহেৰে পালন কৰি আহিছে, গতিকে ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰী উৎসৱ হিচাপে অসমবাসী বা ভাৰতবাসীয়ে পালন কৰাৰ কোনো অৰ্থ নাই বুলি তেওঁলোকে মন্তব্য কৰি অন্য ইংৰাজী মাহৰ যিদৰে সমাপ্তি আৰু আৰম্ভণি হয় ঠিক তেনেদৰেই ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰীকো সাধাৰণভাৱে ল'বলে প্ৰতিগৰাকী সনাতনী লোকলৈ অনুৰোধ জনাইছে সংগঠনটোৰ অসম শাখাই। একেটা বিবৃতিতে গোস্বামী আৰু বৈশ্যই গুৱাহাটী ধৰি অসমৰ কিছু চহৰত এই বৰদিন নৱবৰ্ষ উদযাপনৰ নামত যি অনুষ্ঠান চলে সেয়াও চৰকাৰ প্ৰশাসনে নিয়ন্ত্ৰণ কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী জনাই সংগঠনটোৱে।

# ধুবুৰীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাৰ বিস্ফোৰক মন্তব্য

## মুখ্যমন্ত্ৰীৰ পৰিয়ালে চৰকাৰী মাটি অবৈধ ভাৱে বেদখল কৰি বহি আছে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৯ ডিচেম্বৰ ঃ** যিগৰাকী মুখ্যমন্ত্ৰীয়ে চৰকাৰী মাটি বেদখল মুক্ত হ'ব লাগে বুলি কয়। যিগৰাকী মুখ্যমন্ত্ৰীয়ে চৰকাৰী মাটিৰ পৰা মানুহক মাৰি পেলাই খেদি পঠিয়ালে সেইগৰাকী মুখ্যমন্ত্ৰীৰে পৰিয়ালে, সেইজন মুখ্যমন্ত্ৰীৰ পত্নীয়ে চৰকাৰী মাটি বেদখল কৰি বহি আছে বুলি মন্তব্য কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি ধুবুৰী জিলা কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই উপস্থিত হৈ এই বিস্ফোৰক মন্তব্য আগবঢ়ায় যে মুখ্যমন্ত্ৰীৰ পৰিয়ালে এয়াৰপ'ৰ্টৰ ওচৰত বহু একৰ মাটি মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ মানুহে অবৈধভাৱে বেদখল কৰি আছে বুলি উল্লেখ কৰে সভাপতি বৰাই। লগতে এই কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি ইয়াৰ উচিত তদন্ত হব লাগে আৰু মুখ্যমন্ত্ৰীক অসমৰ ৰাইজৰ ওচৰত ক্ষমা খুজিবলৈ কয় বুলি ভূপেন বৰাই সাংবাদিকৰ আগত উল্লেখ কৰে।

